www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

চৈইজনেইপ্ৰকৃত সাহসী যিজনে নিজৰ ব্যৰ্থতাৰ কথা অকপটে স্বীকাৰ কৰিব পাৰে আৰু সেই ব্যৰ্থতাৰ শিক্ষাৰে সফলতাৰ পথত বাট বুলিব পাৰে। — অভিনয় শিল্পী মৰিচ চেভালিয়া

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ সপ্তম বছৰ ❐ সংখ্যা - ১২ ❐ শুকুৰবাৰ ❐ ১৬ জানুৱাৰী, ২০২৬ চন ❐ ২ মাঘ, ১৯৪৭ শক ❐ VOL - 7 ❐ NO.- 12 ❐ Friday ❐ 15th January, 2026 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

▪ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উপস্থিতিত ১০ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰিব বাগুৰুম্বা ▪

# কাইলৈ সৰুসজাইত বাগৰুম্বা নৃত্যই ৰচিব ইতিহাস

## বড়ো সংস্কৃতি বিশ্ব মানচিত্ৰত প্ৰতিষ্ঠা কৰিব এই অনুষ্ঠানে; পৰ্যটন বিকাশতো ইতিবাচক প্ৰভাৱ পৰিব ঃ মন্ত্ৰী বিমল বড়া

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ জানুৱাৰী ঃ** অসমৰ বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক ঐতিহ্যক বিশ্ব দৰবাৰত উজ্জ্বল কৰি তুলিবলৈ আৰু এটা ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰা হৈছে। বড়ো সম্প্ৰদায়ৰ জনপ্ৰিয় লোকনৃত্য বাগৰুম্বা একেলগে প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰি বিশ্ব অভিলেখ স্থাপন কৰিবলৈ সাজু হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ১৭ জানুৱাৰীৰ সন্ধিয়া গুৱাহাটীৰ সৰুসজাইস্থিত ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এই মহান অনুষ্ঠান অনুষ্ঠিত হ'ব। খাম, ছেৰজা, ছিফুং, জথা আৰু জাপশ্ৰিঙৰ তালে তালে দখনা, ৰেগেৰেগাং, জোমগ্ৰা, আৰনাই, গছলা, চন্দ্ৰহালা মালা, ফুলকুৰি খেৰা, আসাম গথা আদি ▸▸ ৬ পৃষ্ঠাত




## পুনৰ আত্ম-সমৰ্পণ আন এজন আলফা কেডাৰৰ

আত্মসমৰ্পিত কেডাৰজনৰ পেঙেৰীৰ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৫ জানুৱাৰী ঃ** 'আলফা' (স্বাধীন) ৰ কেডাৰ অমৰজিৎ মৰাণ ওৰফে ধনঞ্জয় অসমে কালি নাগালেণ্ডৰ মন টাউনত সুৰক্ষা বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰে। কালি সন্ধ্যা ৬-১০ বজাতেই অমৰজিতক নাগালেণ্ডৰ ▸▸ ৬ পৃষ্ঠাত

বিজনীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ

▪ '২৬ত হিমন্ত বিশ্ব শৰ্মাই হ'ব অসমৰ মুখ্যমন্ত্ৰী ঃ হাগ্ৰামা ▪

## পুনৰ বিজেপি চৰকাৰ হ'লে চেনি, দালি আৰু নিমখৰ লগতে এক লিটাৰ মিঠাতেল বিনামূলীয়াকৈ দিব চৰকাৰে

কংগ্ৰেছৰ ছচিয়েল মিডিয়া যিয়ে চলাই আছে তেওঁলোকৰ অসমীয়া সংস্কৃতিৰ লগত পৰিচয় নাই ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, বিজনী, ১৫ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত বৃহস্পতিবাৰে বিজনী বিধানসভা সমষ্টি ভিত্তিত ৩০, ৬৮০ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা ▸▸ ৬ পৃষ্ঠাত



## ৰেজাউল কৰিম সৰকাৰক পাৰ্টীৰ পৰা বহিষ্কাৰ কৰিবলৈ সাহস নাছিল গৌৰৱ গগৈৰ ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ সাংসদ গৌৰৱ গগৈক তীব্ৰ সমালোচনা কৰিছে। তেওঁ কৈছে যে ৰেজাউল কৰিম সৰকাৰ, যিয়ে সম্প্ৰতি পাৰ্টীৰ পৰা পদত্যাগ কৰিছে, ▸▸ ৬ পৃষ্ঠাত

▪ পঞ্চভূতত বিলীন প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাৰ নশ্বৰদেহ ▪

## প্ৰান্তিক যুগৰ দ্ৰষ্টাৰ জীৱন নাটৰ যৱনিকা

অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত নৱগ্ৰহ শ্মশানত সম্পন্ন শেষকৃত্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জানুৱাৰী ঃ** অসমৰ প্ৰখ্যাত সাংবাদিক, লেখক আৰু জনপ্ৰিয় পযেকীয়া আলোচনী 'প্ৰান্তিক'ৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰকাশক প্ৰদীপ বৰুৱাৰ দেহাৱসানত ৰাজ্যৰ বৌদ্ধিক, সাহিত্যিক আৰু সাংবাদিক মহলত গভীৰ শোকৰ ▸▸ ৬ পৃষ্ঠাত



❐ ছিংগাপুৰৰ কৰ'নাৰ্ছ ক'ৰ্টৰ বিচাৰ প্ৰক্ৰিয়া উচ্চ পৰ্যায়ত নিৰীক্ষণৰ আহ্বান ❐

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়াক লৈ কেন্দ্ৰ, ৰাজ্য চৰকাৰলৈ বিশেষ আহ্বান গৰিমা শইকীয়া গাৰ্গৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ জানুৱাৰী ঃ** অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ ঘটনাত ছিংগাপুৰৰ ক'ৰ'নাৰ্ছ আদালতে শেহতীয়াকৈ গুৰুত্বপূৰ্ণ শুনানি অনুষ্ঠিত কৰিছে। আদালতে উল্লেখ কৰিছে যে, য়টৰ পৰা পানীত নমাৰ আগতে জুবিন গাৰ্গে অত্যধিক ▸▸ ৬ পৃষ্ঠাত

আলফা(স্বাঃ)ৰ শিবিৰত ভোগালী বিহু

## ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰাই পঠাবলৈ পৰেশ অসমক কাতৰ আহবান ডিফুল মহন্তৰ মাতৃৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৫ জানুৱাৰী ঃ** ম্যানমাৰৰ গভীৰ অৰণ্যত অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু ▸▸ ৬ পৃষ্ঠাত

ৰাহুল গান্ধী, খাৰ্গেৰ নেতৃত্বত ৰণনীতি নিৰ্ধাৰণৰ সম্ভাৱনা

## '২৬ৰ বিধানসভা নিৰ্বাচন সম্পৰ্কত আজি দিল্লীত গুৰুত্বপূৰ্ণ বৈঠক কংগ্ৰেছ নেতৃত্বৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ ক্ৰমশ উত্তপ্ত হৈ পৰিছে। শাসক দল বিজেপিয়ে টানা তৃতীয়বাৰৰ বাবে দিছপুৰৰ ক্ষমতা ধৰি ৰাখিবলৈ জোৰদাৰ প্ৰস্তুতি চলাইছে, আনহাতে বিৰোধী শিবিৰত মিত্ৰজোঁট গঠনৰ কুচকাৱাজ অব্যাহত আছে। ▸▸ ৬ পৃষ্ঠাত

পুনৰ ট্ৰাম্প প্ৰশাসনৰ হঠকাৰী সিদ্ধান্ত

## ৭৫খন দেশৰ ভিছা অনিৰ্দিষ্টকাললৈ স্থগিত ঘোষণা আমেৰিকাৰ




**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ জানুৱাৰী ঃ** আমেৰিকাৰ ষ্টেট ডিপাৰ্টমেণ্টে এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰি ৭৫খন দেশৰ নাগৰিকসকলৰ ইমিগ্ৰেণ্ট ভিছা (স্থায়ী বাসিন্দাৰ ভিছা) প্ৰক্ৰিয়াকৰণ ▸▸ ৬ পৃষ্ঠাত

গৌৰৱৰ বিৰুদ্ধে 'ঘৰশত্ৰু বিভীষণ'ৰ চক্ৰবেহু; শ্বেৰমান আলীৰ সাৱধানবাণী

## অভ্যন্তৰীণ বিদ্ৰোহৰ এলান্ধুৰে বেৰিছে প্ৰদেশ কংগ্ৰেছ





**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছত অভ্যন্তৰীণ কোন্দল আৰু ঘৰুৱা বিদ্ৰোহৰ ছাঁ গভীৰ হৈ পৰিছে। নিলম্বিত বিধায়ক তথা সংখ্যালঘু নেতা শ্বেৰমান আলীয়ে দলৰ সভাপতি গৌৰৱ গগৈক লক্ষ্য কৰি তীব্ৰ সাৱধানবাণী প্ৰদান কৰিছে। তেওঁ অভিযোগ ▸▸ ৬পৃষ্ঠাত

বিটিচি শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰীৰ সংবাদমেল

## প্ৰাদেশিকীকৰণৰ পথত বিটিচিৰ ভেঞ্চাৰ স্কুলসমূহ

❐ স্বচ্ছ আৰু মেধাৰ ভিত্তিত নিযুক্তি সম্পন্ন কৰাৰ লক্ষ্য ❐

❐ ৯৮৪টা শিক্ষক পদৰ ফিজিকেল ভেৰিফিকেশ্যনৰ তাৰিখ সলনি ❐

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১৫ জানুৱাৰী ঃ** বড়োলেণ্ড টেৰিট'ৰিয়েল কাউঞ্চিল (বিটিচি)ৰ শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰীয়ে আজি কোকৰাঝাৰত এখন গুৰুত্বপূৰ্ণ সংবাদমেল অনুষ্ঠিত কৰে। এই সংবাদমেলত তেওঁ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মুঠ ৯৮৪টা শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰে। পূৰ্বৰ ঘোষণা অনুসৰি ১৭ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব লগীয়া ▸▸ ৬ পৃষ্ঠাত





### ১ কোটি ৬৭ লাখ টকাৰ বাজেটেৰে ব্যাপক প্ৰস্তুতি; ৫ হাজাৰ প্ৰতিনিধিৰ লগতে ২ লক্ষ্যাধিক লোকক আদৰিবলৈ সাজু আদৰণি সমিতি

# ১৯ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে প্ৰয়াত শ্ৰীৰামচন্দ্ৰ ৰাভা সমন্বয় ক্ষেত্ৰত নিখিল ৰাভা জাতীয় পৰিষদৰ শতবৰ্ষ উৎসৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৪ জানুৱাৰী ঃ** ১৯২৬ চনৰ ১৫ জানুৱাৰীত এক ঐতিহাসিক ক্ষণত জন্ম গ্ৰহণ কৰা ৰাভা জনগোষ্ঠীৰ পিতৃ সংগঠন "নিখিল ৰাভা জাতীয় পৰিষদ"ৰ গৌৰৱময় শতবৰ্ষ উৎসৱ ওদালগুৰি জিলাৰ টংলা চহৰৰ নিকটবৰ্তী হাবি গাঁৱত অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। ১৯ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ মুঠ পাঁচদিনীয়া কাৰ্যসূচীৰে প্ৰয়াত শ্ৰীৰামচন্দ্ৰ ৰাভা সোঁৱৰণী সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া শতবাৰ্ষিকী অনুষ্ঠানটি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমিৰীক সভাপতি, সমাজকৰ্মী বিনোদ ৰাভাক কাৰ্যকৰী সভাপতি, প্ৰভাত চন্দ্ৰ ৰাভাক সাধাৰণ সম্পাদক ৰূপে লৈ এখনি শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰাৰ লগতে ২০ খনৰো অধিক উপ-সমিতি গঠন কৰিছে। উদ্‌যাপন সমিতিয়ে ইতিমধ্যে হাবিগাঁৱত ৫০০ বিঘা মাটিকালি সামৰি ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলাইছে। অনুষ্ঠানৰ দিন চমু চাপি অহাৰ লগে লগে ইয়াৰ প্ৰতিটো উপস্থিতিয়ে নিজৰ নিজৰ দায়িত্ব বহন কৰি ৭০ শতাংশ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। অসম, অৰুণাচল, মেঘালয় বাংলাদেশ, ভুটান, ভাৰতৰ বিভিন্ন চুবুৰীয়া প্ৰদেশৰ পৰা অংশগ্ৰহণ কৰিব লগীয়া ৫০০ হাজাৰ প্ৰতিনিধিক আৰু পাচঁটা দিশত উপস্থিত হ'বলগীয়া ২ লক্ষাধিক লোকক আদৰিবলৈ সাজু কৰি তুলিছে ১৫০ ফুট বহল, ২৫০ ফুট দৈৰ্ঘ্যৰ মূল পেণ্ডেল, মূল তোৰণৰ উপৰিও থাকিব বিভিন্ন পথৰ ওপৰত শতাধিক বিভিন্ন দল সংগঠনৰ তোৰণ, এখন আদৰ্শ গাঁও ১০০ বিঘা মাটিত প্ৰদৰ্শনি, ১০০ বিঘা মাটিত বাণিজ্য মেলা, ১০০ বিঘা মাটিত খাদ্য মেলা ইত্যাদি। মূল সমিতিৰ সভাপতি আৰু মুখ্য সম্পাদক ক্ৰমে বাবুল চন্দ্ৰ ৰাভা আৰু গোবিন্দ ৰাভাই নিয়মীয়া বাৰ্তাক জানিবলৈ দিয়ামতে অতিথি আৰু প্ৰতিনিধি সকলক থলুৱা খাদ্য যেনে মাটিৰ দাইল, কল পচলা ধেকীয়া শাক, মেচকা টেঙা, কাঠ আলুৰ আঞ্জা, কুচিয়া, সামুখ আদিৰে আপ্যায়ন কৰাৰ লগতে চাহৰ সৈতে পৰম্পৰাগত পিঠা দিয়া হ'ব। মুঠ ৩০০ ৰান্ধনীয়ে ৩০০ চৌকাত ৰন্ধন প্ৰণালী কৰিব। ৫০০ প্ৰতিনিধিৰ বাবে সুন্দৰকৈ সজাই পৰাই তুলিছে বাহ আৰু নৰা খেৰেৰে নিৰ্মিত প্ৰতিনিধি শিবিৰ, স্মৃতি তৰ্পণৰ বেদি, পতাকা বেদি। শতবৰ্ষ অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ১৯ জানুৱাৰীৰ কাৰ্যসূচী সমূহৰ ভিতৰত আছে স্মৃতিস্তম্ভ উন্মোচন, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সভা, মূল তোৰণ মুকলি, অতিথি শালাৰ দ্বাৰ মুকলি, প্ৰতিনিধিৰ নাম পঞ্জীয়ন, ভোজনালয়ৰ দ্বাৰ মুকলি, প্ৰতিনিধি শিবিৰ মুকলি, প্ৰদৰ্শনীৰ লগতে প্ৰতিনিধিৰ কক্ষ মুকলি, আৰু প্ৰতিনিধি সভাৰ প্ৰথম বৈঠকৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰিব। দ্বিতীয় দিনৰ কাৰ্যসূচী সমূহৰ ভিতৰত থাকিব নিখিল ৰাভা জাতীয় পৰিষদৰ পতাকা উত্তোলন স্মৃতি তৰ্পণ, জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি, গছপুলি ৰোপণ, মঞ্চ মুকলি, জাতীয় কৰ্মীলৈ সম্বৰ্ধনা, স্মৃতিগ্ৰন্থ উন্মোচন, ১০০ বছৰীয়া সংগ্ৰামৰ ৰ'দ কাচিয়লিত ৰাভা জাতীয় সংগ্ৰাম আৰু স্বনিয়ন্ত্ৰণত ৰাভা জাতীয় পৰিষদৰ ঐতিহাসিক ভূমিকা শীৰ্ষক বৌদ্ধিক আলোচনা চক্ৰ। ২১ জানুৱাৰীত বৌদ্ধিক আলোচনা সভা বুৰঞ্জী মূলক সন্মিলন, সাজ পাৰ পৰিধান আৰু সৌন্দৰ্য প্ৰতিযোগিতা। ২২ জানুৱাৰীৰ কাৰ্যসূচী সমূহৰ ভিতৰত আছে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, বিয়লি বজাত নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব নিখিল ৰাভা জাতীয় পৰিষদৰ প্ৰাক্তন সম্পাদক দুলু ৰাভাই। মুকলি সভাত মুখ্য অতিথীৰূপে অংশগ্ৰহণ কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুকলি সভাত সন্মানিত অতিথিৰ আসন অলংকৃত কৰিব মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা, ভাৰত চৰকাৰৰ কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলীৰীয়ে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব এ.আৰ.এন.চি'ৰ প্ৰাক্তন সভাপতি নৰেন্দ্ৰ কুমাৰ ৰাভাই। সন্মানীয় অতিথিৰ আসন অলংকৃত কৰিব ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, কেবিনেট মন্ত্ৰী চৰণ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী ৰিহুণ দৈমাৰী, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্য, বিশিষ্ট অতিথি ৰূপে নিখিল ৰাভা সাহিত্য সভাৰ সভাপতি অমৰ সিং কোচ, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল ৰাভা, সদৌ অসম কোচৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন ৰয়, এবছুৰ সভাপতি দ্বীপেন বড়ো, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি জগদীশ বৰাইক, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি সুনীল ছেত্ৰী, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি ৰাজেন হৰো, নিখিল ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী ললিতা ৰাভা, বাইখো হুৰি অসমৰ সভাপতি প্ৰকাশ ৰাভা, নিখিল ৰাভা কৰ্মচাৰী পৰিষদৰ সভাপতি বসন্ত ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি ডাঃ কান্ত ৰাভা আৰু আৰু আমন্ত্ৰিত অতিথি ৰূপে ওদালগুৰি জিলাৰ জিলা আয়ুক্ত পুলক পাটগিৰি, নিখিল ৰাভা সাহিত্য সভাৰ মুখ্য সম্পাদক ৰাজ কুমাৰ ৰাভা, পশ্চিমবঙ্গ তুফানগঞ্জ সমষ্টিৰ বিধায়ক মালতী ৰাভা ৰয়, বিটিচিৰ পাৰিষদ প'ল টপ্পো, মনোনীত সদস্য ৰতন ৰাভা, সদৌ অসম ৰাভা কৃষ্টি সন্মিলনৰ সম্পাদক কামেশ্বৰ ৰাভা, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানেৰে কাৰ্যসূচীৰ সামৰণি পৰিব।

# ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সৃজনীশীল সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠানত গ্ৰন্থ উন্মোচন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলা লেখিকা সমাজৰ অনুষ্ঠান আয়োজিত হৈ যায় ডিব্ৰুগড়ৰ, ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ১১ জানুৱাৰীত। এই উদ্দেশ্যে পুৱা ১১ বজাত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে ডি এইচ এছ কে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। দীপস্তোত্ৰ পৰিৱেশন কৰে ডিব্ৰুগড় জিলা লেখিকা সমাজৰ লৰিয়লি বাগ্মিতা গগৈয়ে। ডিব্ৰুগড় লেখিকা সমাজৰ সভাপতি মধুমিতা দত্তৰ সভাপতিৰ আদৰণিসূচক বক্তব্যৰ পিছতে সম্পাদক অনিতা গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানটিত লোকগীত পৰিৱেশন কৰে বাগ্মিতা গগৈয়ে। অনুষ্ঠানৰ মূল কাৰ্যসূচী গ্ৰন্থ উন্মোচনীত দুগৰাকীকৈ লেখিকা ক্ৰমে অৰ্চনা বড়াৰ কাব্যগ্ৰন্থ: "অভ্ৰভেদী সুৰৰ মালিতা" আৰু "এমুঠি লিমাৰিক" শীৰ্ষক লিমাৰিকৰ এখনি সংকলন উন্মোচন কৰা হয়। অনুষ্ঠানতে উন্মোচন কৰা হয়: লৰিয়লি বাগ্মিতা গগৈৰ কাব্যগ্ৰন্থ: "চৰাই হোৱা হ'লে।" মুখ্য উন্মোচক হিচাপে আমন্ত্ৰিত ড° শশীকান্ত শইকীয়াৰ লগতে গ্ৰন্থ উন্মোচন কাৰ্যসূচীত অংশ গ্ৰহণ কৰে আমন্ত্ৰিত বিশিষ্ট অতিথি ডিব্ৰুগড়ৰ সমাজ কৰ্মী অৱসৰপ্ৰাপ্ত বিষয়া ৰঞ্জন দত্তকে আদি কৰি সভাপতি, সম্পাদকে। গ্ৰন্থ উন্মোচন কৰি ড° শইকীয়াই তেখেতৰ উন্মোচনী ভাষণত কয় যে, মানৱ সমাজ, সভ্যতাৰ অগ্ৰগতিত সৃজনীশীল সাহিত্যৰ ভূমিকা অপৰিসীম। অসমীয়া ভাষা তথা জাতিক জীয়াই ৰাখিবৰ বাবে, ব্যক্তিৰ মনোজগত, জীৱনক সুন্দৰ কৰিবৰ বাবে সৃজনীশীল সাহিত্য চৰ্চা অব্যাহত ৰখাৰ প্ৰয়োজনীয়তা আছে। লেখিকা অৰ্চনা বৰাই দুয়োখন গ্ৰন্থ প্ৰণয়নৰ সম্পৰ্কত নিজৰ আত্মিক তাগিদা তথা অনুভৱ ব্যক্ত কৰে। আনগৰাকী শিশু লেখিকা বাগ্মিতা গগৈয়েও নিজৰ বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সহঃ সম্পাদক জোনটি বৰা গগৈক সাংগঠনিক দিশত আগবঢ়োৱা পাৰদৰ্শিতাৰ বাবে সন্মানিত কৰা হয়। জিলা সাংস্কৃতিক সম্পাদক ৰিমঝিম শইকীয়াক সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়োৱা অৱদান তথা পাৰদৰ্শিতাৰ বাবে সন্মানিত কৰা হয়। সৃজনীশীল সাহিত্য আৰু সাংস্কৃতিক কাৰ্যসূচী অনুসৰি ক্ৰমেঃ লৰিয়লি শিশু শিতান, সখিয়তী কিশোৰী শিতানৰ লগতে লেখিকাসকলৰ নৃত্য-গীতকে আদি কৰি স্বৰচিত কবিতা পাঠ, কবিতা আবৃত্তি, স্বৰচিত গল্প পাঠ আদিৰ পৰিৱেশনেৰে সম্পন্ন হোৱা অনুষ্ঠানটিত গীত পৰিৱেশন কৰে লেখিকা সমাজৰ সদস্যা হেপ্পী দত্তই। স্বৰচিত গল্প পাঠ কৰে হিৰোমা শইকীয়াই। সৃজনীশীল নৃত্য পৰিৱেশন কৰে ক্ৰমে অংকিতা বৰঠাকুৰ আৰু ৰুণজুন দাসৰ যুটীয়ে। ভূপেন্দ্ৰ সংগীতত নৃত্য পৰিৱেশন কৰে অংকিতা বৰঠাকুৰে। দলীয় সৃজনীশীল নৃত্য পৰিৱেশন কৰে লৰিয়লি বাগ্মিতা গগৈ, আৰাধ্যা বৰা আৰু টিজুস্মিতা দাসে। প্ৰয়াত জুবিন গাৰ্গৰ এটি গীত পৰিৱেশনেৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱাৰ লগতে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে ডিব্ৰুগড়ৰ শিশু কণ্ঠশিল্পী চাউলী গগৈয়ে। অনুষ্ঠানটিত চাহ পৰ্ব তথা দুপৰীয়াৰ আহাৰ বিৰতিৰ পিছতে সদ্য প্ৰয়াত মহান শিল্পীজনলৈ শ্ৰদ্ধা নিবেদি তেওঁৰ এটি গীত পৰিৱেশনৰ লগতে এটি নিজা গীত পৰিৱেশন কৰে সুকণ্ঠী গায়িকা, অনাতাঁৰ শিল্পী তথা ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সাংস্কৃতিক সম্পাদক ৰিমঝিম শইকীয়াই। গীত পৰিৱেশন কৰে লেখিকা তথা গায়িকা ড° নীলাঞ্জনা শৰ্মাই। অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰে ডিব্ৰুগড় জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ বিটুমণি গগৈ, ডিব্ৰুগড় সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মিনাক্ষী দাস বৰুৱাই। চমু বক্তব্যৰ লগতে কবি দেৱকান্ত বৰুৱাৰ কবিতা আবৃত্তি কৰে বৃহত্তৰ পাটকাই আঞ্চলিকৰ উপ সভাপতি, আবৃত্তিকাৰ তথা শিক্ষয়িত্ৰী প্ৰেৰণা শইকীয়াই। বিহুনাম আৰু নাচ পৰিৱেশন কৰে বিহুৱতী তথা ডিব্ৰুগড় জিলা লেখিকা সমাজৰ কোষাধ্যক্ষ নিভা বৰচেতিয়া, কাৰ্য-নিৰ্বাহক সদস্য বনশ্ৰী দেৱীৰ লগতে অনুষ্ঠানত উপস্থিত থকা ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সদস্যসকলে। সম্পাদক অনিতা গগৈ আৰু সহ সম্পাদক জোনটি বৰা গগৈয়ে আঁত ধৰা মনোজ্ঞ অনুষ্ঠানত শলাগ জ্ঞাপন আৰু সভাপতি মধুমিতা দত্তই।

# ঢেকীয়াজুলিৰ নতুন শিঙৰী গাঁৱত আজি উলহ-মালহ আৰু ভাতৃত্ববোধৰ পৰিবেশৰ মাজত উদ্‌যাপন হ'ল ভোগালী বিহুৰ উৰুকা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৪ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানাৰ অধীনস্থ শিঙৰী আৰক্ষী চকী এলেকাৰ নতুন শিঙৰী গাঁৱত আজি উলহ-মালহ আৰু ভাতৃত্ববোধৰ পৰিবেশৰ মাজত ভোগালী বিহুৰ উৰুকা ব্যাপকভাৱে উদ্‌যাপন কৰা হয়। অসমীয়াৰ প্ৰাণৰো প্ৰাণ মাঘ বিহু তথা ভোগালীৰ উৰুকা উপলক্ষে গাঁওখনৰ ৰাইজে একত্ৰিত হৈ আয়োজন কৰে এক বৃহৎ প্ৰীতি ভোজ কাৰ্যসূচী। উৰুকাৰ এই বিশেষ দিনটোত গাঁওখনৰ পুৰুষ-মহিলা, বৃদ্ধ-বৃদ্ধা, যুৱক-যুৱতী সকলো একেলগে মিলিত হৈ পৰম্পৰাগত ৰীতি-নীতি অনুসৰি উৰুকা উদ্‌যাপন কৰে। প্ৰীতি ভোজত বিভিন্ন পৰম্পৰাগত অসমীয় খাদ্য, যেনে পিঠা-পনা, লাড়ু, চিৰা-মুৰি, মাংস-মাছ আদিৰে অতিথিসকলক আপ্যায়ন কৰা হয়। ৰাইজে একে ঠাইত বহি আহাৰ গ্ৰহণ কৰি ভাতৃত্ববোধ, সৌহাৰ্দ্য আৰু সামাজিক ঐক্যৰ এক অনন্য নিদৰ্শন প্ৰদৰ্শন কৰে। গাঁওখনৰ জ্যেষ্ঠ নাগৰিকসকলে এই ধৰণৰ সামাজিক অনুষ্ঠানসমূহে নতুন প্ৰজন্মক অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে জড়িত কৰি ৰাখে বুলি মন্তব্য কৰে। একে সময়তে যুৱ প্ৰজন্মো উৰুকাৰ আনন্দময় পৰিবেশত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি এই পৰম্পৰা আগবঢ়াই নিয়াৰ সংকল্প ব্যক্ত কৰে। সমগ্ৰ নতুন শিঙৰী গাঁও উৰুকাৰ দিনটোত উৎসৱৰ ৰঙেৰে ৰঙিন হৈ পৰে। সকলোৰে মুখত হাঁহি, আনন্দ আৰু উচ্ছ্বাস দেখা যায়। এই প্ৰীতি ভোজ আৰু উৰুকা উদ্‌যাপনে গাঁওবাসীৰ মাজত পাৰস্পৰিক সম্প্ৰীতি আৰু ঐক্য অধিক দৃঢ় কৰি তুলিলে বুলি ৰাইজে মত প্ৰকাশ কৰে।

### জয়ন্ত দাস সম্পাদিত পত্ৰিকা উন্মোচন

# টংলা সাহিত্য সভাৰ ৩২ সংখ্যক বিশেষ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, টংলা, ১৪ জানুৱাৰী ঃ** সকলোৱে অধ্যয়নৰ স্পৃহা বঢ়োৱা উচিত। সমাজৰ বিশৃঙ্খলা, অনিয়ম আদিৰ গুৰি বা কাৰ দ্বাৰা সেই কৰ্ম সংঘটিত হৈছে সেয়া চিনাক্তকৰণ কৰি তাৰ সমাধানৰ ব্যৱস্থা ল'ব লাগে। অসম সাহিত্য সভাৰ অন্যতম শাখা টংলা সাহিত্য সভাৰ ৩২ সংখ্যক বিশেষ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে বিশিষ্ট কথাশিল্পী জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে। গোহাঁইখাট সেউজী সংঘৰ আতিথ্যত আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই সভাপতিত্ব কৰা সভাত মৌগাঁও মিলন হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক গণেশ শৰণীয়া, লোক সংস্কৃতিৰ বিশিষ্ট গৱেষক তৰুণ আজাদ ডেকা, সমাজসেৱক বিকন চন্দ্ৰ ডেকাই ভাষণ দিয়ে। জয়ন্ত দাস সম্পাদিত টংলা সাহিত্য সভাৰ চতুৰ্দশ সংখ্যা পত্ৰিকা উন্মোচন কৰে বিশিষ্ট কথাশিল্পী জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে। সাংবাদিক, কৌতুক শিল্পী বাপন শৰ্মাই কৌতুক পৰিৱেশন কৰা অনুষ্ঠানত শিশুসকলে গীত নৃত্য পৰিৱেশন কৰি সাহিত্য প্ৰেমী ৰাইজক আপ্লুত কৰে। সভাত অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য গৌৰী শংকৰ দাস, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চিণ্টুমনি চক্ৰৱৰ্তী, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু বৰুৱা, সম্পাদক ৰতন ডেকা, ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰ প্ৰভা দত্ত, টংলা সাহিত্য সভাৰ উপ সভাপতি তপেশ্বৰ ৰাভা, টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আদিত চন্দ্ৰ কলিতা, টংলা নগৰ সমিতিৰ কনিষ্ঠ অভিযন্তা সদানন্দ চহৰীয়া, শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সাহিত্য সভাৰ সভাপতি টংকেশ্বৰ ডেকা, সম্পাদক ঠগিৰাম প্ৰমুখ্য গণ্য মান্য ব্যক্তি তথা সাহিত্য অনুৰাগী ৰাইজ উপস্থিত থাকে। টংলা সাহিত্য সভাৰ সম্পাদক শ্যামল কুমাৰ দাসে আঁত ধৰা সভাতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ প্ৰাপক টংলা আদৰ্শ বিদ্যাপীঠৰ কৃতী ছাত্ৰী এলিনা আখ্‌তাৰা খানমক ঈশ্বৰ দাস সোঁৱৰণী বঁটা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপক টংলা প্ৰেছিডেন্সী চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ কৃতী ছাত্ৰী ধন্যশিখা হাজৰিকাক ৰতিকান্ত দাস সোঁৱৰণী বঁটা আৰু স্নাতক পৰীক্ষাত অসমীয়া (সন্মান)বিষয়ত সৰ্বোচ্চ নম্বৰ প্ৰাপক টংলা মহাবিদ্যালয়ৰ কৃতী ছাত্ৰী অপৰাজিতা নাথক চৈয়দ হবিবৰ ৰহমান আৰু চৈয়দা কেৰিমা ৰহমান সোঁৱৰণী বঁটা প্ৰদান কৰে। পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই উত্তোলন আৰু উপ সভাপতি তপেশ্বৰ ৰাভাই স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে। টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আদিত চন্দ্ৰ কলিতাই জোনাক কণ্ঠ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা পিছতে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি কমলা ৰাভাই গছ পুলি ৰোপণ আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদে আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰে। টংলা সাহিত্য সভাৰ দ্বাত্ৰিংশত্তম বিশেষ বাৰ্ষিক অধিৱেশনখনি সফল কৰি তোলা বাবে গোহাঁইখাট সেউজী সংঘ আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি টংকেশ্বৰ ডেকা আৰু সম্পাদক শশীন্দ্ৰ ডেকাই সাহিত্য ৰাইজক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।



# কামৰূপ জিলাত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা জাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ জানুৱাৰী ঃ** কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে সমগ্ৰ জিলাখনত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা কামৰূপ জিলাৰ হাজোত পৰম্পৰাগতভাৱে মাঘ বিহু উদযাপনৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হ'ব পৰা বুলবুলি চৰাইৰ যুঁজৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। উল্লেখ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০২৪ চনৰ ১৭ ডিচেম্বৰত লেখ আবেদন ৪৬৬/২০২৪ নম্বৰত প্ৰদান কৰা চূড়ান্ত ৰায়ত অসম চৰকাৰে ২০২৩ চনৰ ২৭ ডিচেম্বৰত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজৰ অনুমতি প্ৰদান কৰি জাৰি কৰা অধিসূচনা বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ আৰু আন বন্যপ্ৰাণী সুৰক্ষা আইনৰ সম্পূৰ্ণ উলংঘন বুলি উল্লেখ কৰাৰ পৰিপ্ৰেক্ষিতত আৰু কামৰূপ জিলাৰ কোনো কোনো ঠাইত মাঘ বিহুৰ সময়চোৱাত উক্ত আইনৰ উংলঘা হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিৰ্দেশ জাৰি কৰাৰ সময়ত উক্ত আইনৰ চতুৰ্থ অনুসূচীত বুলবুলি চৰাইৰ প্ৰজাতিক সুৰক্ষিত চৰাইৰ তালিকাত তালিকাভুক্ত হৈ থকা দিশটোৰ প্ৰতি লক্ষ্য ৰখা হৈছে তথা আৰু মাঘ বিহুৰ সময়চোৱাত এনে যুঁজ অনুষ্ঠিত হ'লে সুৰক্ষিত চৰাইবিধৰ ক্ষতি হ'ব পাৰে তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ অৱমাননা হ'ব বুলি উল্লেখ কৰা হৈছে। এই নিষেধাজ্ঞাৰ উলংঘন কৰিলে বি. এন. এছ.-ৰ ২২৩ ধাৰা আৰু আন যিকোনো প্ৰাসংগিক ধাৰাৰ অধীনত দণ্ডনীয় হ'ব বুলি প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিছে।

# জিলা আয়ুক্তৰ উপস্থিতিত অভয়াপুৰীত উন্নয়নমূলক সভা

**অসম বাৰ্তা, অভয়াপুৰী, ১৪ জানুৱাৰী ঃ** আজি বঙাইগাঁও জিলাৰ নৱনিযুক্ত জিলা আয়ুক্ত দিবাকৰ নাথে অভয়াপুৰী সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিভিন্ন বিভাগৰ বিষয়াসকলক লৈ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰে। উক্ত সভাত উপস্থিত থাকে সমজিলা আয়ুক্ত শান্তা কাৰ্কী চেত্ৰী, সহকাৰী আয়ুক্তসকল, সমাজকৰ্মী, লেখিকা, প্ৰাক্তন শিক্ষয়িত্ৰী, অভয়াপুৰী কলেজৰ প্ৰাক্তন অধ্যক্ষসকল, অভয়াপুৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি তথা বিষয়ববীয়াসকল, প্ৰাক্তন বেংক কৰ্মচাৰী, কোচ-ৰাজবংশী সংগঠনৰ বিষয়ববীয়া, কচমচ ক্লাব অভয়াপুৰীৰ সভাপতি, অভয়াপুৰী অগ্নি নিৰ্বাপক বিভাগৰ কৰ্মচাৰী, প্ৰেছ ক্লাব অভয়াপুৰীৰ সভাপতি, অভয়াপুৰী পৌৰসভাৰ উপ-সভাপতি, বয়োজেষ্ঠ ব্যক্তিসকল আৰু বিভিন্ন দল-সংগঠনৰ সদস্যসকল। আজিৰ সভাত বঙাইগাঁও জিলাৰ নৱ নিযুক্ত জিলা আয়ুক্তগৰাকীৰ উপস্থিতিত অভয়াপুৰী সমজিলাৰ সৰ্বাঙ্গীণ উন্নতি আৰু এখন দৃষ্টিনন্দন অভয়াপুৰী গঢ়ি তোলাৰ বাবে বিভিন্নজনে নিজৰ নিজৰ মতামত আৰু অনুৰোধ উত্থাপন কৰে। সভাত উপস্থিত ব্যক্তিসকলে বিভিন্ন সমস্যা আৰু উন্নয়নমূলক বিষয়ত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। নৱ নিযুক্ত জিলা আয়ুক্ত দিবাকৰ নাথে এই সকলো সমস্যাৰ সমাধান অতি সোনকালে কৰিব বুলি আশ্বাস প্ৰদান কৰি উপস্থিত ৰাইজক সহযোগিতাৰ বাবে আহ্বান জনায়।

# লখিমপুৰৰ বালিজানত বন্যহস্তীয়ে ভাঙিলে ঘৰ

**অসম বাৰ্তা, লীলাবাৰী, ১৫ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কয়লামাৰী পঞ্চায়তৰ অন্তৰ্গত ১/২ নং বালিজান গাঁৱত বন্যহস্তীয়ে ভাঙিলে এটা ঘৰ। খাদ্যৰ সন্ধানত জংঘলৰ পৰা অহা এটা দঁতাল হাতীয়ে বালিজান গাঁৱৰ এতুৱা ওৰাওঁৰ ঘৰ সম্পূৰ্ণ ৰূপে ভাঙি পেলায় আৰু ধান-চাউল মহতিয়াই নিয়াৰ লগতে বাচন-বৰ্তন ভাঙি পেলায়। এমাহৰ পূৰ্বে কয়লামাৰী চাহ বাগিচাৰ কয়লাপথাৰৰ লক্ষ্মীয়া প্ৰাথমিক বিদ্যালয়ৰ ৰন্ধন কক্ষৰ টিনৰ দৰ্জা ভাঙি চাউলৰ বস্তা দুটা বন্যহস্তীয়ে লৈ গৈছিল। কয়লামাৰী চাহ বাগিচাৰ কাষৰীয়া খেতি মাটিত স্থানীয় ৰাইজে ৰোৱা কেঁচা ধান মাৰি বস্তাত মজুত ৰখা ধানো বন্যহস্তীয়ে লৈ যায়। প্ৰতিদিনে হাজিৰা কৰি ভাতমুঠি গোটোৱা এতুৱা ওৰাওঁৰ পৰিয়ালটোৱে সোমবাৰে ৰাতি শোৱাপাটীত থকা অৱস্থাত প্ৰায় চাৰে দহ বজাত এটা দঁতাল হাতীয়ে আহি ঘৰ ভাঙে। হাতীয়ে ভঙা বেৰে পৰিয়ালটোৰ জ্যেষ্ঠ ব্যক্তি এতুৱা ওৰাওঁ আৰু পুত্ৰ-বোৱাৰীক বেয়াকৈ গাত আঘাত কৰে। পৰিয়ালটোৰ এজনে গাঁও তহলদাৰী কৰা মানুহক চিঞৰি মতাত হাতীটোক খেদিবলৈ যায়, যদিও হাতীয়ে তহল দিয়া মানুহক খেদি আহে। প্ৰায় তিনিঘণ্টাৰ পাছত তহলদাৰীসকলে হাতীটোক খেদি পঠিয়াবলৈ সক্ষম হয়। ৰাইজে অভিযোগ কৰিছে যে, জাকে জাকে অহা বন্যহস্তী খেদিবৰ বাবে প্ৰয়োজন হোৱা টৰ্ছ লাইট, বোমা, জোঁৰ আদি লাগতিয়াল সামগ্ৰীৰ অভাৱৰ লগতে বিভাগীয় কৰ্তৃপক্ষক কেইবাবাৰো সেই সন্দৰ্ভত আবেদন দিছিল, যদিও কোনো সুবিধা পাবলৈ সক্ষম হোৱা নাই। ষ্ট্ৰীট লাইট নথকা গাঁওখনত কাৰেণ্ট গ'লেই বন্যহস্তীৰ উপদ্ৰৱ বেছিকৈ হয় আৰু কাৰেণ্ট ফেন্সিং নথকাৰ বাবে পথাৰ বচাবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। চৰকাৰ তথা প্ৰশাসনৰ পৰা হাতীয়ে ঘৰ ভঙা এতুৱা ওৰাওঁৰ পৰিয়ালটোক ক্ষতিপূৰণ দিবলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।

### কেৱল খিলঞ্জীয়া অসমীয়া লোকৰ ৩২ টাকৈ চিতৰ এখন মাছৰ পাইকাৰী বজাৰ

# অসমৰ এখন বিশেষ সৰ্ববৃহৎ মাছৰ পাইকাৰী বজাৰত লোকে-লোকাৰণ্য পৰিৱেশ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৪ জানুৱাৰী ঃ** সমাগত ভোগৰ উৎসৱ ভোগালী বিহুক লৈ যেন আনন্দত আত্মহাৰা হৈ পৰিছে অসমবাসী। ব্যতিক্ৰম নহয় নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তৰ গাওঁসমূহো। নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত এখন সৰ্ববৃহৎ মাছৰ বজাৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। নামনি অসমৰ ভিতৰত একমাত্ৰ সৰ্ববৃহৎ বজাৰখন আছে বৰক্ষেত্ৰীৰ 'বৰী-টাপা-ঠুটিকাটা মিলন বজাৰ' নামৰ মাছৰ বজাৰখন। ১৯৭৫ চনতেই অঞ্চলটোৰ স্থানীয় ৰাইজে আৰম্ভ কৰা বজাৰখন অৱশ্যে ২০০১ চনৰ পৰা মাছৰ সৰ্ববৃহৎ পাইকাৰী বজাৰ হিচাপে ক্ৰয় বিক্ৰী চলি আহিছে। উল্লেখ্য যে বজাৰখন পূৰ্বতে মুল পথৰ দুয়োফালে আছিল যদিও পৰ্যায়ক্ৰমে বজাৰখন প্ৰায় ১২ৰ পৰা ১৫ বিঘা মাটি সামৰি নামনি অসমৰ এখন বিশাল বজাৰৰূপে পৰিগণিত হৈছে। অসমৰ বিভিন্ন জিলাৰ পৰা উৰুকাৰ আগদিনা নিশা মাছ কিনা-বেচাৰ বাবে বিভিন্ন প্ৰান্তৰ লোকে আহি ভীৰ কৰে বজাৰখনত। নামনি অসমৰ এখন সৰ্ববৃহৎ মাছৰ পাইকাৰী বজাৰ হিচাপে চিহ্নিত হোৱা বজাৰখনত উৰুকাৰ আগদিনা গোটেই নিশা মাছৰ ক্ৰয়-বিক্ৰয় হয়। উল্লেখ্য যে নামনি অসমৰ এখন সৰ্ববৃহৎ মাছৰ পাইকাৰী বজাৰ হিচাপে পৰিচিত বজাৰখনত ৩২টা চিটত কেৱল থলুৱা চিনাকি অসমীয়া লোকে ব্যৱসায় কৰি আহিছে। চালানী মাছৰ সৰবৰাহ সম্পূৰ্ণৰূপে বন্ধ কৰা বজাৰখনত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা মাছ ক্ৰয় বিক্ৰী কৰিবলৈ আহে। বজাৰখনলৈ লখিমপুৰ মৰিগাঁও, বৰপেটা, কামৰূপ, হাজো, মছলপুৰ আদি বিভিন্ন প্ৰান্তৰ পৰা মাছ ক্ৰয় বিক্ৰী কৰিবলৈ আহে। সেইসূত্ৰে উৰুকাৰ আগদিনা বিভিন্ন প্ৰান্তৰ লোকেৰে লোকাৰণ্য পৰিৱেশৰ সৃষ্টি হয় অঞ্চলটোত। অৱশ্যে এইবাৰ নলবাৰী জিলা মীন বিভাগৰ তৰফৰ পৰা জিলাখনত মাছৰ প্ৰজাতি আৰু ওজন অনুসৰি মাছৰ পাইকাৰী দাম নিৰ্ধাৰণ কৰি দিছে। সেই অনুসৰি ৰৌ মাছ প্ৰতি ১ কেজি পৰ্যন্ত ২৪০ টকা, ১-২ কেজি২৭০ টকা, ২-৩ কেজি ৪০০ টকা, ৩ কেজি আৰু ওপৰত ৫০০ টকা, বৰালী মাছ ১কেজি পৰ্যন্ত ৩৫০টকা, ১-২ কেজি ৪৫০টকা, ২-৩ কেজি ৬০০ টকা, ৩ কেজি আৰু ওপৰত - ৮০০ টকা, চিতল মাছৰ ১ কেজি পৰ্যন্ত ২৮০টকা, ১-২ কেজি ৪০০ টকা, ২-৩ কেজি ৫৫০ টকা, ৩ কেজি আৰু ওপৰত ৮০০ টকা, কাটলা (ভকুৱা) মাছ ১কেজি২৫০ টকা, ১-২ কেজি ২৯০ টকা, ২-৩ কেজি ৪৫০ টকা, ৩ কেজি আৰু ওপৰত ৬০০ টকা, আৰি মাছ, ১ কেজি ৪৫০টকা, ১-২ কেজি ৬০০ টকা, ২-৩ কেজি ৯০০ টকা, ৩ কেজি আৰু ওপৰত ১১০০ টকা, গ্ৰাছ কাৰ্প মাছ ১ কেজি ১৮০ টকা, ১-২ কেজি ২৫০ টকা, ২-৩ কেজি৩৫০টকা, ৩ কেজি আৰু ওপৰৰ৪০০টকা, কমন কাৰ্প মাছ১কেজি১৮০ টকা, ১-২ কেজি ২৫০টকা, ২-৩ কেজি ৩৫০ টকা, ৩কেজি আৰু ওপৰৰ - ৪০০ টকা, চিলভাৰ কাৰ্প মাছ ১ কেজি ১৪০ টকা, ১-২ কেজি ২০০ টকা, ২-৩ কেজি ২৮০ টকা, ৩ কেজি আৰু ওপৰৰ ৩৫০ টকা নিৰ্ধাৰণ কৰিছে। উল্লেখ্য যে, মাছ বিক্ৰেতা সকলে পাইকাৰী দামতকৈ খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত কেৱল ১৫ শতাংশ লাভ ল'ব পাৰিব বুলিও ৰাজহুৱা জাননী জাৰি কৰিছে।

**AFFIDAVIT**

Vide an affidavit sworn before the Notary Public at Majuli on 10/12/2025, I hereby declare that in my RPLI (Rural Postal Life Insurance) Policy Santosh, Gram Santosh (Endowment Assurance) bearing Policy No. - R-AS-EA-258407, date of proposal 25-08-2010 my name has been recorded as Dipak Chabukdhara instead of Rupak Chabukdhara. Both Dipak Chabukdhara and Rupak Chabukdhara are the same person having single identity.

Rupak Chabukdhara
C/O - Bhumidhar Chabukdhara
R/O & P.O.- Madhabpur
P.S. - Narayanpur,
Dist.- Lakhimpur, Assam

AB-04/2026

ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰত চিএইচঅ' নিযুক্তিৰ দাবী স্থানীয় ৰাইজ, দল-সংগঠনৰ

# বাহিৰে ৰং চং, ভিতৰে কোৰা ভাতুৰি; আধা কোটিটকীয়া স্বাস্থ্য কেন্দ্ৰত দুবছৰে নাই চিকিৎসক

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৪ জানুৱাৰী ঃ** অসমৰ জনপ্ৰিয় তথা কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে ফিতা কাটি শুভ উদ্বোধন কৰা তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই ঔগুৰি অসমীয়া বালিজান গাওঁস্থিত ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰত আজিৰ তাৰিখত নাই এগৰাকী চিকিৎসক। উল্লেখ্য যে, ২০২৪ বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও চৰকাৰী কাৰ্য্যসূচী হাতত লৈ তিনিচুকীয়া জিলাত উপস্থিত হৈ উক্ত উপ-স্বাস্থ্য কেন্দ্ৰটোৰ সন্মুখৰ ৰূপাই হাইস্কুল খেলপথাৰত আয়োজন কৰা বিশাল জনসভাত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মিছন বসুন্ধৰা ২.০ ৰ অধীনত ডুমডুমা সমষ্টিৰ কেইবা হাজাৰ লোকক ভূমি পট্টা প্ৰদান কৰাৰ লগতে ডুমডুমা সমষ্টিৰ আন কেইবাটাও প্ৰকল্পৰ উদ্বোধন তথা শিলান্যাস স্থাপন কৰিছিল। "বিকাশৰ বাবে এদিন, ডুমডুমাত বিকাশৰ নতুন জোৱাৰ" শ্ল'গানেৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই লক্ষ্মীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা সম্প্ৰতি অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ



উপস্থিতিত PM-ABHIM, ২০২১-২২ বিত্তীয় বৰ্ষৰ পুঁজিৰে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন (অসম)ৰ অধীনত ৰূপায়ণ কৰা তথা ৪৮,৩৮,৭৯০ টকাৰ ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ কৰা ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰটিৰ শুভ উদ্বোধন কৰা আজি দুবছৰৰ পাছতো চৰকাৰে এগৰাকী চিকিৎসক নিযুক্তি দিবলৈ অসমৰ্থ হোৱাৰ বিষয়টোৱে স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্মৰ্তব্য যে, ২০২৩ বৰ্ষৰ ১৩ মে'ত আধাৰশিলা স্থাপন কৰা ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰটি প্ৰায় ৭ মাহৰ ভিতৰতেই মাকুমৰ কল্যাণ চেতিয়া নামৰ ঠিকাদাৰগৰাকীয়ে নিৰ্মাণ সম্পূৰ্ণ কৰি উলিয়ায় যদিও আজি দুটা বছৰৰ চৰকাৰ তথা সংশ্লিষ্ট বিভাগে এগৰাকী চিকিৎসক তথা সামূহিক চিকিৎসা বিষয়া (চি এইচ অ')ক নিযুক্তি দিয়াত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি কেন্দ্ৰটি এগৰাকী এ এন এমৰ দ্বাৰাই চলিছেবুলিব পাৰি। গুৰুত্বপূৰ্ণ কথা এয়ে যে, স্বাস্থ্য বিভাগে কেন্দ্ৰটিৰ বাবে আচবাব, চিকিৎসা সঁজুলি, যন্ত্ৰপাতি ব্যৱস্থা কৰিলে যদিও এতিয়াও কেন্দ্ৰটিত অভাৱ কেতবোৰ আনুষঙ্গিক সামগ্ৰী আৰু চিকিৎসা সেৱাৰ প্ৰয়োজনীয় অন্যান্য সা-সঁজুলিৰ। লগতে বাৰুকৈয়ে অভাৱ কেন্দ্ৰটিৰ চৌহদৰ বেৰাৰ। আটকধুনীয়া কেন্দ্ৰটিৰ তলৰ মহলাত ৱেলনেছ ৰূম, পষ্ট ডেলিভাৰী, প্ৰি-ডেলিভাৰী ৱাৰ্ড, পৰীক্ষাগাৰ, টিকাকৰণ কক্ষ, লেবাৰ ৰূম, চিকিৎসকৰ কক্ষ, চিকিৎসক-নাৰ্ছ-ৰোগীৰ বাবে সুকীয়া-সুকীয়া প্ৰস্ৰাৱাগাৰ থকাৰ বিপৰীতে ওপৰ মহলাত চিকিৎসক এগৰাকী থাকিব পৰাকৈ সকলো ধৰণৰ সু-ব্যৱস্থা থকাৰ পাছতো চৰকাৰে আজিপৰ্য্যন্ত কেন্দ্ৰটিত এগৰাকী চিকিৎসকক নিযুক্তি দিব নোৱাৰাটো চৰকাৰৰ চৰম ব্যৰ্থতা বুলিব পাৰি। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে চৰকাৰে কেন্দ্ৰটিত নিযুক্তি দিয়া জয়প্ৰকাশ বৰ্মন নামৰ এম পি ডব্লিউ গৰাকীও ইতিমধ্যে গৃহ জিলা নলবাৰীলৈ বদলি হৈছে। ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ ফোঁপোলা তথা নগ্ন স্বৰূপটোক পুনৰবাৰ উদঙাই দিয়া কেন্দ্ৰটিৰ এনে দুদৰ্শাৰ সন্দৰ্ভত পূৰ্বতে সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পোৱাৰ পিছত ২০২৫ বৰ্ষৰ ২৭ জানুৱাৰীত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্য্যালয়ে এক নিৰ্দেশনা জাৰী কৰে। উক্ত নিৰ্দেশনা অনুসৰি তিনিচুকীয়া জিলাৰ ফিলবাৰীৰ মাইজান আয়ুষ্মান আৰোগ্য মন্দিৰৰ সামূহিক স্বাস্থ্য বিষয়া ডাঃ মৃণ্ময় চাহুৰে সপ্তাহৰ তিনিটা দিন (সোম, বুধ আৰু শুক্ৰ)ত কেন্দ্ৰটিত চিকিৎসা সেৱা প্ৰদান কৰিব। কিন্তু পৰিতাপৰ কথা এয়ে যে চি এইচ অ' ডাঃ চাহুৰে প্ৰায় এটা বছৰ এনেদৰে সপ্তাহৰ তিনিটা দিনত কেন্দ্ৰটিত চিকিৎসা সেৱা আগবঢ়োৱাৰ পিছত যোৱা মাহত তেওঁ গৃহ জিলা চৰাইদেউলৈ বদলি হয়। ফলত এ এন এম গৰাকীৰ দ্বাৰাই সম্প্ৰতি চলিছে কেন্দ্ৰটি। স্থানীয় ৰাইজ তথা দল-সংগঠনে অচিৰেই কেন্দ্ৰটিত এগৰাকী চি এইচ অ'ক নিযুক্তি দিবলৈ চৰকাৰ তথা জিলা স্বাস্থ্য বিভাগক দাবী জনাইছে।

■ আমি আমাৰ সন্তানক প্ৰকৃত মানুহ হিচাপে গঢ়িব লাগিব ঃ নকুল তালুকদাৰ ■

# চেঙাৰ ৰৌমাৰী পাথাৰ সমাজসেৱক লাইব্ৰেৰীৰ ৭১ সংখ্যক বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, চেঙা, ১৪ জানুৱাৰী ঃ** বৰপেটা জিলাৰ চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত আক্ৰান্ত ৰৌমাৰী পাথাৰ গাঁৱৰ সামাজিক অনুষ্ঠান "ৰৌমাৰী পাথাৰ সমাজসেৱক লাইব্ৰেৰী"ৰ ৭১ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু সাংস্কৃতিক সন্ধিয়া যোৱা ১১ আৰু ১২ জানুৱাৰীত ৰৌমাৰী পাথাৰ হাইস্কুল প্ৰাংগণত দুদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। ১৯৫৪ চনত স্থাপিত ৰৌমাৰী পাথাৰ সমাজসেৱক লাইব্ৰেৰীয়ে এইবেলি উদ্‌যাপন কৰিলে ৭১ সংখ্যক বাৰ্ষিক অধিৱেশন। কাৰ্যসূচী অনুসৰি ১১ জানুৱাৰীৰ পুৱা পতাকা উত্তোলন কৰে ৰৌমাৰী পাথাৰ গাঁও উন্নয়ন কমিটিৰ প্ৰাক্তন সম্পাদক চানবৰ আলীয়ে। ইয়াৰ পাছতেই গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে গাঁও উন্নয়ন কমিটিৰ উপদেষ্টা ইমান আলী বেপাৰী, গাঁও উন্নয়ন কমিটিৰ প্ৰাক্তন সভাপতি ক্ৰমে কদম আলী আৰু মিষ্টাৰ আলীয়ে। পুৱা ৯ বজাত মুখ্য দ্বাৰ উদ্‌ঘাটন কৰে ৰৌমাৰী পাথাৰ হাইস্কুলৰ প্ৰধান শিক্ষক ৰমিজ উদ্দিন আহমেদে। পুৱা ১০ বজাত অনুষ্ঠিত হয় হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। উত্তৰ ৰৌমাৰী পাথাৰ আঞ্চলিক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জেহেৰুল ইছলামে আঁত ধৰা উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে দৌলাশাল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভবেন কুমাৰ কলিতাই আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট কবি তথা পূব বৰপেটা সাংবাদিক সন্থাৰ সভাপতি তফিকুৰ ৰহমানে। বিয়লি ৪ বজাৰ পৰা ৰৌমাৰী পাথাৰ গাঁও উন্নয়ন কমিটিৰ সভাপতি ৰফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিজেপিৰ বৰপেটা জিলা সমিতিৰ সভাপতি মহেন্দ্ৰ দাসে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ আৰু লোহাৰকাঠাস্থিত পূব বৰক্ষেত্ৰী হাইস্কুলৰ সহকাৰী শিক্ষক আবু বাক্কাৰ ছিদ্দিকে। সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰে নিৰ্দিষ্ট বক্তাৰ ভাষণত গাঁওখনৰ গৰাখহনীয়াৰ সমস্যা আৰু সমাধান সম্পৰ্কত বক্তব্য প্ৰদান কৰি ৰৌমাৰী অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জনপ্ৰতিনিধিসকলক আহ্বান জনায়। তেখেতে ভাষণ প্ৰসংগত কয় যে- "আমি ধৰ্মক লৈ ৰাজনীতি কৰিব নালাগে। আমি সঁচা অৰ্থত মানুহ হ'ব লাগে। এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱক আৰু শিক্ষকসকলে মানুহ হোৱাৰ শিক্ষা দিব লাগিব। আমি আমাৰ সন্তানক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব লাগিব। এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে আইএএছ নাইবা আইপিএছ হৈ মানুহৰ সেৱা কৰিব লাগিব। তেতিয়াহে সমাজখন আগুৱাই যাব।" মুকলি সভাখনত বিশিষ্ট অতিথি হিচাপে ১৯ নং হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদৰ আলী আহমেদ, অগপৰ বৰপেটা জিলা সমিতিৰ উপ সভাপতি আব্দুল ৰহমান, ৰৌমাৰী পাথাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰৌচানাৰা আহমেদ, আমন্ত্ৰিত অতিথি হিচাপে বৰ্ণি হাইস্কুলৰ সহকাৰী শিক্ষক ছফিকুৰ ৰহমান, গৰেমাৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক আব্দুল কায়ুম আহমেদ, দক্ষিণ-পশ্চিম ৰৌমাৰী পাথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চৌকত আলীকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে। নিশা ৯ বজাত অনুষ্ঠিত নৃত্য প্ৰতিযোগিতাখনি উদ্বোধন কৰে পিএমশ্ৰী ছাটা আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক লালমামুদ আলী আহমেদে। ১২ জানুৱাৰীৰ বিয়লি ৪ বজাৰ পৰা ৰৌমাৰী পাথাৰ গাঁও উন্নয়ন কমিটিৰ সভাপতি আইনাল হকৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে চেঙা বিধানসভা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনে। বিশিষ্ট অতিথি হিচাপে বিশিষ্ট চিকিৎসক ডাঃ হাফিজুৰ ৰহমান, আমন্ত্ৰিত অতিথি হিচাপে বিএ এমএচ ডাঃ ইজাজ আহমেদ, ৬৫৩নং ৰৌমাৰী পাথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ, দৌলাশাল উন্নতি সাধিনী সভাৰ প্ৰাক্তন সম্পাদক ফুকন নাথকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে। নিশা ৯ বজাত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে ১৯ নং হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদৰ আলী আহমেদে। বাৰ্ষিক অধিৱেশন পৰিচালনা কমিটিৰ সাধাৰণ সম্পাদক জেহেৰুল ইছলামে পৰিচালনা কৰা সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰে শিল্পী ৰয় আৰু গোলাপ ৰাব্বাণীয়ে।

# নকছাৰিত 'শব্দ'ৰ সপ্তম শব্দ ৰাষ্টীয় সাহিত্য আৰু সংস্কৃতি উৎসৱ দকচিৰিৰ প্ৰস্তুতি

**অসম বাৰ্তা, নকছাৰি, ১৪ জানুৱাৰী ঃ** মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰিৰ মিল গাঁৱত সপ্তম শব্দ ৰাষ্টীয় সাহিত্য আৰু সংস্কৃতি উৎসৱ দকচিৰি অহা জানুৱাৰী মাহৰ ১৬ তাৰিখৰ পৰা ১৯ তাৰিখলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ মানখেৰে প্ৰস্তুতি চলাইছে। সপ্তম শব্দ ৰাষ্টীয় সাহিত্য আৰু সংস্কৃতি উৎসৱ দকচিৰিত গ্ৰন্থমেলা, নৈপৰীয়া নাট মহোৎসৱ, কৃষিমেলা, স্থানীয় উৎপাদিত সামগ্ৰীৰ বাণিজ্য মেলা, জনগোষ্ঠীয় খাদ্যমেলা অনুষ্ঠিত হ'ব। সপ্তম শব্দ ৰাষ্টীয় সাহিত্য আৰু সংস্কৃতি উৎসৱ দক্‌চিৰিৰ উদ্বোধনী আৰু মুকলি সভাত সদৌ অসম কবি সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱা মুখ্য অতিথি, মাননিয় ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা সন্মানীয় অথিতি, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° মাণিক শইকীয়া, মৰিয়নি বিধান সভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক পাৰভিজ হুছেইন, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈদেৱ, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰদীপ শইকীয়া, যোৰহাট জিলা কবি সন্মিলনৰ সভাপতি ড° পৰাণ বৰুৱা, বিশিষ্ট কবি উৎপল দলে, যোৰহাট জিলা কবি সন্মিলনৰ প্ৰকাশন বিভাগৰ অধ্যক্ষা নীৰদা গগৈ বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। যোৰহাট জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ হাজৰিকাদেৱে গ্ৰন্থমেলাৰ দ্বাৰ উদ্‌ঘাটন কৰাৰ লগতে সদৌ অসম কবি সন্মিলন উপদেষ্টা বিজয় কুমাৰ স্বৰ্ণকাৰে সংস্কৃতি অনুষ্ঠানৰ উদ্বোধন কৰাৰ উপৰিও বহুকেইজন সন্মানীয় ব্যক্তিয়ে আংশগ্ৰহণ কৰিব। সপ্তম শব্দ ৰাষ্টীয় সাহিত্য আৰু সংস্কৃতি উৎসৱত নেপালৰ বিশিষ্ট কবি প্ৰকাশ গৌতম, ছিকিমৰ বিশিষ্ট সাহিত্যিক বীৰভদ্ৰ কাৰকীদলৈ আৰু গেঙটকৰ বিশিষ্ট লেখিকা মানা মায়া মোকটানৰ লগতে বহু কেইবাগৰাকীও বিশিষ্ট সাহিত্য আৰু সাংস্কৃতিক কৰ্মীয়ে অংশগ্ৰহণ কৰিব। নৈপৰীয়া নাট্য মহোৎসৱত 'কদম' থিয়েটাৰ নেপালৰ নিবেদন 'মালামী', জাঁজীপৰীয়া শিল্পী সমাজ, হাটীমূৰীয়া দলংঘাট, যোৰহাটৰ নিৱেদন 'বৰসেনাপতি লাচিত', জোনালী মইনা পাৰিজাত লাহদৈগড় মৰাণ গাঁৱৰ নিৱেদন 'কেৰকেণৰ কেৰমতালী', 'অসম নাট্য সন্মিলন' যোৰহাটৰ নিবেদন 'বাহাদুৰ', ৰূপান্তৰ (সমাজ-সাহিত্য-সাংস্কৃতিক মঞ্চ) নগাঁৱৰ নিবেদন 'অদৃশ্য পোহৰ', 'শিপা ভূমি' গোলাঘাটৰ নিবেদন 'নদীয়াল চিএৰ', 'কিংশুক ক্লাৱ' মৰিয়নিৰ নিবেদনৰ 'অলটিমেট বুমেৰাঙ', 'শব্দ'ৰ নিবেদনৰ 'নৈপৰীয়া চকুলো' আৰু জয় গোবিন্দ শিল্পী সমাজ যোৰহাটৰ দ্বাৰা দক্ষ যজ্ঞ ভাওনা প্ৰদৰ্শন কৰাৰ লগতে কেইবাখনো বিদ্যালয়ৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিছে। ড° যতীন মিপুন সোঁৱৰণী কবি সন্মিলন আৰু ড° জিণ্টু হাজৰিকা সোঁৱৰণী কবি সন্মিলন আৰু বিভিন্ন অলোচনা সত্ৰ অনুষ্ঠিত কৰা হ'ব। কাবি আংলঙৰ বিশিষ্ট সাহিত্যিক ছাৰেং হাঞ্চেদেৱলৈ ২০২৬ বৰ্ষৰ 'শব্দ সাহিত্য সন্মান', যোৰহাট টীয়কৰ বিশিষ্ট সংস্কৃত পণ্ডিত, বিশিষ্ট সাহিত্যিক ড° অৰুণ চন্দ্ৰ শইকীয়াদেৱলৈ ২০২৬ বৰ্ষৰ 'শব্দ সংস্কৃতি শিৰোমণি সন্মান', যোৰহাটৰ বিশিষ্ট অভিনেতা ৰাজীৱ গোস্বামীদেৱলৈ ২০২৬ বৰ্ষৰ 'শব্দ সংস্কৃতি মহীৰূহ সন্মান', বোকাখাতৰ বিশিষ্ট কবি অজিৎ গগৈদেৱলৈ ২০২৬ বৰ্ষৰ 'শব্দ বঁটা' জোনাইৰ বিশিষ্ট কবি জয় কুমাৰ দলেদেৱলৈ ২০২৬ বৰ্ষৰ 'বিকিৰাম পাওগাম সাহিত্য সন্মান', গহপুৰৰ যুৱ কবি দেৱৰাজ মিলিদেৱলৈ ২০২৬ বৰ্ষৰ 'শব্দ যুৱ সাহিত্য সন্মান', লামডিং মহাবিদ্যালয়ৰ যুৱ সাহিত্যিক উৰ্মিলা দলে ২০২৬ বৰ্ষৰ 'সোণেশ্বৰী পাওগাম শব্দ প্ৰেৰণা সাহিত্য বঁটা' প্ৰদান কৰা হয়। এই চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীলৈ উদ্যোক্তাসকলে সকলো ৰাইজকে সাদৰেৰে আমন্ত্ৰণ জনাইছেঁ।

# উত্তৰ প্ৰদেশৰ বাৰাণসীত ৰঙিয়াৰ নাট্য আৰু নৃত্য দলৰ সাফল্য

**অসম বাৰ্তা, ৰঙিয়া, ১৪ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশৰ বাৰাণসীত অস্মিতা নাট্য সংস্থান প্ৰদৰ্শনী, ৰঞ্জন মেমৰিয়েল সেৱা সমিতিৰ দ্বাৰা অগ্ৰৱাল সেৱা সংস্থান, মুগলচৰায়ত অনুষ্ঠিত চন্দোলী ৰং মহোৎসৱত "ভাৰতী ছ'চিয়েল কালচাৰেল গ্ৰুপ অৱ ৰঙিয়া"ৰ ১২ জনীয়া দল এটিয়ে নাটক আৰু জেং বিহু প্ৰদৰ্শন কৰে। নাট বিভাগত অঞ্জু কলিতাক শ্ৰেষ্ঠা অভিনেত্ৰী, শ্ৰেষ্ঠা পৰিচালিকা, বেষ্ট ওৱৰ্কিং মহিলাৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। তদুপৰি জেং বিহু প্ৰদৰ্শনৰ দ্বাৰাও দলটিয়ে শ্ৰেষ্ঠ বঁটা আজুৰি আনিবলৈ সক্ষম হয়। শিশু শিতানত বিদিস্মান কাশ্যপে অসমীয়া আধুনিক গীতত নিচুঁকনি বঁটা লাভ কৰে। ৰিম্পী বড়ো আৰু বিদিস্মানে নেপালী দ্বৈত নৃত্যত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। জেং বিহুৰ দলৰ প্ৰতি গৰাকী বিহুৱতীকে বঁটাৰে সন্মানিত কৰা হয়। নাটকত আৰু জেং বিহুত অংশগ্ৰহণ কৰে দলপতি অঞ্জু কলিতা, সবিতা বৰ্মন মজুমদাৰ, ৰীণা কলিতা মহন্ত, দিপালী তালুকদাৰ, ৰীতা বৈশ্য, বিভা কলিতা, গীতিমা কলিতা শৰ্মা, কল্যাণী কলিতা, শুৱলা কলিতা, হিয়াশ্ৰী বুজাৰবৰুৱা, ৰিম্পী বড়োই। দলটোৰ এই সাফল্যত ৰঙিয়াৰ বিভিন্নজনে প্ৰশংসা কৰে।

# উৰুকাৰ পুৱতি নিশা মাকুম চহৰত বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা

**অসম বাৰ্তা, মাকুম, ১৪ জানুৱাৰী ঃ** ভোগৰ উৎসৱ ভোগালীৰ আনন্দ উল্লাহৰ মাজতে উৰুকাৰ পুৱতি নিশা মাকুম চহৰৰ দেওবৰীয়া বজাৰত বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। তিনিখন দোকান সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। স্বপন শ্বাহা নামৰ ব্যৱসায়ী এজন গেলামালৰ দোকান, মন বাসি পালৰ শ্যাম নামৰ কাপোৰ ট্ৰেইলৰ দোকান, বিষ্ণু দে নামৰ ব্যক্তি এজনৰ গ'ডাউন ঘৰ, হাৰাধন নামৰ ব্যৱসায়ী জনৰ বাচন বৰ্তন দোকান সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়, ইয়াৰ লগতে পংকজ দে'ৰ নামৰ ব্যৱসায়ী জনৰ জোতা-চেণ্ডেল দোকান, মনোজ ঠাকুৰ নামৰ নাপিত এজনৰ চেলুন এখনত অগ্নি সংযোগ হয় যদিও আংশিক ভাৱে ক্ষতি হয়। ঘটনা স্থলীত মাকুম থানাৰ আৰক্ষীৰ দলৰ লগতে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰ উপস্থিতিত ডিগবৈ আৰু তিনিচুকীয়াৰ চাৰি খনকৈ অগ্নি নিৰ্বাপক বাহিনীৰ বাহন উপস্থিত হৈ জুই নুমোৱাবলৈ সক্ষম হয়। বিদ্যুৎ বিজুতি ঘটাৰ ফলত অগ্নিকাণ্ডটো সংঘটিত হোৱাৰ বুলি সন্দেহ প্ৰকাশ কৰিছে। অগ্নিকাণ্ডৰ ফলত দোকান কেইখনৰ আনুমানিক ২০ লাখ টকাৰো অধিক সামগ্ৰীৰ ক্ষয়-ক্ষতি হৈছে বুলি ব্যৱসায়ী সকলে জানিবলৈ দিয়ে। মাকুম পৌৰ সভা আৰু মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সজাতি এটা দলে ঘটনাৰ স্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে সমগ্ৰ দেওবৰীয়া বজাৰখনত বিপদজনক ভাৱে যধে মধে ওলমি থকা বিদ্যুৎ পৰিবাহী তাঁৰ সমূহ নিৰাপদ স্থানত স্থানান্তৰ কৰিবলৈ মাকুম বিদ্যুৎ বিভাগক দাবী জনায় মাকুম আছুৰ সভাপতি শিৱা দাসে।

# ৰহা মোলানকটা শ্ৰীশ্ৰী কাংশপাৰ সত্ৰত সংক্ৰান্তিৰ উপলক্ষে ভকত বৈষ্ণৱৰ নাম কীৰ্ত্তন অনুষ্ঠান

**অসম বাৰ্তা, ৰহা, ১৪ জানুৱাৰী ঃ** আজি পুহ মাহৰ সংক্ৰান্তিৰ উপলক্ষে অতীতৰ পৰম্পৰা ৰক্ষা কৰি নগাঁও জিলাৰ ৰহা মোলানকটা শ্ৰী শ্ৰী কাংশপাৰ সত্ৰত সকলো ভকত বৈষ্ণৱ মিলি চৌহদ পৰিষ্কাৰ কৰি শৰাই অৰ্পণ কৰি কীৰ্ত্তন পাঠ আৰু নাম পৰিৱেশন কৰে। ভকত সকলে কীৰ্ত্তন পাঠৰ লগতে সংগতি ৰাখি পাঠৰ ব্যাখ্যা আগবঢ়াই সমগ্ৰ পৰিৱেশ ভক্তিময় কৰি তোলে। জানিব পৰা অনুসৰি এই সত্ৰখন পূৰ্বতে ১৬২৩ চনত শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱে ডিব্ৰুগড় জিলাৰ শলগুৰিত প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী সময়ত মানৰ আক্ৰমণৰ বাবে প্ৰৱজিত হৈ উক্ত কাল সংহতিৰ সত্ৰভাগ ৰামকানুদেৱে ভকতৰ সৈতে নতুন ঠাই বিচাৰি বিচাৰি শেষত কলং নদীৰ উত্তৰ পাৰে ৰাইজৰ সহযোগত কলং নদীৰ নিচেই কাষৰ ওখ মাটিত ৰহা মোলানকটা গাঁৱত নিগাজিকৈ পতাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। সেই মৰ্মে এটা শুভ দিন চাই, শুভক্ষণত ইংৰাজী ১৮২৩ চনত শ্ৰীশ্ৰী কাংশ পাৰ সত্ৰখন উলহ-মালহেৰে নানা ভকতসকলৰ নাম প্ৰসঙ্গ, সৰু ধেমালি, বৰ ধেমালি আৰু সূত্ৰধাৰৰ নৃত্যেৰে অংকীয়া ভাওনা পাতি, এই সত্ৰভাগ মোলানকটাত প্ৰতিষ্ঠা কৰিলে। এই সত্ৰভাগত এভাগ কীৰ্ত্তন ঘৰ, এভাগ বৰ নামঘৰ সজাই সত্ৰৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে আৰু পুৰুষানুক্ৰমে ৰাম কানু দেৱ, ইচ্ছা কানু দেৱ, যদু-কানুদেৱ, জয় কানুদেৱ, চৈতন্য দেৱ মহন্তনৃসিংহ মহন্ত, যুৱত চন্দ্ৰ মহন্ত, ইশ্বৰ চন্দ্ৰ মহন্ত, গহীন চন্দ্ৰ মহন্ত, আৰু চিত্তৰঞ্জন গোস্বামী আদি মহান ব্যক্তিসকলে ইয়াৰ সত্ৰাধিকাৰ আসন অলংকৃত কৰিছিল। বৰ্তমান সকলো ৰাইজৰ সহযোগত কাংশপাৰ সত্ৰত পৰম্পৰাগত ভাবে সামাজিক অনুষ্ঠানবোৰ অনুষ্ঠিত কৰি আহিছে। ভাদ মাহত শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰৰ তিৰোভাৱ তিথি, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, ভৱানীপুৰীয়া শ্ৰীশ্ৰী গোপালআতা দেৱৰ তিথি, সত্ৰৰ প্ৰতিষ্ঠাপক গুৰু শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ তিথিৰ লগতে প্ৰয়াত সত্ৰাধিকাৰ সকলৰ মৃত্যুৰ তিথি এই সত্ৰত ভকতসকলে পালন কৰি আহিছে। তিথি উপলক্ষে এসময়ত তেওঁলোকে নিজে নিজে লিখা নাট ভাওঁনা সত্ৰত পৰিৱেশন কৰিছিল। ইয়াৰ উপৰিও গোটেই ভাদ মাহ এই সত্ৰত নাম ধৰা হয়। ফাগুন, চ'ত মাহত তিনি দিনীয়াকৈ ফাকুৱা উৎসৱ পালন কৰা হয়। জেঠ মাহত প্ৰতিবছৰে এই সত্ৰত বৰসবাহ পতা হয়। সদৌ শেষত প্ৰসাদ বিতৰণ কৰি অনুষ্ঠানটিৰ সফল সামৰণি পৰে।

# ডুমডুমা নাগাৰা নাম সংঘৰ দুই শিল্পীক সম্বৰ্ধনা জ্ঞাপন; বাৰ্ষিক সভা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৪ জানুৱাৰী ঃ** ৪০ বছৰীয়া পুৰণি 'ডুমডুমা নাগাৰা নাম সংঘ'ৰ বাৰ্ষিক সাধাৰণ সভাখন দেওবাৰে সন্ধিয়া ডুমডুমা অসমীয়া পূজা ঘৰত সভাপতি অৰূপজ্যোতি ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। এই সভাখনতে সংঘৰ প্ৰতিষ্ঠা কালৰে পৰা নীৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়োৱা দুই বয়োজ্যেষ্ঠ শিল্পী ক্ৰমে বিনয় লহকৰ আৰু কাঞ্চন মহন্তক মানপত্ৰ, চেলেং, শৰাই, উপহাৰৰ টোপোলা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উত্তৰত সম্বৰ্ধিত শিল্পীদ্বয়ে সংঘৰ কিছু ইতিহাস বৰ্ণনা কৰাৰ লগতে কৃতজ্ঞতা প্ৰকাশ কৰে। দুবছৰীয়া কাৰ্যকালৰ মধ্যকালীন সভাখনত সম্পাদক অৱনী কুমাৰ কলিতাই সম্পাদকীয় প্ৰতিবেদন আৰু কোষাধ্যক্ষ ত্ৰিদীপ ডেকাই পৰীক্ষিত হিচাবৰ প্ৰতিবেদন পাঠ কৰে। সংঘৰ বেঙ্কৰ পুঁজিত ১ লাখ ৯৩ হাজাৰ টকা জমা থকা কাৰ্যত সভাই সন্তোষ প্ৰকাশ কৰে। সভাখনত অধিবক্তা বশিষ্ঠ কুমাৰ সিং আৰু ছাত্ৰী মীমাংসা মিশ্ৰৰ বিয়োগত শোক প্ৰকাশ কৰি প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ আত্মাৰ সদ্‌গতি কামনা কৰি ক্ষন্তেক মৌন প্ৰাৰ্থনা জনোৱা হয়। অৰূপজ্যোতি ডেকাই এবাৰ নোৱাৰা কিছুমান কাৰণত সভাপতিৰ পদটো খালী কৰি দিয়াত পূৰ্বৰ উপদেষ্টা অৰ্জুন বৰুৱাক সংঘৰ সভাপতি পদত অধিষ্ঠিত কৰে। সভাখনত সংঘৰ উপ-সভাপতি চন্দ্ৰকান্ত শৰ্মা, পূৰ্বৰ উপদেষ্টা অৰ্জুন বৰুৱাৰ লগতে প্ৰায়ভাগ সদস্যই যোগদান কৰি সাফল্যমণ্ডিত কৰি তোলে।

# পথ দুৰ্ঘটনাত গৃহৰক্ষী নিৰ্মল নাৰ্জাৰীৰ মৃত্যু, পৰিয়ালক ২৫ লাখ টকাৰ এককালীন সহায়ৰ দাবী

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৪ জানুৱাৰী ঃ** গোসাঁইগাঁও মহকুমাৰ হাৱৰুবিলৰ মাষ্টাৰ পাৰাৰ বাসিন্দা তথা গৃহৰক্ষী বাহিনীৰ জোৱান নিৰ্মল নাৰ্জাৰী যোৱা ১১ জানুৱাৰীত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত অকাল মৃত্যুক আঁকোৱালি লয়। শ্ৰীৰামপুৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এই দুৰ্ঘটনাত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ ঘটনাস্থলীতেই প্ৰাণ হেৰুৱায়। এই মৰ্মান্তিক ঘটনাৰ পাছত আজি কোকৰাঝাৰ জিলা গৃহৰক্ষী কল্যাণ সমিতিৰ এটি প্ৰতিনিধি দল মৃত গৃহৰক্ষী জোৱানজনৰ বাসগৃহত উপস্থিত হৈ গভীৰ শোক প্ৰকাশ কৰে। প্ৰতিনিধি দলটোৱে পৰিয়ালবৰ্গৰ খা-খবৰ লোৱাৰ লগতে এই দুখৰ সময়ত সদায় পৰিয়ালৰ কাষত থকাৰ আশ্বাস প্ৰদান কৰে। এই উপলক্ষে কেন্দ্ৰীয় ৰাজ্যিক গৃহৰক্ষী বাহিনীৰ উপদেষ্টা দিলৱাৰ হুছেইনে কয় যে অসম চৰকাৰ আৰু বিটিচি চৰকাৰৰ যৌথ উদ্যোগত মৃত গৃহৰক্ষী নিৰ্মল নাৰ্জাৰীৰ পৰিয়ালবৰ্গক ২৫ লাখ টকা এককালিন আৰ্থিক সহায় প্ৰদান কৰিব লাগে। লগতে পৰিয়ালৰ এজন যোগ্য সদস্যক গৃহৰক্ষী বাহিনীত নিযুক্তি প্ৰদান কৰাৰ দাবীও তেওঁ উত্থাপন কৰে। নিৰ্বাণময়ী মনোভাৱে কৰ্তব্য পালন কৰি অহা গৃহৰক্ষী জোৱান নিৰ্মল নাৰ্জাৰীৰ অকাল মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ হৈপৰিছে।

বিলৰ ডাঙৰ ডাঙৰ মাছৰে ভৰপূৰ বজাৰ

# ভোগালী বিহুৰ উৰুকাত ঢেকীয়াজুলিৰ মাছৰ বজাৰত গ্ৰাহকৰ উন্মাদনা

**অসম বাৰ্ত, ঢেকীয়াজুলি, ১৪ জানুৱাৰী ঃ** আজি অসমীয়াৰ প্ৰাণৰো প্ৰাণ মাঘ বিহু তথা ভোগৰ উৎসৱ ভোগালী বিহুৰ উৰুকা। ভোগালী বিহুৰ উৰুকা উপলক্ষে আজি সমগ্ৰ ৰাজ্যজুৰি উৎসৱমুখৰ পৰিবেশ বিৰাজ কৰিছে। এই উৰুকাৰ আনন্দৰ অংশ হিচাপে শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিতো দেখা গৈছে এক ব্যতিক্ৰমী উৎসাহ আৰু ব্যস্ততা। আজি পুৱা অনুমাণিক ৯ বজাৰ পৰা ঢেকীয়াজুলিৰ মাছৰ বজাৰত অজস্ৰ গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হয়। উৰুকাৰ নিশাৰ বাবে উন্নতমানৰ আৰু ডাঙৰ মাছ ক্ৰয় কৰিবলৈ পুৱাই বজাৰলৈ আহিছে গ্ৰাহকসকল। আজিৰ দিনটোত অসমৰ বিভিন্ন প্ৰসিদ্ধ বিলৰ পৰা ধৰা বহুতো ডাঙৰ ডাঙৰ আৰু উন্নত মানৰ মাছ ঢেকীয়াজুলিৰ বজাৰত উপলব্ধ হৈছে। বিশেষকৈ চিতল, ৰৌ, বৰালি, বাহু, আৰিসহ বিভিন্ন প্ৰজাতিৰ মাছৰ আগমনে বজাৰখন অধিক আকৰ্ষণীয় কৰি তোলে। কোনো কোনো মাছৰ ওজন বহু কিলোগ্ৰাম পৰ্যন্ত হোৱা দেখা গৈছে, যাক লৈ গ্ৰাহকসকলৰ মাজত যথেষ্ট আগ্ৰহ পৰিলক্ষিত হয়। উৰুকাৰ নিশা পৰিয়াল-বন্ধুৰ সৈতে ভোজ ভাত উপভোগ কৰাৰ পৰম্পৰাৰ বাবে মাছৰ প্ৰয়োজনীয়তা বেছি হয়। সেই কাৰণে আজিৰ দিনটোত ঢেকীয়াজুলিৰ মাছৰ বজাৰত ক্ৰেতা-বিক্ৰেতাৰ মাজত ব্যাপক লেনদেন চলি থাকে। গ্ৰাহকসকলে নিজৰ পছন্দ অনুসাৰে মাছ ক্ৰয় কৰি আনন্দেৰে ঘৰলৈ উভতি যোৱা দেখা গৈছে। মুঠতে ক'ব গ'লে, ভোগালী বিহুৰ উৰুকাই ঢেকীয়াজুলিৰ মাছৰ বজাৰত এক উৎসৱমুখৰ পৰিবেশ সৃষ্টি কৰিছে। মাছৰ সুবিশাল আগমন আৰু গ্ৰাহকৰ উন্মাদনাই বজাৰখনক আজি অধিক সজীৱ কৰি তুলিছে।

# ডিব্ৰুগড়ত চাহ জনগোষ্ঠীৰ ৩৮টা জাতি-উপজাতিক অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাত নাম অন্তৰ্ভুক্তৰ দাবীৰে জিলা আয়ুক্তক স্মাৰক পত্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ জানুৱাৰী ঃ** অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত অসমৰ ডিব্ৰুগড় জিলাৰ ভিন্নস্থানত বসবাস থকা চাহ জনগোষ্ঠীৰ ৩৮টা জাতি-উপজাতিক চৰকাৰী ভাবে জাতিগত প্ৰমাণ পত্ৰ আৰু নাম তালিকাৰ পৰা বাদপৰি থকাৰ ফলত জনগোষ্ঠীটোৰ সমস্যা সমূহ নিৰাময় কৰাৰ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। জাতীয় মহাসভাৰ সদস্য সকলে চৌকিডিঙীৰ খেলপথাৰত সমবেত হৈ জাতীয় সাজপাৰ পৰিধান কৰি তেওঁলোকৰ দাবী সম্বলিত বেনাৰ, ফেষ্টুনলৈ শোভাযাত্ৰা কৰি ডিব্ৰুগড় জিলা আয়ুক্তক জাতিগত প্ৰমাণপত্ৰ পত্ৰ প্ৰদানৰ বাবে স্মাৰক পত্ৰ প্ৰদান কৰে। প্ৰায় পাচঁশতাধিক চাহজনগোষ্ঠীয় পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা কৰ্মীসকলে সংবাদ মাধ্যমক জনোৱা মতে অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ নিৰ্দেশত অসম পিছপৰা শ্ৰেণী আয়োগে-জৰীপ প্ৰক্ৰিয়াই বিষয়টি সমাধান কৰিবলৈ নিদেশনা দিয়াৰ পিছতো আজিলৈকে কোনা কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। অনাগত দিনত এই কাৰ্য সমাধানৰ বাবে বিভাগৰ ফালৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰিলে জংগী আন্দোলন কৰাৰ ভাবুকি প্ৰদান কৰে। লগতে জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ তৰফৰ পৰা আন বহুকেইটা দাবী জনাই অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। অসম চাহ জনগোষ্ঠী জাতীয় মহসভা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মন্তুছ কুৰ্মি, সম্পাদক খগেন ৰজোৱাৰ আৰু প্ৰাক্তন সভাপতি ড° দয়ানন্দ চাহ সহঃ সম্পাদক বিপুল চাহুয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## সম্পাদকীয়

# বিভ্ৰান্তিৰ যুগত কৃত্ৰিম বুদ্ধিমত্তা আৰু আমাৰ ভূমিকা

কৃত্ৰিম বুদ্ধিমত্তা আমাৰ জীৱনত সোমাই পৰাটো এটা অনিবাৰ্য সত্য। কিন্তু আমাৰ সমাজত AI-ৰ সৈতে খাপ খোৱাৰ পৰিৱৰ্তে, ইয়াৰ অপব্যৱহাৰৰ বলি হোৱাৰ আশংকাই বেছি প্ৰকট হৈ পৰিছে। সাম্প্ৰতিক সময়ত AI-ৰ দ্বাৰা সৃষ্ট নানান ছবি-ভিডিঅ'ই সামাজিক মাধ্যমত সঘনাই প্ৰচাৰ হৈ আমাৰ বিচাৰশক্তি আৰু সংবেদনশীলতাক পৰীক্ষা কৰা দেখা গৈছে। জুবিন গাৰ্গৰ দৰে জনপ্ৰিয় শিল্পীৰ বাবে বাঁহ বা খেৰেৰে সজা মূৰ্তিত অগ্নি সংযোগ কৰা- এইবোৰ AI-ৰ কৌশল বুলি জানিলেও বহুতে ইয়াক সত্য বুলি ভাবি প্ৰচাৰ কৰি বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। ইয়াৰে কিছুমান উদ্দেশ্যপ্ৰণোদিতভাৱে সৃষ্টি কৰা হৈছে মানুহৰ মনত হতাশা আৰু ৰাগিৰ সঞ্চাৰ কৰিবলৈ।

ভোগালী বিহুৰ শুভেচ্ছা জনোৱা পোষ্ট এখনত AI-ৰে সজা জ্বলন্ত বিজেপি কাৰ্যালয়ৰ ছবি শ্বেয়াৰ কৰি অসম প্ৰদেশ কংগ্ৰেছে ৰাজনৈতিক আৰু সাংস্কৃতিক অগ্নিসংযোগ কৰা এনে এটা উদাহৰণ। মন্ত্ৰী পীযুষ হাজৰিকাই ইয়াক অসমীয়া সংস্কৃতিৰ প্ৰতি আক্ৰমণ আৰু উচটনিমূলক ষড়যন্ত্ৰ বুলি অভিহিত কৰিছে। ভেলাঘৰ জ্বলোৱা আমাৰ এক পৱিত্ৰ পৰম্পৰা। এই পৰম্পৰাক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটোৱে AI-ৰ অপব্যৱহাৰক দাঙি ধৰিছে।

এই পৰিঘটনাই সাধাৰণ মানুহৰ মনত কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উদয় কৰিছে ঃ AI-ৰ দ্বাৰা সৃষ্ট বস্তু আমি কেনেকৈ চিনাক্ত কৰিম? এই কৌশলৰ ব্যাপকতাই আমাৰ বাবে নতুন বিপদৰ সৃষ্টি নকৰে নে? ৰাজনৈতিক দলবোৰে AI-ব্যৱহাৰ কৰোঁতে সাংস্কৃতিক সংবেদনশীলতাৰ প্ৰতি কিয় উদাসীন? আমাৰ অজ্ঞতাৰ সুযোগ লৈ কিছুমানে কিয় সামাজিক মাধ্যমত বিভ্ৰান্তিৰ সৃষ্টি কৰিব খোজে? এইবোৰ প্ৰশ্নৰ উত্তৰ আমি সমূহীয়াভাৱে বিচাৰিব লাগিব।

AI-ক এটা সুবিধা হিচাপে গ্ৰহণ কৰাৰ লগতে ইয়াৰ অপকাৰী দিশৰ প্ৰতি সতৰ্ক হোৱাটো সময়ৰ অনুৰোধ। প্ৰথমতে, AI-ৰ সঠিক জ্ঞান আৰু সচেতনতা বৃদ্ধি কৰাটো জৰুৰী। শিক্ষানুষ্ঠান আৰু গণমাধ্যমে ইয়াৰ সুফল-কুফল সম্পৰ্কে জনতাৰ মাজত আলোচনা আৰম্ভ কৰিব লাগিব। দ্বিতীয়তে, সামাজিক মাধ্যমত যিকোনো তথ্য শ্বেয়াৰ কৰাৰ আগতে ইয়াৰ উৎস আৰু সত্যতা পৰীক্ষা কৰাৰ অভ্যাস গঠন কৰিব লাগিব। তৃতীয়তে, ৰাজনৈতিক দল আৰু সংগঠনসমূহে AI-ব্যৱহাৰ কৰোঁতে নৈতিক দায়বদ্ধতা পালন কৰিব লাগিব, যাতে সংস্কৃতি বা সমাজত বিদ্বেষ নাঙুলিয়ে।

কৃত্ৰিম বুদ্ধিমত্তা আমাৰ সমাজৰ বাবে এক শক্তি হ'ব নে বিপদ, সেয়া আমাৰ ব্যৱহাৰৰ ওপৰতহে নিৰ্ভৰ কৰিব। আমি সচেতন নহ'লে এই যন্ত্ৰৰ দ্বাৰা যন্ত্ৰী হৈ পৰাৰ আশংকা থাকিব। গতিকে, AI-ৰ সৈতে সহাবস্থানৰ অংকটো শিকিবলৈ এয়াই সোণালী সুযোগ। সাৱধানতা, শিক্ষা আৰু নৈতিকতাৰে আমি এই নতুন যুগত আগবাঢ়িব লাগিব, নহ'লে আমাৰেই সৃষ্ট বিভ্ৰান্তিৰ জালতে আমি উজুটি খাবলৈ বাধ্য হ'ম।



# মাজুলীৰ সাংস্কৃতিক ক্ষেত্ৰৰ এটি চমু অৱলোকন

সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী সাংস্কৃতিৰ প্ৰাণঅন্ত যাদুঘৰ সদৃশ। অতীতৰে পৰা মাজুলীত ভিন্ন ভিন্ন সাংস্কৃতি দেখিবলৈ পোৱা যায়। অসমৰ সাংস্কৃতিৰ ক্ষেত্ৰখনত মাজুলীৰ সাংস্কৃতিৰ উপাদানবোৰে অনন্য আঞ্চলিক বৈশিষ্ট্যৰে বিশেষ আসন অধিকাৰ কৰি আছে। জাতি, ধৰ্ম, ভাষা বিভিন্নতা সত্ত্বেও বৰ্তমান সময়তো মাজুলীৰ সাংস্কৃতিৰ ক্ষেত্ৰখনত এক ঐক্য আৰু সমণ্বয় সাধিত হৈ আছে।

সাধাৰণতে মাজুলীৰ লোক সমাজখনত প্ৰচলিত প্ৰায় সৰহ সংখ্যক ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, চাল চলন, খাদ্যভাষ লগতে সমাজৰ জাগতিক দৃষ্টি ভংগীবোৰো পৰস্পৰ নিৰ্ভৰশীল। ইয়াৰ মূল কাৰণ হৈছে মাজুলীৰ সৰহ সংখ্যক লোকেই গ্ৰাম্য অঞ্চলত বসবাস কৰাৰ লগতে তেওঁলোকৰ সৰহ সংখ্যক লোকৰেই জীৱিকাৰ মূল উৎস কৃষি। নগৰীয়া উদোগীকৰনৰ প্ৰভাৱ মাজুলীত বৰ্তমান সময়তো প্ৰায় সীমিত। যান্ত্ৰিক প্ৰদূষনে ভৰা নগৰীয়া সমাজৰ তুলনাত মাজুলী এতিয়াও প্ৰদূষন মুক্ত। মাজুলীৰ সমাজখনত সাংস্কৃতিৰ সমণ্বয় ঘটিছে প্ৰধানকৈ দুই দিশৰ পৰা এটা হৈছে ব্ৰাহ্মণ, কায়স্থ, কলিতা, কেওট আদি জাতি আৰু সত্ৰসমূহে প্ৰতিনিধিত্ব কৰা সমাজখনে আৰু আনটো দিশ হৈছে মিছিং, দেউৰী, কছাৰী আদি জনগোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰা সমাজে। এই দুই দিশতেই মংগোলীয় আৰু ভাৰতীয় দুটা ধাৰা সোমাই আছে। এই দুই ধাৰাকে খামুচি ধৰি মানুহে অতিতৰে পৰা বৰ্তমানলৈকে জাতিগত ঐক্য আৰু সমণ্বয় বৰ্তাই ৰাখিছে। মাজুলীৰ সাংস্কৃতিৰ ঐক্য তথা প্ৰচাৰৰ ক্ষেত্ৰত সত্ৰ সমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ন। ৰাস, পালনাম, ভাওনা, বিহু, দিহানাম, হুচৰি, ধৰ্মীয় বিভিন্ন নৃত্য-গীত, ঐনিতম, মুখাশিল্প, মৃৎ শিল্প, নৌকা শিল্প আদিবোৰ সংকৃতিয়ে মাজুলীক অসম তথা ভাৰতবৰ্ষৰ ভিতৰতে প্ৰধান স্থান দিবলৈ সক্ষম হৈছে। তাহানিৰ আউনীআটী সত্ৰৰ পুতলা নৃত্য, দক্ষিনপাট সত্ৰৰ ৰাস, বৰ্তমান চামগুৰি সত্ৰৰ মুখা শিল্প, বেঙেনাআটীৰ ফাকুৱা উৎসৱ, গড়মূৰ আৰু আউনীআটীসত্ৰৰ পালনাম, মাহ বিশেষে পালন কৰা তিথি, উৎসৱ আদিবোৰক মাজুলীৰ সাংস্কৃতিৰ প্ৰধান উৎপাদন বুলিব পাৰি। লোক সমাজৰ সাংস্কৃতিক জীৱনৰ অধ্যয়নৰ বাবে উৎসৱ অনুষ্ঠানবোৰ এক অপৰিহাৰ্য উৎপাদান।

মাজুলীৰ উৎসৱ সমূহৰ স্বকীয়তা এইখিনিতেই যে, এই উৎসৱ সমূহ ধৰ্ম আৰু আধ্যাত্মিকতা ভাৱযুক্ত কৰি উদযাপন কৰা হয়। কিন্তু সকলোবোৰ লোক-সংস্কৃতিৰ উৎসৱ বা অনুষ্ঠানকে ধৰ্ম প্ৰাচূৰ্যতাৰ কথা আহি নপৰে। উদাহৰণস্বৰূপে বহাগ বিহুৰ হুচৰি গোৱাৰ ক্ষেত্ৰত চুৰীয়া টঙালী আদি সাজপাৰ পৰিধান কৰা হয়। ই এক আধ্যাত্মিক নিৰ্দেশন কিন্তু তাত কোনো ধৰ্ম বা জাতিৰ কথা জড়িত হৈ নাথাকে। লোক সাংস্কৃতিৰ ঐক্য সৃষ্টিৰ প্ৰথম খোজ হৈছে জনসাধাৰণৰ মানসিক গাঁথনি। বিভিন্ন জাতি-জনগোষ্ঠীয়ে তথা তেওঁলোকৰ ভিন্ন ভিন্ন আচাৰ ৰীতি-নীতিৰে আৰু ধৰ্মীয় বৈশিষ্ট্যৰে দৈনন্দিন জীৱন অতিবাহিত কৰিলেও মাজুলীবাসীৰ মানসিক দিশত ঐক্য লক্ষ্য কৰা যায়। ব্ৰহ্মপুত্ৰই যেনে দৰে বিভিন্ন জান-জুৰিৰ পানী কহিয়াই অহৰহ চিৰ প্ৰবাহিত হৈ আহিছে থিক তেনে দৰে মাজুলীতো সম্প্ৰীতিৰ এনাজৰীৰে সাংস্কৃতিৰ বৰঘৰখন বান্ধী ৰাখিছে। মাজুলীৰ এই একতাৰ বান্ধোন চিৰ যুগমীয়া হওক বিশ্বৰ দৰবাৰত জিলিকি ৰওঁক সদাই তাৰ কামনা কৰিলোঁ।

*পবিত্ৰ গায়ন, ফুলনি, মাজুলী*

◀◀ ভাৰতীয় সেনা বাহিনী হ'ল- দেশপ্ৰেম আৰু অনুশাসনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তিস্তমভ। সেনাৰ অনুশাসন কেৱল আদেশ পালন কৰাতেই সীমাবদ্ধ নহয়, বৰঞ্চ ই হ'ল নিজৰ কৰ্তব্যৰ প্ৰতি থকা অটল নিষ্ঠা আৰু নৈতিকতা। ভাৰতীয় সেনাৰ মাজত যি ধৰ্মনিৰপেক্ষতা আৰু একতাৰ নিদৰ্শন পোৱা যায় সেয়া অনন্য। এটা বেটেলিয়নত বিভিন্ন জাতি, ধৰ্ম আৰু ভাষাৰ লোক থাকে, কিন্তু তেওঁলোকৰ একমাত্ৰ পৰিচয় হ'ল তেওঁলোক এজন ভাৰতীয় জোৱান। একেটা পাকঘৰতে খাদ্য গ্ৰহণ কৰা আৰু একেলগে দেশৰ বাবে যুঁজ দিয়াৰ যি অপূৰ্ব সংস্কৃতি, সেয়া আজিৰ বিভাজিত সমাজখনৰ বাবে এক জ্বলন্ত উদাহৰণ। সেনাৰ আদৰ্শই প্ৰমাণ কৰে যে- দেশৰ স্বাৰ্থ আৰু ঐক্য সকলো ব্যক্তিগত স্বাৰ্থতকৈ বহু ওপৰত। ▶▶

# ভাৰতীয় সেনা দিৱস

## ত্যাগ আৰু শৌৰ্যৰ সোণালী ইতিহাস

**নলিনী ৰঞ্জন ভূঞা**

ভাৰতীয় সেনা কেৱল এটা সামৰিক বাহিনী নহয়, ই হ'ল কোটি কোটি ভাৰতীয়ৰ বিশ্বাস, সাহস আৰু ৰাষ্ট্ৰপ্ৰেমৰ অনন্য প্ৰতীক। ভাৰতীয় সেনা বাহিনী হৈছে ভাৰতৰ স্থলসেনা, নৌসেনা আৰু বিমান বাহিনীৰ এক সামূহিক শক্তি, যাৰ মূল কাম হৈছে- দেশৰ সাৰ্বভৌমত্ব আৰু ভৌগোলিক অখণ্ডতা ৰক্ষা কৰা, সীমান্ত সুৰক্ষা নিশ্চিত কৰা, দেশৰ ভিতৰত শান্তি শৃংখলা ৰক্ষা কৰা, প্ৰাকৃতিক দুৰ্যোগত সাহায্য কৰা আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰা। ভাৰতীয় সেনাবাহিনীৰ সৰ্বোচ্চ অধিনায়ক হ'ল-ভাৰতবৰ্ষৰ সন্মানীয় ৰাষ্ট্ৰপতি আৰু ই বিশ্বৰ অন্যতম বৃহৎ শক্তিশালী সেনা বাহিনী। প্ৰতি বছৰে ১৫ জানুৱাৰী তাৰিখে সমগ্ৰ দেশজুৰি অত্যন্ত মৰ্যাদাৰে 'ভাৰতীয় সেনা দিৱস' পালন কৰা হয়। এই বিশেষ দিনটোৱে আমাক সোঁৱৰাই দিয়ে সেইসকল বীৰ জোৱানৰ কথা, যিসকলে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি দেশৰ অখণ্ডতা ৰক্ষাৰ বাবে হিমালয়ৰ হাড় কঁপোৱা জাৰৰ পৰা আৰম্ভ কৰি ৰাজস্থানৰ তপত মৰুভূমিলৈকে অদম্য সাহসেৰে দেশবাসীক পহৰা দি থাকি দেশৰ অখণ্ডতা ৰক্ষা কৰাত অহৰ্নিশে দ্বায়িত্ব পালন কৰে।

ভাৰতীয় সেনাৰ গৌৰৱময় ইতিহাস ত্যাগ আৰু বলিদানৰ কাহিনীৰে ভৰপূৰ, যিয়ে প্ৰতিজন ভাৰতীয়ৰ বুকুত গৌৰৱৰ সঞ্চাৰ কৰে। ভাৰতীয় সেনা দিৱস উদযাপনৰ আঁৰত এক বিশেষ ঐতিহাসিক পটভূমি নিহিত হৈ আছে। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে ব্ৰিটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল যদিও সামৰিক বাহিনীৰ শীৰ্ষ নেতৃত্ব তেতিয়াও ব্ৰিটিছ বিষয়াৰ হাততেই আছিল। ১৯৪৯ চনৰ ১৫ জানুৱাৰীৰ দিনা ভাৰতীয় সামৰিক ইতিহাসত এক নতুন যুগৰ সূচনা হৈছিল। সেইদিনা লেফটেনেণ্ট জেনেৰেল কে. এম. কাৰিয়াপ্পাই (যি পৰৱৰ্তী সময়ত ফিল্ড মাৰ্শ্বাল হিচাপে পৰিগণিত হয়) ব্ৰিটিছ জেনেৰেল ফ্ৰান্সিছ বুচাৰৰ পৰা ভাৰতীয় সেনাৰ প্ৰথম কমাণ্ডাৰ-ইন-চীফ হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। এইটোৱে আছিল আধুনিক ভাৰতৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণ, য'ত ভাৰতীয় সেনাৰ নেতৃত্ব সম্পূৰ্ণৰূপে এজন ভাৰতীয়ৰ হাতলৈ আহিছিল। এই দায়িত্ব হস্তান্তৰেই আছিল প্ৰকৃত অৰ্থত ভাৰতীয় সামৰিক শক্তিৰ স্বতন্ত্ৰতাৰ ঘোষণা। ই প্ৰমাণ কৰিছিল যে-ভাৰতীয় সেনাক নেতৃত্ব দিয়াৰ বাবে ভাৰতীয় সেনাপতিয়েই উপযুক্ত। কে. এম. কাৰিয়াপ্পাৰ দ্বায়িত্ব গ্ৰহণৰ সেই ঐতিহাসিক পদক্ষেপে ভাৰতীয় সেনাৰ স্বকীয় পৰিচয় গঢ়ি তুলিছিল। সেয়ে এই ঐতিহাসিক দিনটো ভাৰতীয়ৰ আত্মসন্মান আৰু স্বাভিমানৰ পুনৰুত্থানৰ দিন হিচাপে পৰিগণিত হৈছে। পৰৱৰ্তী সময়ত সেই ঐতিহাসিক মুহূৰ্তটোক স্মৰণীয় কৰি ৰাখিবলৈকে প্ৰতি বছৰে এই দিনটো সেনা দিৱস হিচাপে পালন কৰা হয় আৰু প্ৰতি বছৰে দেশৰ ৰাজধানী নতুন দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত সামৰিক কুচকাৱাজ আৰু বিশেষ কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। সেনা দিৱস কেন্দ্ৰীয়ভাৱে ইণ্ডিয়া গেটৰ কাষত থকা 'অমৰ জোৱান জ্যোতিত' কেন্দ্ৰীয় ভাৱে উদ্যাপন কৰা হয়। এই দিৱস দেশৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়া সকলো ছহিদ সেনালৈ শ্ৰদ্ধা নিবেদন কৰিবলৈ অনুষ্ঠিত কৰা হয়।



ভাৰতীয় সেনাৰ ইতিহাস ত্যাগৰ কাহিনীৰে ভৰপূৰ। স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতীয় সেনাই নিজৰ শৌৰ্য্য আৰু বিক্ৰমেৰে বিশ্ববাসীক চমকিত কৰি আহিছে। ১৯৪৮ চনৰ কাশ্মীৰ যুদ্ধৰ পৰা আৰম্ভ কৰি ১৯৬২ চনত চীনৰ সৈতে হোৱা সংঘাত, ১৯৬৫ আৰু ১৯৭১ চনৰ পাক-ভাৰত যুদ্ধ আৰু ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধলৈকে- প্ৰতিটো স্তৰতে আমাৰ জোৱান সকলে অসীম বীৰত্ব প্ৰদৰ্শন কৰিছে। কাৰ্গিলৰ দুৰ্গম পাহাৰত প্ৰতিকূল বতৰকো নেওচি শত্ৰুক পৰাস্ত কৰি ত্ৰিৰংগা উৰুওৱাৰ দৃশ্যই আজিও প্ৰতিজন দেশপ্ৰেমিকৰ তেজত উদ্দীপনাৰ সৃষ্টি কৰে। ১৯৭১ চনৰ যুদ্ধত ভাৰতীয় সেনাই যি ৰণকৌশল দেখুৱাইছিল, তাৰ ফলতেই বাংলাদেশ নামৰ এখন নতুন ৰাষ্ট্ৰৰ জন্ম হৈছিল। সেই সময়ত পূব পাকিস্তানৰ (বৰ্তমানৰ বাংলাদেশ) সাধাৰণ জনতাৰ ওপৰত চলা অত্যাচাৰ বন্ধ কৰিবলৈ আৰু শৰণাৰ্থী সমস্যাৰ সমাধানৰ বাবে ভাৰতীয় সেনাই যি বিৰল সাহস প্ৰদৰ্শন কৰিছিল, সেয়া বিশ্বৰ সামৰিক ইতিহাসত বিৰল। সেই সময়ত ভাৰতীয় সেনাই শত্ৰুৰ দুৰ্গ ভংগ কৰি কেনেকৈ এখন নতুন ৰাষ্ট্ৰৰ জন্ম দিছিল আৰু মানৱ অধিকাৰ সুৰক্ষিত কৰিছিল, সেয়া আজিও আমাৰ সেনাৰ কৌশলগত দক্ষতাৰ পৰিচায়ক হিচাপে পৰিগণিত হৈ আছে।

আনহাতে ভাৰতীয় সেনাৰ শৌৰ্যৰ কাহিনীত 'অপাৰেচন সেন্দূৰে' এক বিশেষ আৰু সংবেদনশীল স্থান লাভ কৰিছে। 'অপাৰেচন সেন্দূৰ' হৈছে যোৱা বছৰ ২০২৫ চনত ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলোৱা এক সফল সামৰিক অভিযান। এই অভিযানত ভাৰতে পাকিস্তান অধিকৃত কাশ্মীৰকে ধৰি সন্ত্ৰাসবাদীৰ শিবিৰত আক্ৰমণ কৰিছিল, যাৰ ফলত সন্ত্ৰাসবাদীৰ নেটৱৰ্ক ধ্বংস হৈছিল আৰু ভাৰতে নিজৰ সামৰিক শক্তি আৰু প্ৰতিশোধ লোৱাৰ ক্ষমতা প্ৰদৰ্শন কৰি বৃহৎ বিজয় সাব্যস্ত কৰিছিল। অপাৰেচন সেন্দূৰৰ উদ্দেশ্য আছিল- পেহেলগাম আক্ৰমণৰ প্ৰতিশোধ লোৱা আৰু সন্ত্ৰাসবাদী শিবিৰ সমূহ ধ্বংস কৰা। ভাৰতীয় সেনাই সন্ত্ৰাসবাদীৰ ৯টা শিবিৰ ধ্বংস কৰি পাকিস্তানৰ সামৰিক আৰু মানসিক চাপ বৃদ্ধি কৰাৰ লগতে বিশ্বৰ সন্মুখত ভাৰতৰ প্ৰতিৰক্ষা সক্ষমতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। এই অভিযানে প্ৰমাণ কৰিছিল যে ভাৰতীয় সেনাই ন্যায় আৰু সত্যৰ বাবে যিকোনো প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ প্ৰস্তুত।

এই সকলোবোৰ সাফল্যৰ আঁৰত আছিল হাজাৰ হাজাৰ জোৱানৰ অকাতৰ বলিদান। ভাৰতীয় সেনাক কেৱল এক সামৰিক শক্তি বুলি কলে ভুল হ'ব। ভাৰতীয় সেনা বাহিনী হ'ল- দেশপ্ৰেম আৰু অনুশাসনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তিস্তমভ। সেনাৰ অনুশাসন কেৱল আদেশ পালন কৰাতেই সীমাবদ্ধ নহয়, বৰঞ্চ ই হ'ল নিজৰ কৰ্তব্যৰ প্ৰতি থকা অটল নিষ্ঠা আৰু নৈতিকতা। ভাৰতীয় সেনাৰ মাজত যি ধৰ্মনিৰপেক্ষতা আৰু একতাৰ নিদৰ্শন পোৱা যায় সেয়া অনন্য। এটা বেটেলিয়নত বিভিন্ন জাতি, ধৰ্ম আৰু ভাষাৰ লোক থাকে, কিন্তু তেওঁলোকৰ একমাত্ৰ পৰিচয় হ'ল তেওঁলোক এজন ভাৰতীয় জোৱান। একেটা পাকঘৰতে খাদ্য গ্ৰহণ কৰা আৰু একেলগে দেশৰ বাবে যুঁজ দিয়াৰ যি অপূৰ্ব সংস্কৃতি, সেয়া আজিৰ বিভাজিত সমাজখনৰ বাবে এক জ্বলন্ত উদাহৰণ। সেনাৰ আদৰ্শই প্ৰমাণ কৰে যে- দেশৰ স্বাৰ্থ আৰু ঐক্য সকলো ব্যক্তিগত স্বাৰ্থতকৈ বহু ওপৰত।

আমাৰ দেশৰ এজন সাধাৰণ যুৱক সেনাত ভৰ্তি হোৱাৰ পিছত তেওঁৰ যি পৰিৱৰ্তন ঘটে, দেশ সেৱাৰ আমোঘ মন্ত্ৰত যেনে ভাৱে নিমজ্জিত হৈ পৰে, সেয়া আমাৰ সমাজৰ বাবে এক ডাঙৰ শিক্ষা। সেনাৰ প্ৰশিক্ষণে এজন ব্যক্তিক যিকোনো কঠিন পৰিস্থিতিত ধৈৰ্য্য ধৰিবলৈ আৰু হাৰ নামানি আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰে। ভোক, পিয়াহ আৰু শাৰীৰিক কষ্টক নেওচি কেনেকৈ লক্ষ্যত উপনীত হ'ব লাগে, সেই শিক্ষা কেৱল সেনাৰ মাজতহে সঠিকভাৱে পোৱা যায়। এই কঠোৰ অনুশাসনে এজন ব্যক্তিক সময়ানুবৰ্তিতা আৰু দায়িত্ববোধৰ প্ৰকৃত পাঠ দিয়ে। 'নিজৰ পূৰ্বে সেৱা'(Service Before Self) এই উক্তিয়েই হ'ল ভাৰতীয় সেনাৰ মূল মন্ত্ৰ। যিটো ভাৰতৰ ৰাষ্ট্ৰীয় নীতিবাক্য 'সত্যমেৱ জয়তে' (Satyameva Jayate)ৰ অংশ আৰু ইয়াক মুণ্ডক উপনিষদৰ পৰা লোৱা হৈছে- যি নিষ্ঠা, ত্যাগ আৰু দেশৰ প্ৰতি সেৱাৰ মূল্যবোধক প্ৰতিনিধিত্ব কৰে। নিজৰ পৰিয়াল আৰু সুখ-স্বাচ্ছন্দ্যৰ পৰা হাজাৰ মাইল দূৰত থাকি, শূন্য ডিগ্ৰীতকৈও তলৰ উষ্ণতাত সীমান্ত পহৰা দিয়াৰ বাবে যি মানসিক শক্তিৰ প্ৰয়োজন, সেয়া একমাত্ৰ গভীৰ দেশপ্ৰেমৰ পৰাহে আহিব পাৰে। সেনাৰ জোৱান সকলে কেৱল যুদ্ধই নকৰে, তেওঁলোকে নিজৰ চৰিত্ৰ আৰু কৰ্মৰে দেশৰ প্ৰতিটো প্ৰজন্মক নৈতিকতাৰ শিক্ষা দিয়ে।

যুদ্ধৰ বিভীষিকাৰ বাহিৰেও দেশৰ শান্তিপূৰ্ণ সময়ত বা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ভাৰতীয় সেনাই আগবঢ়োৱা নিস্বাৰ্থ সেৱা অত্যন্ত প্ৰশংসনীয় আৰু বিৰল। যেতিয়াই দেশত বানপানী, ভূমিকম্প বা ভূমিস্খলনৰ দৰে বিপৰ্যয়ে দেখা দিয়ে, তেতিয়াই সেনাৰ জোৱান সকলে সকলোৰে আগত সহায়ৰ হাত আগবঢ়ায়। আমাৰ উত্তৰ-পূব ভাৰততো, বিশেষকৈ অসমৰ কালৰূপী বানৰ সময়ত সেনাই হাজাৰ হাজাৰ লোকক উদ্ধাৰ কৰাৰ লগতে খাদ্য আৰু চিকিৎসা সেৱা আগবঢ়াই মানৱীয়তাৰ এক উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছে। অকল অসম বা উত্তৰ পূৰ্বাঞ্চলতেই নহয় সমগ্ৰ দেশৰ সৰ্বত্ৰ ভাৰতীয় সেনা বাহিনীয়ে সমদৃষ্টিৰে সমভাৱে দেশ সেৱাত ব্ৰতী হৈ নিৰন্তৰ সেৱা আগবঢ়ায় আহিছে। তেওঁলোকৰ এই নিৰন্তৰ সেৱাই সাধাৰণ জনতাৰ মনত সেনাৰ প্ৰতি থকা আস্থা আৰু সন্মান বহুগুণে বৃদ্ধি কৰিছে।

ভাৰতীয় সেনাই ক্ৰীড়া জগততো দেশলৈ বহু গৌৰৱ কঢ়িয়াই আনিছে। অলিম্পিকৰ পৰা আৰম্ভ কৰি এছিয়ান গেমছলৈকে সেনাৰ খেলুৱৈ সকলে নিজৰ শৰীৰচৰ্চা আৰু অনুশাসনৰ জৰিয়তে ভাৰতক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিছে। নিৰজ চোপ্ৰাৰ দৰে খেলুৱৈ- যিয়ে জেভলিন থ্ৰ'ত সোণৰ পদক জিকিছিল, তেওঁ ভাৰতীয় সেনাৰেই এজন জোৱান। ইয়াৰ উপৰিও ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষা বাহিনীত ভাৰতীয় সেনাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশ্বৰ বিভিন্ন অশান্ত দেশত শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে ভাৰতীয় জোৱান সকলে আগবঢ়োৱা নিৰপেক্ষ আৰু দক্ষ সেৱাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ ভাৱমূৰ্তি উজ্জ্বল কৰিছে।


বৰ্তমানৰ পৰিৱৰ্তিত বিশ্বত সামৰিক প্ৰত্যাহ্বানবোৰো ক্ৰমান্বয়ে জটিল হৈ পৰিছে। যুদ্ধৰ কৌশল সলনি হৈছে। কেৱল বন্দুক বা গোলা-বাৰুদৰে এতিয়া যুদ্ধ নহয়। চাইবাৰ আক্ৰমণ আৰু অত্যাধুনিক ড্ৰোন প্ৰযুক্তিৰ ব্যৱহাৰে নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। ভাৰতীয় সেনা আজি এই দিশত সম্পূৰ্ণ সজাগ আৰু নতুন দিশবোৰতো ভাৰতীয় সেনাই বিশেষ গুৰুত্ব দিছে। 'আত্মনিৰ্ভৰ ভাৰত' আঁচনিৰ অধীনত এতিয়া দেশৰ ভিতৰতে অত্যাধুনিক যুদ্ধাস্ত্ৰ নিৰ্মাণ কৰা হৈছে। যুদ্ধবিমান, থলুৱাভাৱে নিৰ্মিত টেংক আৰু মিছাইল প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতীয় সেনা আজি বিশ্বৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ শক্তিশালী শক্তিত পৰিণত হৈছে। ভাৰতীয় সেনাৰ এই আধুনিকীকৰণে শত্ৰু পক্ষৰ চকু কপালত তুলিছে। ভাৰতীয় সেনা জোৱানে যি অনুশাসন, সময়ানুবৰ্তিতা আৰু নিস্বাৰ্থ দেশপ্ৰেমৰ শিক্ষা লাভ কৰে, সেয়া আমাৰ সমাজৰ প্ৰতিজন নাগৰিকৰ বাবে এক আদৰ্শ। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে একেটা ইউনিফৰ্ম পিন্ধি দেশৰ বাবে কাম কৰাৰ যি ঐক্যবোধ সেয়া আজিৰ বিভাজিত আধুনিক সমাজখনৰ বাবে অতি প্ৰয়োজনীয় শিক্ষা হোৱা উচিত। এই পবিত্ৰ সেনা দিৱসৰ দিনা আমি প্ৰতিজ্ঞা কৰা উচিত যে- আমি হয়তো সকলোৱে সীমান্তত গৈ যুদ্ধ কৰিব নোৱাৰিম, কিন্তু দেশৰ ভিতৰত থাকি দেশৰ আইন মানি চলা, স্বচ্ছতা ৰক্ষা কৰা, সেনাবাহিনীক সন্মান জনোৱা আৰু একতা বজাই ৰখাটো আমাৰ দায়িত্ব হিচাপে গ্ৰহণ কৰিম। আজিৰ এই ক্ষণত এয়াই হ'ব আমাৰ সেনা জোৱান সকলৰ প্ৰতি জনোৱা প্ৰকৃত সন্মান।

পৰিশেষত ক'ব পাৰি যে- ভাৰতীয় সেনা দিৱস কেৱল সামৰিক কুচকাৱাজৰ মাজতে সীমাবদ্ধ থকা উচিত নহয়। এই দিনটোত প্ৰতিজন ভাৰতীয় নাগৰিকে নিজৰ কৰ্তব্যৰ প্ৰতি সজাগ হোৱাৰ লগতে প্ৰতিজন জোৱানৰ ত্যাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা উচিত। যি সময়ত আমি নিজৰ ঘৰত নিচিন্তে নিদ্ৰা যাওঁ, সেই সময়ত ভাৰতীয় সেনা জোৱানৰ কোনোবাজনে চিয়াচেনৰ বৰফৰ মাজত নতুবা ৰাজস্থানৰ মৰুভূমিত আমাৰ সুৰক্ষাৰ বাবে সতৰ্কতাৰে চকু দি থাকে।

তেওঁলোকৰ এই নিস্বাৰ্থ ত্যাগৰ কোনো বিকল্প নাই। প্ৰচণ্ড শীত বা অসহ্যকৰ গৰমৰ মাজত সীমান্ত পহৰা দিয়াৰ বাবে যি মানসিক শক্তিৰ প্ৰয়োজন, সেয়া একমাত্ৰ গভীৰ দেশপ্ৰেমৰ পৰাহে আহে। সেনাৰ জোৱান এজনে জানে যে তেওঁৰ এটা ভুলে সমগ্ৰ ৰাষ্ট্ৰক বিপদত পেলাব পাৰে। সেয়েহে তেওঁলোকৰ প্ৰতিটো খোজ হয় অত্যন্ত সাৱধান আৰু নিয়ন্ত্ৰিত। সেয়েহে যুগে যুগে বন্দীত হৈ ৰওক ভাৰতীয় সেনা। আহক, এই পবিত্ৰ দিনটোত আমি সেইসকল অমৰ শ্বহীদলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰোঁ আৰু আমাৰ সেনা বাহিনীৰ শৌৰ্যক অভিবাদন জনাও। ভাৰতীয় সেনাৰ এই সোণালী ইতিহাস আৰু ত্যাগৰ কাহিনী প্ৰতিজন ভাৰতীয়ৰ বুকুত চিৰকাল প্ৰজ্বলিত হৈ ৰওক। জয় হিন্দ।

# বাতৰিকাকত পঢ়াৰ অভ্যাস গঢ়ি তোলো আহক

বাতৰি কাকত হৈছে সাম্প্ৰতিক ঘটনা, তথ্য, আৰু বিভিন্ন বিষয়ৰ ওপৰত ছপা কৰা এক প্ৰকাশন, যিয়ে শিক্ষা, ৰাজনীতি, ব্যৱসায়, ক্ৰীড়া, শিল্প, বিজ্ঞান আদি বিভিন্ন ক্ষেত্ৰ সামৰি লয়এইবোৰত সাধাৰণতে সম্পাদকীয়, মতামত, বতৰৰ পূৰ্বাভাস, স্থানীয় সেৱা, মৃত্যুৰ খবৰ, কমিক, আৰু পৰামৰ্শৰ স্তমভ আদিও থাকে। বাতৰি কাকতৰ প্ৰয়োজনীয়তা বহুমুখী। প্ৰথমতে, ই জ্ঞান-বৃদ্ধিৰ অন্যতম উৎস। ৰাজনীতি, শিক্ষা, বিজ্ঞান, ক্ৰীড়া, সাহিত্য, সংস্কৃতি আদি সকলো দিশৰ খবৰ পাঠকে সহজে লাভ কৰে। দ্বিতীয়তে, ই সমাজত সচেতনতা সৃষ্টি কৰে। অন্যায়, অবিচাৰ, সামাজিক সমস্যা আদি বাতৰি কাকতৰ পাতত প্ৰকাশ পালে জনসাধাৰণৰ মনোযোগ আকৰ্ষণ হয়। তৃতীয়তে, ই ৰাজনৈতিক চেতনাৰ বিকাশ ঘটায়। চতুৰ্থতে, ই অৰ্থনৈতিক জীৱনতো গুৰুত্বপূৰ্ণ। বজাৰৰ মূল্য, ব্যৱসায়িক খবৰ আদি জনসাধাৰণক সচেতন কৰে। লগতে সাহিত্য, কৌতুক, ক্ৰীড়া আদিয়ে পাঠক সমাজক বিনোদনো প্ৰদান কৰে।




সকলোতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল, বাতৰি কাকত শিক্ষাৰ্থীৰ বাবে এক জ্ঞান-ভঁৰাল। নিত্য নতুন প্ৰবন্ধ, আলোচনী আদিয়ে শিক্ষাৰ্থীসকলৰ বৌদ্ধিক দিশৰ বিকাশ সাধনত সহায় কৰে।

বাতৰি কাকত পঢ়া অভ্যাস গঢ়ি তুলিবলৈ কিছুমান সহজ উপায় গ্ৰহণ কৰিব পাৰো। যেনে- প্ৰতিদিনে আমি এখন বাতৰি কাকত পঢ়াৰ বাবে এটা নিৰ্দিষ্ট সময় ধাৰ্য কৰি ল'ব লাগে। যিখন কাকত পঢ়ি ভাল লাগে বা আমোদজনক সেই কাকতখনহে পঢ়িব লাগে। বাতৰি কাকত পঢ়া অন্যান্য লোকৰ লগত সেই বিষয়টোৰ ওপৰত বিতংভাৱে আলোচনা কৰিব লাগে যাতে ইয়ে আমাৰ পঢ়াৰ অভ্যাস বৃদ্ধি কৰিব পাৰেকেৱল বাতৰি কাকতেই নহয় আমি কিতাপ, আলোচনী, উপন্যাস আদি পঢ়াৰ অভ্যাস ও কৰিব লাগে। বাতৰি কাকত পঢ়াৰ অভ্যাসে আমাৰ জ্ঞানৰ পোহৰ লাভ কৰাত সহায় কৰাৰ লগতে, দৃষ্টিভংগী বহল কৰে, সমালোচনামূলক চিন্তাধাৰাৰ দক্ষতা বৃদ্ধি কৰে আৰু সৃষ্টিশীলতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ডিজিটেল যুগৰ দ্ৰুত উত্থানৰ ফলত বাতৰি কাকতৰ পঢ়ুৱৈৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে যদিও কিন্তু এতিয়াও এনে একাংশ ব্যক্তি আছে যিয়ে দৈনিক বাতৰিকাকত অধ্যয়ন কৰে।

"Read Newspapers, Stay Informed."

*তৃষ্ণা বৰা*



# তিনিচুকীয়া জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ প্ৰস্তুতি তুঙ্গত

## উন্মোচন হ'ব কেইবাখনো গ্ৰন্থ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৫ জানুৱাৰী ঃ** অহা ১৭ আৰু ১৮ জানুৱাৰী তাৰিখে দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বৰডুমচা অঞ্চলৰ ন-তালপথাৰ গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত তিনিচুকীয়া জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি আগদিনা পতাকা উত্তোলন কৰিব জিলা সভাপতি লম্বেশ্বৰ চেতিয়া, আদৰণি সমিতিৰ সভাপতি সুনন মৰাণ আৰু ফটিক নেওগ, বুঢ়ীদিহিং শতদল সাহিত্য সভাৰ সভাপতি নৰেশ্বৰ শইকীয়া, ন-তালপথাৰ অগ্ৰণী যুৱক সংঘৰ সভাপতি বিতোপন মৰাণ আৰু স্থানীয় ত্ৰিশগৰাকী ব্যক্তিয়ে। স্মৃতি তৰ্পণ কৰিব আদৰণি সমিতিৰ যুটীয়া সম্পাদক প্ৰশান্ত মৰাণ আৰু যোগেন বৰুৱা, ন-তালপথাৰ অগ্ৰণী যুৱক সংঘৰ সম্পাদক কৃষ্ণকান্ত নেওগ আৰু ন-তালপথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মুনিন্দ্ৰ চেতিয়াই। ক্ষেত্ৰ উন্মোচন কৰিব শ্ৰীশ্ৰীটিপুক মায়ামৰা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীবংশ প্ৰেমানন্দ মূৰ্তিয়ে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, যুগজয়ী শিল্পী জুবিন গাৰ্গ, গণশিল্পী ৰাজীৱ শদিয়া, শিল্পী-সাহিত্যিক ছৈয়দ চাদুল্লা, বাঁহীবাদক দীপক শৰ্মা, শিল্পী গায়ত্ৰী হাজৰিকা আদিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি নিবেদিব স্থানীয় দল-সংগঠনৰ নেতৃবৃন্দই। গছপুলি ৰোপণ কৰিব খাটাংপানীৰ বনাঞ্চলিক বিষয়া শ্ৰৱণ শইকীয়াই। মঞ্চ উদ্বোধন কৰিব বুঢ়ীদিহিং শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভক্ত ধাদুমীয়াই। জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব বুঢ়ীদিহিং শতদল শাখা সাহিত্য সভাৰ সম্পাদক মণ্টু মৰাণে। প্ৰতিযোগিতা আৰম্ভ কৰিব পূৰ্বাঞ্চল মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক দেবেন মৰাণে। কৈলাসপুৰ গাঁও পঞ্চায়তৰ সভাপতি ৰুদমী টাইৰাইয়ে উন্মোচন কৰিব গ্ৰন্থ বিপণী। তাৰ পাছতেই অনুষ্ঠিত হ'ব 'ৰামধেনু', গীতে-মাতে এসন্ধ্যা আৰু সাংস্কৃতিক কাৰ্যসূচী। কাৰ্যসূচী কেইটা উদ্বোধন কৰিব ক্ৰমে ডিগবৈ সমজিলা অধীক্ষক হিমাংশু বুঢ়াগোহাঁই, অসম সাহিত্য সভাৰ প্ৰচাৰ বিভাগৰ উপ-সভাপতি পুলক কুমাৰ গগৈ আৰু কৈলাসপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ কোঁৱৰে। ইয়াৰ পূৰ্বে বুঢ়ীদিহিং শতদল শাখা সাহিত্য সভাৰ মুখপত্ৰ 'দিহিং-দিয়ুন' উন্মোচন কৰিব মৰাণ সাহিত্য সভাৰ মুখ্য সম্পাদক মৃদুল দহোটীয়াই। পিছদিনা ৰচনা প্ৰতিযোগিতাৰে আৰম্ভ হ'ব অন্তিম দিনাৰ কাৰ্যসূচী। ইয়াৰ পাছতেই আৰম্ভ হ'ব শোভাযাত্ৰা। শোভাযাত্ৰা উদ্বোধন কৰিব জিলা সাহিত্য সভাৰ উপ-সভাপতি চন্দ্ৰ কুমাৰ বৰুৱাই। শোভাযাত্ৰাৰ পাছতেই আৰম্ভ হ'ব 'আকাশ' অনুষ্ঠান। মাকুম মহাবিদ্যালয়ৰ অধ্যাক্ষা ডঃ মালবিকা ভূঞাই উদ্বোধন কৰিব 'আকাশ'। দুপৰীয়া আৰম্ভ হ'ব লগা প্ৰতিনিধি সভাখন উদ্বোধন কৰিব তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা 'অসম বাৰ্তা' কাকতৰ মুখ্য সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকনে। বিয়লি ২ বজাত জিলা সভাপতি লম্বেশ্বৰ চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। সভাখন উদ্বোধন কৰিব তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মোহন মৰাণে। আদৰণি সমিতিৰ সভাপতি সুমন মৰাণে আদৰণি ভাষণ আগবঢ়াব। মুকলি সভাৰ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব বিশিষ্ট লেখক-সমালোচক তথা দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ডঃ চিত্ৰজিৎ শইকীয়াই। সন্মানীয় অতিথি হিচাপে অংশ ল'ব তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰী উপাচাৰ্য ডঃ মদন শৰ্মা, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুং, সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, উপ-সভাপতি আৰু সম্পাদকসকলে। আমন্ত্ৰিত অতিথিৰ তালিকাত আছে মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণ, নেপালী সাহিত্য সভাৰ উপ-সভাপতি লোকনাথ নেৱাৰ, দেউৰী সাহিত্য সভাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি উমাকান্ত দেউৰী, সোণোৱাল-কছাৰী সাহিত্য সভাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সোমেশ্বৰ সোণোৱাল আৰু পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সম্পাদক ৰিদিপ গগৈ। মুকলি সভাতেই উন্মোচিত হ'ব তিনিচুকীয়া জিলা সাহিত্য সভাৰ পত্ৰিকা, সূচক গ্ৰন্থ আৰু স্মৃতি গ্ৰন্থ। নিশালৈ অনুষ্ঠিতব্য বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব তিনিচুকীয়া জিলা পৰিষদৰ অধ্যক্ষ ভাদেশ্বৰ মৰাণে। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাই, বুঢ়ীদিহিং শতদল শাখা সাহিত্য সভাৰ সম্পাদক মণ্টু মৰাণ, ন-তালপথাৰ অগ্ৰণী যুৱক সংঘৰ সম্পাত কৃষ্ণকান্ত নেওগ, আদৰণি সমিতিৰ যুটীয়া সম্পাদক ক্ৰমে প্ৰশান্ত মৰাণ আৰু যোগেন মৰাণে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকৰে দুয়ো দিনৰ কাৰ্যসূচীত উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# ২০০৪ চনতে নিৰ্মাণ কৰা ছয়গাঁও ইণ্ডোৰ ষ্টেডিয়াম কেতিয়া সম্পূৰ্ণ হ'ব ?



**অসম বাৰ্তা, ছয়গাঁও, ১৫ জানুৱাৰী ঃ** অসমৰ খেলুৱৈয়ে সুবিধাযুক্ত ক্ৰীড়াংগণৰ বাবে বিভিন্ন প্ৰান্তত হাহাকাৰ কৰি থকাৰ মাজতে ২০০৪-২০০৫ বিত্তীয় বৰ্ষতে ছয়গাঁৱত নিৰ্মাণৰ কাম আৰম্ভ হোৱা এখন ইণ্ডোৰ ষ্টেডিয়াম চৰকাৰী অৱহেলাৰ বাবেই আজিও সম্পূৰ্ণ নোহোৱাৰ অভিযোগ উত্থাপিত হৈছে। ২০০৪ চনৰ ২০ জানুৱাৰীত তেতিয়াৰ গড়কাপ্তানী মন্ত্ৰী শৰৎ বৰকটকীয়ে ক্ৰীড়ামন্ত্ৰী কেপ্টেইন ৰবীন বৰদলৈ আৰু ছয়গাঁৱৰ সেই সময়ৰ বিধায়ক ৰাণা গোস্বামীৰ উপস্থিতিত ভাৰত চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰনালয়ৰ বিত্তীয় সাহায্যত ছয়গাঁও ইণ্ডোৰ ষ্টেডিয়াম (কেটেগৰী -২) খনৰ আধাৰশিলা ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয় খেলপথাৰত স্থাপন কৰিছিল। আধাৰশিলা স্থাপনৰ সভাতে ঘোষণা কৰা হৈছিল - ষ্টেডিয়ামখন ২০০৫ বৰ্ষৰ জানুৱাৰীত উদ্বোধন কৰা হ'ব। কিন্তু একেলগে দুখন চৰকাৰৰ কাৰ্যাকালত দুটা পৰ্যায়ত নিৰ্মাণ হৈ প্ৰায় ৬০ শতাংশ সম্পূৰ্ণ হৈ থকা ষ্টেডিয়ামখন আজিও অসম্পূৰ্ণ হৈ আছে। ঠায়ে ঠায়ে নতুন ক্ৰীড়াংগণ নিৰ্মাণৰ বাবে তৎপৰ হৈ থকা বৰ্তমান হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে ছয়গাঁও ষ্টেডিয়ামখনৰ নিৰ্মাণত গুৰুত্ব নিদিয়াটো সচেতন ক্ৰীড়াপ্ৰেমীৰ বাবে অবুজ সাথৰ হৈ আছে। ষ্টেডিয়ামখন নিৰ্মাণত হোৱা খেলিমেলিৰ বাবে ২০১২ চনৰ ১৪ ডিচেম্বৰত ৰাজ্যিক ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ পত্ৰ মৰ্মে কামৰূপৰ উপায়ুক্তই ২০১৩ চনৰ ২৬ আগষ্টত এক জাননী যোগে স্থানীয় বিধায়কক সদস্য, জিলা ক্ৰীড়া বিষয়াক সদস্য সচিব আৰু উপায়ুক্তক অধ্যক্ষ ৰূপে লৈ এখন সাতজনীয়া জিলা পৰ্যায়ৰ নিৰ্মাণ সমিতি গঠন কৰি দিছিল। সমিতি হ'ল যদিও নিৰ্মাণৰ ক্ষেত্ৰত আজিলৈ একো অগ্ৰগতি দেখা পোৱা নগ'ল। চৰকাৰ এক গতানুগতিক প্ৰক্ৰিয়া হেতু পূৰ্বৰ চৰকাৰৰ অৰ্ধনিৰ্মিত কাম ভুলবোৰ আঁতৰাই সম্পূৰ্ণ কৰাতো ৰাইজে বিচাৰে। ছয়গাঁৱৰ মাজমজিয়াত থকা এই ষ্টেডিয়ামখন সম্পূৰ্ণ হ'লেই বাৰ মাহে ব্যৱহাৰযোগ্য এখন ষ্টেডিয়াম হ'লহেতেন। দক্ষিণ কামৰূপৰ ক্ৰীড়াৰ কল্পতৰু বৃক্ষসদৃশ হ'ব পৰা ছয়গাঁও ইণ্ডোৰ ষ্টেডিয়ামৰ বাকী থকা কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ দিহা কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ক্ৰীড়াপ্ৰেমী ৰাইজে দাবী জনাইছে।

# জনীয়া হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ মিলন সমাৰোহ দুদিনীয়া কাৰ্যক্ৰমণিকাৰে সফল সামৰণি

**অসম বাৰ্তা, জনীয়া, ১৫ জানুৱাৰী ঃ** ১৯৫৬ চনৰ ১৪ মাৰ্চত প্ৰতিষ্ঠা লাভ কৰা ঐতিহ্যমণ্ডিত জনীয়া হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ মিলন সমাৰোহ ১০ আৰু ১১ জানুৱাৰীত দুদিনীয়া আকৰ্ষণীয় কাৰ্যক্ৰমণিকাৰে সফল সামৰণি পৰে। জনীয়া হাইস্কুল খেল পথাৰত অনুষ্ঠিত মিলন সমাৰোহৰ কাৰ্যসূচী অনুসৰি ১০ জানুৱাৰীত পুৱা ৮ বজাৰ পৰা প্ৰাক্তন সতীৰ্থ সকলৰ পঞ্জীয়ন আৰু পৰিচয় পত্ৰ বিতৰণ, মৰহুম আব্দুল হামিদ খান সোঁৱৰণী তোৰণৰ দ্বাৰ উন্মোচন কৰে প্ৰাক্তন ছাত্ৰ তথা গলিয়া এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ মীৰ মোসাৰফ হুসেনে। অতিথি হিচাপে অৱসৰী অধ্যাপক লিয়াকত খান, প্ৰাক্তন ছাত্ৰ তথা বৰপেটা প্ৰাক্তন জিলা পৰিষদৰ সদস্য আব্দুল জলিল তালুকদাৰ, প্ৰাক্তন ছাত্ৰ তথা অৱসৰী শিক্ষক সুভাষ চন্দ্ৰ সাহা, প্ৰাক্তন ছাত্ৰী তথা চিকিৎসক ডাঃ শেৱালি পাৰবিন আৰু জনীয়া হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ হয়। মুখ্য পতাকা উত্তোলন কৰে প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি ড° ছোৰমান আলীয়ে আৰু ৬৯খন পতাকা প্ৰতিষ্ঠিপক পৰিয়াল, প্ৰাক্তন শিক্ষক আৰু প্ৰাক্তন শিক্ষাৰ্থীয়ে উত্তোলন কৰে। তদুপৰি পুৱা ১০ বজাৰ পৰা গছপুলি ৰোপণ, পুৱা ১১ বজাত মৰহুম আলহাজ হালিম আলী সোঁৱৰণী মঞ্চদ্বাৰ উন্মোচন কৰে প্ৰাক্তন ছাত্ৰ তথা চিকিৎসক ডাঃ ইমান আলী আহমেদে। অতিথি হিচাপে প্ৰাক্তন ছাত্ৰ তথা জ্যেষ্ঠ ফাৰ্মাচিষ্ট ৰফিকুজ্জামান (ৰিপন)কে অন্যান্য অতিথি উপস্থিত থাকে। দুপৰীয়া প্ৰীতিভোজৰ পাছত জনীয়া হাইস্কুলৰ প্ৰয়াত প্ৰতিষ্ঠাপক, শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ স্মৃতি তৰ্পণ সঞ্চালনা কৰে প্ৰাক্তন ছাত্ৰ তথা অৱসৰী শিক্ষক আলহাজ ওমৰ আলীয়ে। আমন্ত্ৰিত অতিথি হিচাপে প্ৰাক্তন ছাত্ৰ তথা পশু চিকিৎসক ডাঃ উপেন কাকতি আৰু তৰ্পক হিচাপে জনীয়া সত্ৰৰ মুখ্য পাঠক নৰদাস পাঠক, জনীয়া জামে মছজিদৰ ইমাম আইনুল হক ঈশ্বাআতি, প্ৰাক্তন ছাত্ৰ তথা অৱসৰী শিক্ষক সমৰেন্দ্ৰ নাথ বসাক উপস্থিত থাকে। জনীয়া হাইস্কুলৰ শিক্ষাৰত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ভিন্নসূৰী গীত-মাতৰ অনুষ্ঠান উদ্বোধন কৰে অসম চৰকাৰৰ ৰাজ্যিক সহকাৰী কৰ আয়ুক্ত গুলজাৰ আলমে। অতিথি হিচাপে প্ৰাক্তন ছাত্ৰ তথা শিক্ষক ভুৱনেশ্বৰ দাস উপস্থিত থাকে। আবেলি ৪ বজাত 'তাহানীৰ আৰু সাম্প্ৰতিক শৈক্ষিক ব্যৱস্থাৰ গুণগত দিশ সম্পৰ্কে পৰ্যালোচনা' শীৰ্ষক আলোচনা চক্ৰৰ সঞ্চলনা কৰে অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰী মুৰব্বী অধ্যাপক ড° বখশী হজৰত আলী আহমেদে আৰু মুখ্য আলোচক হিচাপে বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° অৱনী কুমাৰ দাস, আলোচক হিচাপে বিশিষ্ট লেখক ডাঃ ৰেজাউল কৰিম, নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° শাহজামাল শ্বেইখ উপস্থিত থাকে। সন্ধিয়া ৫ বজাত অভ্যৰ্থনা সমিতিৰ সভাপতি আব্দুল মালিকৰ সঞ্চলনাত অনুষ্ঠিত প্ৰাক্তন সতীৰ্থ সকলৰ অন্তৰঙ্গ আলাপ আৰু স্মৃতি ৰোমন্থনত মুখ্য অতিথি হিচাপে জনীয়াৰ বিধায়ক ড° হাফিজ ৰফিকুল ইছলাম উপস্থিত থাকে। কাৰ্যসূচী মতে স্ব-ৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু সন্ধিয়া মায়াবিনী সন্ধিয়া সংগীতানুষ্ঠানত আমন্ত্ৰিত শিল্পী কলকাতাৰ মৰ্মিতা মিত্ৰই গীত পৰিৱেশন কৰে আৰু অতিথি হিচাপে জনীয়া গাঁও পঞ্চায়তৰ প্ৰাক্তন উপ-সভাপতি ছফিকুল ইছলাম উপস্থিত থাকে। ১১ জানুৱাৰীত অৰ্থাৎ অন্তিম দিনা পুৱা ৮ বজাৰ পৰা প্ৰাক্তন সতীৰ্থ সকলৰ পঞ্জীয়ন আৰু পৰিচয় পত্ৰ বিতৰণ, পুৱা ৯ বজাত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ তথা পশু চিকিৎসক ডাঃ উপেন কাকতিয়ে। পুৱা ১১ বজাত প্ৰাক্তন ছাত্ৰ আব্দুল আলিমৰ পৰিচালনাত মুকলি কুইজ সঞ্চালনা কৰে প্ৰাক্তন ছাত্ৰ তথা চিকিৎসক ডাঃ ছিদ্দিক আলীয়ে আৰু কুইজ মাষ্টাৰ হিচাপে প্ৰাক্তন ছাত্ৰ তথা অধিবক্তা লোকমান খান, সহযোগী হিচাপে প্ৰাক্তন ছাত্ৰ তথা শিক্ষক নৱ কুমাৰ দাস উপস্থিত থাকে। দুপৰীয়া ১২ বজাত আহাৰ গ্ৰহণ, আৰু আবেলি ১ বজাত প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সাধাৰণ সম্পাদক তথা অসমীয়া খবৰ কাকতৰ মুখ্য সম্পাদক বিশ্বজিৎ দাসৰ সঞ্চালনাত প্ৰাক্তন সতীৰ্থ সকলৰ অন্তৰঙ্গ আলাপ আৰু স্মৃতি ৰোমন্থন কাৰ্যসূচী উন্মোচন কৰে জনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ছোলাইমান চৌধুৰীয়ে। অন্তৰঙ্গ আলাপত মুখ্য অতিথি হিচাপে প্ৰাক্তন সাংসদ আব্দুল খালেক, সন্মানীয় অতিথি হিচাপে অসম চৰকাৰৰ শিক্ষা বিভাগৰ অৱসৰী উপ -সঞ্চালক ছাদুল্লা খান উপস্থিত থাকে। আবেলি ২ বজাত পুথিভঁৰাল উন্মোচন কৰা হয়। আবেলি ৩ বজাত প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি ডঃ ছোৰমান আলীৰ সভাপতিত্বত স্মৃতিগ্ৰন্থ উন্মোচন আৰু প্ৰীতি বন্ধন অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ মুখ্য সম্পাদক হিচাপে নুৰুল ইছলাম তালুকদাৰে তেখেতৰ অভিভাষণ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে স্মৃতিগ্ৰন্থ উন্মোচন কৰে অসমীয়া খবৰ কাকতৰ মুখ্য সম্পাদক তথা প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সাধাৰণ সম্পাদক বিশ্বজিৎ দাসে। উন্মোচনী ভাষণত তেখেতে অতি কম সময়ৰ ভিতৰত 'স্মৃতিৰ সুবাস 'স্মৃতিগ্ৰন্থখন প্ৰস্তুত কৰি আনি দিবলৈ সক্ষম হোৱাত সম্পাদনা সমিতিৰ শলাগ লয় আৰু ইমান কম সময়ত স্মৃতিগ্ৰন্থ এখন প্ৰস্তুত কৰা কিমান কষ্টকৰ, কিমান ত্যাগ, কিমান যন্ত্ৰণা স্বীকাৰ কৰিব লগা হৈছে সেইয়া স্মৃতিগ্ৰন্থৰ লগত জড়িত নোহোৱা মানুহে উপলব্ধি কৰিব নোৱাৰে বুলি কয়। শ্ৰীদাসে বক্তব্যত আৰু কয় যে প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ মিলন সমাৰোহত যিমান ডাঙৰ শিল্পী নাহক কিয় যিমান ডাঙৰ সভা নহওক কিয় স্মৃতিগ্ৰন্থখনে কৈ দিব প্ৰাক্তন ছাত্ৰ সন্মিলনীৰয়ে কি কৰিছিল, কি কৰা নাই। সময়ত স্মৃতিগ্ৰন্থখনেই ইতিহাসৰ বুকুত নজনা নভবা এটি সম্পদ হিচাপে পৰিগণিত হৈ থাকিব। প্ৰীতি বন্ধন অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মোজাম্মেল হুছেইন, নিৰ্দিষ্ট বক্তা হিচাপে কলগাছিয়া নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক সুশীল কুমাৰ সৰকাৰ, সন্মানীয় অতিথি হিচাপে জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ অধ্যক্ষ ছানোৱাৰ ৰহমান, আমন্ত্ৰিত অতিথি হিচাপে জনীয়া জিলা পৰিষদ সমষ্টিৰ সদস্য মনিয়াৰা পাৰবিন, জনীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী আফছানা পাৰবিন, কাদং গাঁও পঞ্চায়তৰ সভানেত্ৰী ছাবিনা ইয়াছমিন হুছেইনকে আদি কে'বাগৰাকী অতিথি উপস্থিত থাকে। সাংস্কৃতিক উপ-সমিতিৰ অন্যতম ৰবেন দাস, আৰশ্বাদুল ইছলাম আৰু ৰমেজ উদ্দিনৰ পৰিচালনাত বিচিত্ৰানুষ্ঠান উদ্বোধন কৰে লেখক, অধিবক্তা তথা অভিযন্তা আব্দুল আজিজ আহমেদে। বিচিত্ৰানুষ্ঠানত স্থানীয় শিল্পী, আমন্ত্ৰিত শিল্পী, গোৱালপাৰাৰ ৰিনিকা ভকত নাথৰ তত্ত্বাৱধানত কুশান নৃত্য পৰিবেশিত হয়।

# নৱজ্যোতি শিশু নিকেতন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ মুকলি-বঁটা বিতৰণী সভা সামৰণি

**অসম বাৰ্তা, সোণতলী, ১৫ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়া শিক্ষা খণ্ডৰ অধীনস্থ কালাতলীৰ নৱজ্যোতি শিশু নিকেতন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ১৬ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি-বঁটা বিতৰণী সভাৰ বুধবাৰে সামৰণি পৰে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শুভাৰম্ভ কৰা বাৰ্ষিক অধিৱেশনৰ অন্তিম দিনা মুকলি-বঁটা বিতৰণী সভা অনুষ্ঠিত কৰে। সভাত সভাপতিত্ব কৰে নিকেতন পৰিচালনা সমিতিৰ সভাপতি আমিন ময়নুল হকে। সভাত বিগত ২০২৪-২৫ বৰ্ষত মেট্ৰিক উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোছা, জাপি আৰু মান-পত্ৰৰে সম্বৰ্ধনা জনায়। এই সভাত ফখৰ উদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ অধ্যাপক ড° এম ছেখ মজিবৰ ৰহমান, ২৭ নম্বৰ ছমৰীয়া সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ছাহজাহান আলী, মাহতলী জিলা পৰিষদ সদস্য ছোলেমান আলী আহমেদ, অৱসৰী বিষয় শিক্ষক মুছলিম উদ্দিন আহমেদ, অৱসৰী প্ৰধান শিক্ষক ফটিক আলী আহমেদ, গাঁও প্ৰধান আবুশামা আলী, মীৰ্জা শাখাৰ বীমা উপদেষ্টা জহিৰুল হক, ছমৰীয়া ব্লক যুৱ কংগ্ৰেছৰ সভাপতি ছুফিকুল ইছলাম, দক্ষিণ কামৰূপ শিক্ষা সংসদৰ মুখ্য উপদেষ্টা ছামছুল হক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে। সভাত নিকেতনৰ ৰ অধ্যক্ষ আমিন জাহিদুল আলমে শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পিছত নিশা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানত বীমা উপদেষ্টা জহিৰুল হকৰ লগতে বিভিন্ন শিল্পীৰ গীতৰ শৰাই আগবঢ়ায়।

### নতুন ব্লক সভাপতি নিযুক্তিক লৈ সংঘাত, মাজুলী কংগ্ৰেছত বিদ্ৰোহী তৎপৰতা

# বিধানসভা নিৰ্বাচনৰ পূৰ্বে মাজুলী কংগ্ৰেছত অন্তঃকন্দল; দুই শিবিৰত বিভক্ত দল

## জিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক বাণী হাজৰিকাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

**উজনী মাজুলী, ১৫ জানুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সমান্তৰালভাৱে ৰাজ্যৰ প্ৰতিটো ৰাজনৈতিক দলে ব্যাপক নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। সম্প্ৰতি ৰাজনৈতিক দল সমূহে নিজৰ নিজৰ প্ৰাৰ্থী ঘোষণা কৰাৰ প্ৰাক মুহূৰ্তত প্ৰতিটো সমষ্টিত নিজৰ নিজৰ চাৰ্ভে অব্যাহত ৰাখি যোগ্য প্ৰাৰ্থীৰ সন্ধানত থকাৰ সমান্তৰালভাৱে প্ৰতিজন প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে প্ৰাৰ্থীত্বৰ দৌৰত বিভিন্ন কৌশল অব্যাহত ৰাখিছে। সমান্তৰালভাৱে মাজুলীতো একমাত্ৰ ৯৮ নং মাজুলী বিধান সভা সমষ্টিৰ বাবে শাসক বিৰোধী উভয় দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে টিকট লাভৰ বাবে বিভিন্ন তৎপৰতা অব্যাহত ৰাখিছে। কিন্তু এনে তৎপৰতাৰ মাজতে আজি মাজুলীত জিলা কংগ্ৰেছৰ ভিতৰচঁাত এইবাৰ টিকট কেন্দ্ৰীক সংঘাত নহয়, এইবাৰ পদবী কেন্দ্ৰীক সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। শেহতীয়াকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে মাজুলীত কংগ্ৰেছৰ দুই সাংগঠনিক ব্লক মাজুলী ব্লক আৰু উজনি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি সালসলনি কৰি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি হিচাপে দেৱ কান্ত দাস আৰু উজনি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি হিচাপে প্ৰণৱ জ্যোতি বাৰিকক তৎকালীন ভাৱে কাৰ্যকৰী হোৱাকৈ নিযুক্তি দিয়াৰ পিছতেই এতিয়া মাজুলী কংগ্ৰেছ দুই শিবিৰত বিভক্ত হৈ আভ্যন্তৰীণ সংঘাতে বিৰাজ কৰা পৰিলক্ষিত হৈছে। আজি নৱ নিযুক্ত দুই ব্লক কংগ্ৰেছৰ সভাপতিয়ে গড়মূৰ স্থিত জিলা কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱন আৰু উজনি মাজুলী ব্লক কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱনত আনুষ্ঠানিকভাৱে দায়িত্বভাৰ লোৱাৰ সময়তে উজনি মাজুলী ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত ব্লক কংগ্ৰেছৰ সভাপতি কেন্দ্ৰীক সংঘাতে চূড়ান্ত ৰূপ লয়। বিদ্ৰোহী কংগ্ৰেছী সকলে বিশেষ ব্যক্তিৰ প্ৰৰোচনাত পৰি মাজুলী কংগ্ৰেছৰ তত্ত্বাৱধায়ক বাণী হাজৰিকাই কংগ্ৰেছ দলক দুৰ্বল কৰাৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপণ কৰি নতুন সভাপতি প্ৰণৱজ্যোতি বাৰিকে জেংৰাই মুখ ৰাজীৱ ভৱনত নতুনকৈ কাৰ্যভাৰ ল'বলৈ উপস্থিত হওঁতে বাধা প্ৰদান কৰে। সেই লৈ কংগ্ৰেছ কৰ্মীসকলৰ মাজত তীব্ৰ হতাহতি হোৱাৰ লগতে পৰিস্থিতি উত্তপ্ত হৈ পৰে। ইফালে উজনি মাজুলী ব্লক কংগ্ৰেছৰ কমিটিৰ নতুন সভাপতি প্ৰণৱজ্যোতি বাৰিকক দায়িত্ব ন্যস্ত কৰাৰ খবৰ প্ৰকাশ পোৱাৰ পিছতেই জেংৰাইমুখ ৰাজীৱ ভৱনত তলা উলমাই দিয়ে। এই ঘটনাত ক্ষুণ্ণ হৈ প্ৰাক্তন মন্ত্ৰী ৰাজীৱলোচন পেগুয়ে আজি অতৰ্কিতে ৰাজীৱ ভৱনত প্ৰৱেশ কৰি তলা ভাঙি পেলায়। সেই লৈও তীব্ৰ বাক-বিণ্ডতাৰ সূচনা হয়। বিদ্ৰোহী কংগ্ৰেছ কৰ্মী সকলে সংবাদমেল সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা মাজুলীৰ তত্ত্বাৱধায়ক বাণী হাজৰিকাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। কংগ্ৰেছ কৰ্মী ৰঞ্জন বৰাই সংবাদ মেল সম্বোধন কৰি কয়- অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা মাজুলীৰ তত্ত্বাৱধায়ক বাণী হাজৰিকাই মাজুলীৰ দায়িত্বভাৰ লোৱাৰ পিছৰে পৰা মাজুলী কংগ্ৰেছৰ সাংগঠনিক দিশ দুৰ্বল কৰাৰ কাৰ্য অব্যাহত ৰাখিছে। বিজেপি দলৰ কৰ্মীৰ ঘৰত থাকি কংগ্ৰেছ দল পৰিচালিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ আৰু কয় বাণী হাজৰিকাই স্বেচ্ছাচাৰিতাৰে গণভিত্তি নথকা লোকক ব্লক কংগ্ৰেছত নতুন দায়িত্ব অৰ্পন কৰিছে। উজনি মাজুলী কংগ্ৰেছ কমিটিৰ সভাপতি হিচাপে প্ৰণৱজ্যোতি বাৰিকক সভাপতি হিচাপে দায়িত্বভাৰ ন্যস্ত কৰাত আমাৰ আপত্তি আছে বুলি উল্লেখ কৰি বৰ্তমানৰ সভাপতি মহেন্দ্ৰ শইকীয়াকে উজনি মাজুলী ব্লকৰ সভাপতি বাহাল ৰাখিবলৈ দাবী জনায়।

# কুকুৰমাৰা ৰাজহুৱা খেলপথাৰত ভোগালী বিহু উপলক্ষে খেল-ধেমালি প্ৰতিযোগিতা

**অসম বাৰ্তা, ছয়গাঁও, ১৫ জানুৱাৰী ঃ** ৰাজ্যৰ অন্যতম সামাজিক অনুষ্ঠান 'সৰ্বাঙ্গীণ উন্নতি সংস্থা'ৰ উদ্যোগত চন্দ্ৰানী ঠাকুৰীয়া আৰু পৰিণীতা দাসৰ সহযোগত ভোগালী বিহু উপলক্ষে ১৪ জানুৱাৰীত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। দক্ষিণ কামৰূপৰ কুকুৰমাৰা ৰাজহুৱা খেল পথাৰত অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দীঘল দৌৰ, উঠা বহা, টেকেলী ভঙা, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত বিজয়ী সকলক বঁটা হিচাপে নগদ ধন প্ৰদান কৰে। ল'ৰাৰ দীঘল দৌৰ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ৰোহিণী কুমাৰ চৌধুৰী হাইস্কুলৰ ছাত্ৰ ক্ৰমে নাৰায়ণ দাস, গণেশ দাস আৰু সঞ্জীৱ দাস। প্ৰতিযোগিতাত নিচুকনি বঁটা লাভ কৰে শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ ছাত্ৰ সনত কুমাৰ দাসে। ছোৱালীৰ দীঘল দৌৰ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ৰোহিণী কুমাৰ চৌধুৰী হাইস্কুলৰ ছাত্ৰী ক্ৰমে শিখামণি দাস, নিশিতা দাস আৰু ৰঞ্জু দাসে। উঠা-বহা খেলত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে ৰোহিণী কুমাৰ চৌধুৰী হাইস্কুলৰ ছাত্ৰী ক্ৰমে মিতুমা দাস আৰু সোণালী দাসে। টেকেলী ভঙা খেল প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ৰোহিণী কুমাৰ চৌধুৰী হাইস্কুলৰ দ্বীপ জ্যোতি দাস আৰু দ্বিতীয় স্থান লাভ কৰে কুকুৰমাৰা প্ৰাথমিক বিদ্যালয়ৰ অনুস্মীতা দাস। কবিতা আবৃত্তি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ ছাত্ৰী দৃষ্টি দাস আৰু দ্বিতীয় স্থান লাভ কৰে ৰোহিণী কুমাৰ চৌধুৰী হাইস্কুলৰ ছাত্ৰী সাগৰিকা দাস আৰু প্ৰতিযোগিতাত নিচুকনি বঁটা লাভ কৰে শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ ছাত্ৰী ৰিয়াঞ্চী দাসে। সাংবাদিক ধীৰাজ কুমাৰ দাসে আঁত ধৰা বঁটা বিতৰণী সভাত উদ্যোক্তা চন্দ্ৰানী ঠাকুৰীয়াই বক্তব্য ৰখাৰ লগতে সভাত কুকুৰমাৰা ৰাইজ গয়ৰহৰ সম্পাদক নয়ন কুমাৰ দাসে বক্তৃতা দিয়ে। অনুষ্ঠানত ৰাইজ গয়ৰহৰ সহকাৰী সম্পাদক নাৰায়ণ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক ডাকেশ্বৰ দাস, শিক্ষক পৰশমণি দাস, ফটিক দাস, সমাজকৰ্মী মণ্টু দাস, উদ্যোক্তা বন্দীতা দাস, পৰিণীতা দাস আদি উপস্থিত থাকে।

# মাকুমত প্ৰিণ্টিং প্ৰেছ মুকলি ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলীৰ



**অসম বাৰ্তা, মাকুম, ১৫ জানুৱাৰী ঃ** বহু প্ৰতীক্ষাৰ অন্তত মাকুম চহৰৰ বেতজান পথত উদ্বোধন কৰা হ'ল THE ASSAM PRINTING PRESS। মাকুম অঞ্চলৰ উদ্যমী যুৱক কমল মালীৰ মনৰ একাগ্ৰতাৰ লগতে এক দীৰ্ঘদিনীয়া প্ৰচেষ্টাত মাকুম বা মাকুমৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ বাবে আজি উদ্বোধন কৰা হ'ল THE ASSAM PRINTING PRESS। মাকুম বা মাকুমৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ এটা প্ৰিণ্টিং প্ৰেছৰ দীৰ্ঘদিনীয়া অভাৱ আছিল, যিকোনো ছপা কাৰ্যৰ ক্ষেত্ৰত ৰাইজে মাকুমৰ পৰা অন্য ঠাইলৈ ধন খৰচ কৰি যাবলগীয়া হৈছিল। এই অভাৱৰ বিষয়টোলৈ কমল মালীয়ে চিন্তা চৰ্চা কৰি বেংকৰ পৰা ঋণ আদি লৈ প্ৰিণ্টিং প্ৰেছটো ৰাইজৰ বাবে স্থাপন কৰি আজি আনুষ্ঠানিক ভাৱে সম্পূৰ্ণ নীতি নিয়মেৰে শুভ উদ্বোধন কৰে। আজি THE ASSAM PRINTING PRESSটো ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ মনোজ ধানোৱাৰ, সমাজ সেৱক জীমদাৰ তাঁতী, যুৱ ব্যৱসায়ী কল্যাণ চেতিয়া, কংগ্ৰেছৰ প্ৰাক্তন বিধায়ক দিলীপ মৰাণ প্ৰমুখ্যে মাকুম অঞ্চলৰ গণ্য মান্য ব্যক্তি সকলৰ উপস্থিতিত ফিতা কাটি শুভ উদ্বোধন কৰে ৰাজ্য সভাৰ সাংসদ ৰামেশ্বৰ তেলীয়ে। শুভ উদ্বোধন কৰি সাংসদ গৰাকীৰ লগতে আমন্ত্ৰিত অতিথি সকলে কমল মালীক স্বাৱলম্বীতাৰ ক্ষেত্ৰত আগবঢ়াৰ বাবে শলাগ লোৱাৰ লগতে আশীৰ্বাদ কৰি মাকুম অঞ্চলৰ এটা দীৰ্ঘদিনীয়া অভাৱ পূৰ্ণ হ'ল বুলি মত প্ৰকাশ কৰে। THE ASSAM PRINTING PRESSটো ৰাইজৰ বাবে মুকলি কৰিবলৈ পাই কমল মালীয়ে সকলোকে ধন্যবাদ জনোৱাৰ লগতে অতি সুলভ মূল্যত যি কোনো ধৰণৰ ছপা কাৰ্য এই প্ৰিণ্টিং প্ৰেছটোত ছপা কৰা হ'ব বুলি সংবাদ মাধ্যমৰ জৰিয়তে সকলোলৈ বাৰ্তা প্ৰেৰণ কৰে।

# চাৰিগাঁও জনকল্যাণ সংঘৰ উদ্যোগত ক্ৰীড়া আৰু যুৱ কল্যাণ শাখাৰ সৌজন্যত খেল-ধেমালি প্ৰতিযোগিতা

**অসম বাৰ্তা, যোৰহাট, ১৫ জানুৱাৰী ঃ** চাৰিগাঁও জন কল্যাণ সংঘৰ উদ্যোগত -ক্ৰীড়া আৰু যুৱ কল্যাণ শাখাৰ সৌজন্যত ১৪জানুৱাৰীত চাৰি গাঁও বৰ নামঘৰৰ প্ৰাংগনত এখনি খেল -ধেমালী প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা খনি শুভ উদ্বোধন কৰে সাংবাদিক তথা যুৱ লেখকৰ বঁটা প্ৰাপক সংগীতা বৰাই। উক্ত গুৰুত্বপূৰ্ণ অনুষ্ঠানত পোহৰ লাইভ-৮ৰ মুখ্য সম্পাদক অমৰ বৰুৱা, মধ্য চাৰি গাঁও গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য বুবুল চন্দ্ৰ দত্ত, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক অখিল ৰঞ্জন বৰুৱা, বাহনা মহাবিদ্যালয়ৰ অধ্যাপক মৃদুল দত্ত,জন কল্যাণ সংঘৰ সভাপতি ৰাতুল বৰুৱা, জ্যোতি সংগীত বিদ্যালয়ৰ সভাপতি সঞ্জয় বৰুৱা, যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ কৰ্মচাৰী প্ৰত্যুষ শইকীয়া উপস্থিত থাকি বিহুৰ বতৰত শিশুসকলক খেল-ধেমালিৰ প্ৰতিযোগিতাৰ যোগেদি প্ৰতিভা বিকাশৰ বাবে এনেদৰে এখন উপযুক্ত মঞ্চ দিয়া বাবে উদ্যোক্তামণ্ডলীক ধন্যবাদ জ্ঞাপন কৰি বক্তব্য প্ৰদান কৰে। সমাজকৰ্মী ৰূপকৰঞ্জন দত্তই আত ধৰা সভাত অমৃত ৰঞ্জন বৰুৱা, দীপ দত্ত, অৰুণ দত্ত, দিগন্ত শইকীয়াই বঁটা সমূহ আগবঢ়াই শিশু সকলক প্ৰেৰণা দিয়ে। উক্ত খেলসমূহ পৰিচালক হিচাপে উপস্থিত থাকি পৰিচালনা কৰে জ্যেষ্ঠ সফল খেলুৱৈ অনন্ত কলিতাই। এই খেল-ধেমালী প্ৰতিযোগিতাখনিত এশতকৈ অধিক প্ৰতিযোগীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

## পুনৰ বিজেপি চৰকাৰ হ'লে

আঁচনিৰ অধিনত ১০ হেজাৰ টকাৰ চেক বিতৰণ কৰে। ৰাজ্যৰ মহিলাসকলক আৰ্থিকভাৱে শক্তিশালী আৰু স্বাৱলম্বী কৰি লাখপতি বাইদেউ গঢ়াৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে আত্ম সহায়ক গোটৰ মহিলাসকলক উপযুক্ত সন্মান আৰু উৎসাহ যোগাই তোলাৰ উদ্দেশ্যে আজিৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকি ভাষণত বিজনী বিধানসভা সমষ্টিৰ ৩০, ৬৮০ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰি গোটেই অসমত ৩২ লাখ মহিলাক এই আঁচনিৰ চেক দিয়া হ'ব বুলি মন্তব্য কৰে। তেওঁ কয় যে দহ হেজাৰ ললেই নহ'ব লাখপতি বাইদেউ হ'ব লাগিব। মহিলাসকলক এই টকাৰে মোবাইল, কাপোৰ নিকিনি সৎ কামত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে আগতে আমাৰ অসমত কোনো আঁচনি নাছিল, আমি দহ হেজাৰ টকা দিলোঁ, ফেব্ৰুৱাৰীত অৰুণোদয় আঁচনিৰ আঠ হেজাৰ টকা একেলগে দিম, বিনা পইচাত চাউল দিলোঁ, ঘৰে ঘৰে চৰকাৰী ঘৰ দিলোঁ, এশ টকাত নিমখ, চেনি, দালি দিলোঁ, এইবাৰ বিজেপিক জিকাই দিয়ক চেনি, দালি, নিমখ, মিঠাতেল সব ফ্ৰী কৰি দিম। ঘৰ নোপোৱা মহিলাবিলাকেও চৰকাৰী ঘৰ পাব। বিজনীত আৰু দুই হেজাৰ অৰুণোদয় দি যাম। ছোৱালী বিলাকৰ পঢ়াৰ খৰচ বিনামূলীয়া পাব, এতিয়া লৰাৰ খৰচো বিনামূলীয়া হ'ব আৰু বেমাৰ হলে মাহত পাঁচ লাখ টকাৰ চিকিৎসা পাব। থকা, খোৱা, চিকিৎসা, পঢ়া সকলো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিছে। হাগ্ৰামা মহিলাৰিয়েও তেখেতে দিয়া প্ৰতিশ্ৰুতি সমূহ পুৰণ কৰিব। ১৭ তাৰিখে প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব, এঘাৰ হেজাৰ বড়ো ভাইটি ভণ্টিয়ে একেলগে বাগুৰুম্বা নাচিব। এনেকুৱা কাম কেতিয়াও হোৱা নাছিল। আগতে বিহু, ঝুমুৰ হৈছিলে এইবাৰ বাগুৰুম্বা হব। ইমানবোৰ কাম হৈ আছে, অসমখন আগবাঢ়ি গৈ আছে। ইফালে সংবাদ মাধ্যমৰ আগত কংগ্ৰেছক সমালোচনা কৰি কয় যে কংগ্ৰেছৰ ছচিয়েল মিডিয়া যিয়ে চলাই তেওঁলোকৰ অসমীয়া সংস্কৃতিৰ লগত পৰিচয় নাই। কাৰোবাক নিশ্চয় হেণ্ডেলটো ভাৰা দিছে। ভেলাঘৰৰ মেজি আৰু বিল্ডিং এটা জলোৱা ফটো তাৰ মাজত বহুত পাৰ্থক্য আছে। ভেলাঘৰত আমি জুই জ্বলাও যাতে জুয়ে অন্ধকাৰ নাশি পোহৰ আনে। মানুহৰ ঘৰত হিংসাত আমি বিল্ডিং জ্বলাও যাতে সেই ঘৰখন ধ্বংস হৈ যায়। বিহুৰ দিনাখন কোনেও কাৰো বেয়া কথা চিন্তা নকৰে। তেওঁলোকে অসমীয়া সংস্কৃতি নাজানে কাৰণে এইবিলাক কাম কৰে আৰু মানুহৰ পৰা আঁতৰি যায়। আনহাতে '২৬ৰ নিৰ্বাচনত বিটিচি সম্পৰ্কত কয় যে বিটিচি নিৰ্বাচন আমাৰ ভাল হোৱা নাই, গতিকে মই এতিয়ালৈ ইমান চিন্তা কৰা নাই। সেইকাৰণে বহুত বেছি উৎসাহিত নহয়, আমাৰ মিত্ৰদল আছে আলোচনা কৰি যি কেইটাত পাৰো সেইকেইটাত আমি প্ৰতিদ্বন্দ্বিতা কৰিম। জুবিন গাৰ্গৰ তদন্ত সম্পৰ্কত কৰ্টৰ কথাত পলিটিকেল নোসোমোৱা ভাল বুলি কয় মুখ্যমন্ত্ৰীয়ে। ইফালে আজিৰ সভাত বিবিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী উপস্থিত থাকি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি খুউব ভাল আঁচনি বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। তেওঁ কয় যে এই আঁচনিৰ দ্বাৰাই বিটিচিৰ আইমাতৃসকল উপকৃত হ'ব। তেওঁ লগতে কয় যে ২০২৬ত বিধানসভা নিৰ্বাচন হ'ব, আমি জিকিম, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হৈ থাকিব। আজিৰ দিনত বিজেপিৰ বিকল্প প্ৰাৰ্থী নাই। মুঠতে এনডিএ হিচাপে আমিয়েই চৰকাৰ গঠন কৰিম। ইউপিপিএল এনডিএত থাকে নে নেথাকে সেইটো তেওঁলোকৰ কথা। বিটিচিৰ১৫টা সমষ্টিৰ ১৫ টাই উঠাই লৈ যোৱাটো আমাৰ দায়িত্ব। চেক বিতৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী, সাংসদ জয়ন্ত বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰী, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায় বিটিচিৰ পাৰিষদক্ৰমে জেমছ বসুমাতাৰী, ধনঞ্জয় বসুমাতাৰী, খুলিলুৰ ৰহমান, জিলা আয়ুক্ত যতীন বৰা, বিজেপিৰ যুৱনেতা অৰূপ কুমাৰ নাথসহ কেবাজনো বিশিষ্ট অতিথি উপস্থিত থাকে।

## ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰাই

উলহ-মালহেৰে উদ্‌যাপন কৰে নিষিদ্ধ ঘোষিত সংগঠন আলফা(স্বাধীন)-এ। ভোগৰ উৎসৱ ভোগালী বিহুৰ উৰুকাৰ মেজি জ্বলাই দেশপ্ৰেমমূলক বিহুগীত গাই সংগঠনটোৰ শতাধিক নেতা-কেডাৰে। উৰুকাৰ বাবে চলোৱা প্ৰস্তুতিৰ এক ভিডিঅ' সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা সংগঠনটোৱে উক্ত ভিডিঅ'ত ধান খেতিৰ পৰা আৰম্ভ কৰি শাক-পাচলি, হাঁহ-কুকুৰা, গাহৰি পালন কৰাৰ লগতে মেজিৰ বাবে জংঘলৰ পৰা গছ কাটি অনা, পিঠা-পনা তৈয়াৰ কৰাৰ দৃশ্যও অৱতাৰণা কৰে। কাঠৰ সুউচ্চ মেজিত উৰুকাৰ পুৱা ৰীতি-নীতি অনুসৰি অগ্নি সংযোগ কৰি অসমীয়াৰ জাতীয় জীৱনৰ তথা মৰমৰ উছৱ হেঁপাহৰ ভোগালী বিহুক সংগঠনটোৰ এটা শিবিৰত উলহ-মালেহেৰে পালন কৰা ভিডিঅ' সংবাদ মাধ্যমত প্ৰচাৰ হোৱাত তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত কৰ্দৈগুৰি বিষ্ণুপুৰ গাঁৱত এক বিশেষ পৰিৱেশৰ সূচনা হয়। কাৰণ গাঁওখনৰ প্ৰয়াত নবীন মহন্তৰ জ্যেষ্ঠ সন্তান ডিফুল মহন্ত(৩৫)ই ২০২৪ চনৰ ভোগালীৰ উৰুকাৰ দিনাই ওলাই যোৱাৰ পিছৰে পৰাই পৰিয়ালৰ সৈতে কোনো যোগাযোগ ৰখা নাই। আলফা স্বাধীনত যোগদান কৰা ডিফুলক পৰিয়ালৰ লোকে পৰৱৰ্তী সময়ত অৰ্থাৎ যোৱাবাৰৰ মাঘ বিহুত সংগঠনটোৰ ম্যানমাৰস্থিত এটা কেম্পত ভোগালী বিহু উদযাপন কৰা এক ভিডিঅ' সংবাদ মাধ্যম প্ৰচাৰ হোৱাত ডিফুলক ৰিণিকি ৰিণিকি দেখিবলৈ পাইছিল যদিও এইবাৰৰ ভিডিঅ'ত ডিফুলক সম্পূৰ্ণৰূপে দেখিবলৈ পোৱাত পৰিয়ালটোত সম্প্ৰতি একপ্ৰকাৰ দুখৰ বন্যা বৈছে। কাৰণ উচ্চ শিক্ষিত ডিফুল মহন্তই চৰম হতাশাত ভুগিয়েই ৰুগীয়া পিতৃৰ লগতে মাতৃ আৰু পৰিয়ালৰ লোকক দুখৰ সাগৰত পেলাই বুকুত স্বাধীন অসমৰ সপোন বান্ধি অৰণ্যলৈ গমন কৰিছিল। পেৰালাইছিছত ভুগি থকা ৰুগীয়া পিতৃক চিকিৎসাধীন অৱস্থাতে এৰি আলফা স্বাধীনত যোগদানৰ উদ্দেশ্যেৰে ওলাই যোৱা ডিফুলৰ ৰুগীয়া পিতৃৰ ইতিমধ্যে মৃত্যু ঘটিছে। ঘৰত মানুহ বুলিবলৈ মাক আৰু ভায়েক-বোৱাৰী। ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহিবলৈ দুৰ্ভগীয়া মাতৃয়ে কাতৰ আহবান জনোৱাৰ লগতে এইক্ষেত্ৰত পৰেশ অসমকো কৰযোৰে কাতৰ আহবান জনাইছে ডিফুলক ঘৰলৈ ঘূৰাই পঠাবলৈ। মাতৃয়ে লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈও আহবান জনাই যাতে ডাঙৰ ল'ৰা ডিফুলক ঘৰলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰে।

## পুনৰ আত্ম-সমৰ্পণ আন

পৰা চৰাইদেউ আৰক্ষীক হস্তান্তৰ কৰে। আজি তিনিচুকীয়াৰ আৰক্ষীয়ে নিজৰ জিম্মাত লোৱা সম্ভাৱনা আছে। অমৰজিৎ তিনিচুকীয়া জিলাৰ পেঙেৰী থানাৰ অন্তৰ্গত ১নং নলনি গাঁৱৰ পৱন মৰাণ আৰু চুপহী মৰাণৰ কনিষ্ঠ পুত্ৰ। অমৰজিতে ২১ বছৰ বয়সত একে গাঁৱৰে প্ৰয়াত ৰগেশ্বৰ মৰাণ আৰু প্ৰমিলা মৰাণৰ পুত্ৰ ১৯ বছৰীয়া সমীৰণ মৰাণৰ স'তে ২০ নৱেম্বৰ, ২০২৩ তাৰিখে পুৱা প্ৰায় ১০ বজাত ঘৰৰ পৰা মাৰ্ঘেৰিটাৰ লিডুলৈ কয়লাৰ কাম কৰিবলৈ বুলি ওলাই গৈ অৱশেষত আলফাত যোগ দিছিল। অতি অমায়িক আৰু তীক্ষ্ণ ছাত্ৰ অমৰজিৎ মৰাণৰ আত্মসমৰ্পণে আপোন ঘৰখনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখ্য যে, ১ নং নলনি গাঁও নিৱাসী প্ৰয়াত পুলেশ্বৰ মৰাণ আৰু নদেন মৰাণৰ দুই নাবালক পুত্ৰ ক্ৰমে ঋতুৰাজ মৰাণ (১৭) আৰু মণ্টু মৰাণ ওৰফে ক'লাঙো (১৬) ৪ ডিচেম্বৰ, ২০১৮ ত আলফা (স্বাঃ) ত যোগদান কৰিছিল যদিও মণ্টু ওৰফে ক'লাঙে ৩ নৱেম্বৰ, ২০২৩ চনত আৰু ঋতুৰাজ মৰাণে যোৱা ২৩ নৱেম্বৰ, ২০২৫ তাৰিখে অৰুণোদয় অসমৰ স'তে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। অমৰজিৎ মৰাণ আলফা কেডাৰ ঋতুৰাজৰ বৰদেউতাকৰ পুত্ৰ। ইফালে, ২ নং নলনি গাঁৱৰ ৰহেন মৰাণৰ পুত্ৰ পলাশ মৰাণে ২ নৱেম্বৰ, ২০২৩ তাৰিখে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। অমৰজিতৰ আত্মসমৰ্পণৰ পাছত নলনি গাঁৱৰ পৰা আলফাত যোগ দিয়া আলফা কেডাৰ সকলৰ অৱশিষ্ট থাকিলগৈ সমীৰণ মৰাণ।

## প্ৰান্তিক যুগৰ দ্ৰষ্টাৰ জীৱন

ছাঁ পৰিছে। ৮৭ বছৰ বয়সত বাৰ্ধক্যজনিত ৰোগত ভুগি তেখেতে ১৪ জানুৱাৰীৰ সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। বৰুৱাৰ নশ্বৰদেহ বৃহস্পতিবাৰে পুৱা চান্দমাৰীস্থিত নিজ বাসগৃহলৈ অনা হয়। ঘৰতে বহুসংখ্যক গুণমুগ্ধ, শুভাকাংক্ষী, সাহিত্যিক আৰু সাংবাদিকে তেখেতৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। পিছত দিনৰ ভাগত নৱগ্ৰহ শ্মশানলৈ লৈ যোৱা হয় আৰু তাতেই তেখেতৰ শেষকৃত্য সম্পন্ন হয়। কন্যা ৰশ্মিৰেখা বৰুৱাই মুখাগ্নি কৰি পঞ্চভূতত বিলীন কৰে পিতৃৰ নশ্বৰদেহ। পৰিয়ালৰ সূত্ৰ অনুসৰি, ২৯ ডিচেম্বৰত তেখেতক হাস্পতাললৈ লৈ যোৱা হৈছিল। ৩০ ডিচেম্বৰত অস্ত্ৰোপচাৰ কৰা হয়। অস্ত্ৰোপচাৰৰ কেইদিনমান পিছতে সংক্ৰমণ হোৱাত উশাহ লোৱাত অসুবিধা হৈছিল। ১৪ জানুৱাৰীৰ পুৱাৰ পৰা ৰক্তচাপ বহু পৰিমাণে হ্ৰাস পায় আৰু সন্ধিয়া প্ৰায় ৭: ২৭ বজাত হৃদৰোগত আক্ৰান্ত হৈ তেখেতে প্ৰয়াণ কৰে। প্ৰদীপ বৰুৱাৰ জন্ম হৈছিল ১৯৩৮ চনৰ ৩ ছেপ্টেম্বৰত ডিব্ৰুগড়ত। তেখেত আছিল অসমৰ প্ৰখ্যাত সংবাদ গোষ্ঠী আছাম ট্ৰিবিউন গ্ৰুপৰ প্ৰতিষ্ঠাতা সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ কনিষ্ঠ পুত্ৰ। ডিব্ৰুগড়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ পিছত গুৱাহাটীলৈ আহি ডনবস্কো স্কুলৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰে। কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত পৰিয়ালৰ বাতৰি কাকত আৰু ছপাশালৰ ব্যৱসায়ত জড়িত হয়। ১৯৮১ চনত পিতৃৰ প্ৰতিষ্ঠিত আছাম ট্ৰিবিউন গ্ৰুপৰ পৰা আঁতৰি আহি নিজা পৰিচয়েৰে অসমীয়া ভাষা, সাহিত্য আৰু সমাজৰ সেৱাৰ উদ্দেশ্যেৰে প্ৰদীপ বৰুৱাই আৰম্ভ কৰে 'প্ৰান্তিক' নামৰ আলোচনীখন। প্ৰথম সম্পাদক হিচাপে বিশিষ্ট সাহিত্যিক ভবেন্দ্ৰ নাথ শইকীয়াই দায়িত্ব গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত প্ৰদীপ বৰুৱাই নিজেই সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি চাৰি দশকৰো অধিক সময় ধৰি এই আলোচনীক অসমীয়া সাহিত্য আৰু বৌদ্ধিক আন্দোলনৰ এক অন্যতম মূল ভিত্তি হিচাপে গঢ়ি তুলিছিল। 'প্ৰান্তিক'ই অসমীয়া সাহিত্যত নতুন লেখকক উৎসাহিত কৰাৰ লগতে সমাজৰ বিভিন্ন বিষয়ত গভীৰ আলোচনাৰ মঞ্চ প্ৰদান কৰিছিল। তেখেতৰ মৃত্যুৰ পিছত বহু বিশিষ্ট ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে। ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে, "এই বছৰতে আমি প্ৰদীপ বৰুৱা ডাঙৰীয়াক হেৰুৱালোঁ। অসমৰ বৌদ্ধিক জগতত তেখেতে সমুখৰ পৰা নেতৃত্ব দিছিল। নিৰ্ভীকভাৱে, যুক্তিনিষ্ঠভাৱে জাতীয় জীৱনক আগুৱাই নিবলৈ বাট দেখুৱাইছিল। অসমৰ প্ৰতিটো সংকটৰ সময়ত বৌদ্ধিক চিন্তাৰে বাট দেখুৱাইছিল।" প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে কয়, " 'প্ৰান্তিক' এটা সময়ত প্ৰত্যেকৰে হৃদয়ত স্থান পোৱা আলোচনী আছিল। তেখেতৰ দৰে মৃদুভাষী, অভিজাত সত্তা আমি হেৰুৱালোঁ।" বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে শোক প্ৰকাশ কৰি কয়, "সংবাদ-সাহিত্য ক্ষেত্ৰত জ্ঞানী আৰু ভদ্ৰলোক একেলগে কমেই পোৱা যায়। তেখেতে মোক ককায়েকৰ দৰে নিৰ্দেশনা দিছিল। 'প্ৰান্তিক'ৰ জৰিয়তে এটা যুগ সৃষ্টি কৰি থৈ গৈছে।" প্ৰদীপ বৰুৱাই অসমীয়া ভাষা-সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰত অমৰ অৱদান আগবঢ়াই গৈছে। তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰোঁ।

## ৰেজাউল কৰিম সৰকাৰক

তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ সাহস গৌৰৱ গগৈৰ নাছিল। মুখ্যমন্ত্ৰীয়ে কয় যে, "ৰেজাউল কৰিম চৰকাৰৰ পদত্যাগ দ্বিতীয়স্তৰৰ ব্যৱস্থা। মূল কথা এই যে এপিচিচি সভাপতি গৌৰৱ গগৈয়ে প্ৰথমেই তেওঁক পাৰ্টীৰ পৰা বহিষ্কাৰ কৰিব লাগিছিল। এতিয়া তেওঁ পদত্যাগ কৰিছে, যাৰবাবে তেওঁ বেছি হিৰো হৈ গৈছে। পূৰ্বে তেওঁ কৈছিল যে শিৱসাগৰক ধুবুৰীত পৰিণত কৰিম। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে তেওঁক পাৰ্টীৰ পৰা বহিষ্কাৰ কৰিব লাগিছিল, কিন্তু তেওঁ এনে কৰিবলৈ নোৱাৰিলে। আমি বিচাৰিছিলোঁ যে তেওঁক বহিষ্কাৰ কৰা হ'ব, কিন্তু গৌৰৱ গগৈৰ সাহস নাছিল।" শৰ্মাৰ এই মন্তব্যই অসম কংগ্ৰেছত পাৰ্টী ৰীতিনীতিৰ সম্পৰ্কে চলি থকা উদ্বেগসমূহক পুনৰ সোঁৱৰাই দিছে, বিশেষকৈ নেতাসকলৰ বিবাদাস্পদ বক্তব্য আৰু কাৰ্যকলাপৰ প্ৰসংগত। ৰেজাউল কৰিম চৰকাৰৰ কমসময়ৰ কাৰ্যকালে ৰাজনৈতিক বিতৰ্ক সৃষ্টি কৰিছে আৰু এপিচিচিৰ নেতৃত্বৰ দ্বাৰা অপৰিপক্ক ব্যৱস্থাপনাৰ পদ্ধতিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। জানুৱাৰী ১৪, ২০২৬ তাৰিখে, কংগ্ৰেছ পাৰ্টীত যোগদান কৰাৰ মাত্ৰ ৬০ ঘণ্টাৰ পিছত ৰেজাউল কৰিম চৰকাৰে কংগ্ৰেছৰ পৰা পদত্যাগ কৰিছে। গৌৰৱ গগৈক লিখা পদত্যাগ পত্ৰত চৰকাৰে নৈতিক মতভেদ"ৰ কথা উল্লেখ কৰিছে। তেওঁ পাৰ্টীৰ নেতা দেৱব্ৰত শইকীয়া আৰু নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ নাম লৈছে আৰু কৈছে এইসকল "বিজেপিৰ এজেণ্ট" যিসকলে পাৰ্টীক ভিতৰৰ পৰা দুৰ্বল কৰিছে। চৰকাৰে কৈছে যে এই নেতাসকলৰ আচৰণে তেওঁক নিৰুৎসাহিত কৰিছে, তেওঁৰ সামাজিক ভাবমূৰ্তি নষ্ট কৰিছে আৰু পাৰ্টীত থকা অসম্ভৱ হৈ পৰিছে। কংগ্ৰেছত চৰকাৰৰ সংক্ষিপ্ত কাৰ্যকালে বহুতো ত্ৰুটিক প্ৰকাশ কৰিছে: যোগদানৰ পূৰ্বে তদন্তৰ অভাৱ, সামাজিক যোগাযোগত পৰ্যাপ্ত নিৰ্দেশনাৰ অভাৱ আৰু সংবেদনশীল বক্তব্যসমূহ ব্যৱস্থাপনাত অভ্যন্তৰীণ সমন্বয়ৰ অভাৱ। চৰকাৰৰ বক্তব্য, পাৰ্টীৰ দ্বাৰা পলমকৈ প্ৰতিক্ৰিয়া আৰু অভ্যন্তৰীণ মতভেদসমূহে নিৰ্বাচনৰ পূৰ্বে সংখ্যালঘু যুৱ নেতাসকলক সংযোগ কৰাৰ কংগ্ৰেছৰ কৌশলত প্ৰশ্নচিহ্ন লগাই দিছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত

পৰিমাণৰ সুৰাপান কৰিছিল আৰু লাইফ জেকেট পৰিধান কৰা নাছিল, যাৰ ফলত তেওঁ ডুবি মৃত্যুবৰণ কৰে। এই প্ৰতিবেদন প্ৰকাশৰ পিছতে জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমত প্ৰথমবাৰৰ বাবে বিস্তৃত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পৰিয়ালৰ অৱস্থান স্পষ্ট কৰিছে। গৰিমাই তেওঁৰ দীঘলীয়া পোষ্টত জুবিন গাৰ্গৰ মৃত্যুক কেৱল ব্যক্তিগত ক্ষতি বুলি নহয়, অসমৰ এক ডাঙৰ ক্ষতি বুলি অভিহিত কৰিছে। তেওঁ লিখিছে যে, ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত জুবিনক হেৰুৱাৰ পৰা পৰিয়ালটো গভীৰ শোক আৰু শ্বকত ভাগি পৰিছে। প্ৰথমতে এই মৃত্যুক স্বাভাৱিক বুলি ভবা হৈছিল যদিও ছ'চিয়েল মিডিয়াত প্ৰচাৰিত য়টৰ ভিডিঅ' দেখাৰ পিছতহে পৰিয়ালৰ সন্দেহ জাগ্ৰত হয়। তেতিয়াহে তেওঁলোকে আইনী পদক্ষেপ গ্ৰহণ কৰে। গৰিমাই উল্লেখ কৰিছে যে ছিংগাপুৰ আৰক্ষীয়ে নিজাববীয়াকৈ (Suo Motu) তদন্ত আৰম্ভ কৰিছিল আৰু ভাৰতীয় উচ্চায়ুক্তৰ জৰিয়তে মৰণোত্তৰ পৰীক্ষাৰ সকলো প্ৰক্ৰিয়া সমন্বয় কৰা হৈছিল। পৰিয়ালে ছিংগাপুৰ আৰক্ষীক সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল যদিও তদন্তৰ স্বাৰ্থত সকলো তথ্য সামাজিক মাধ্যমত প্ৰকাশ কৰা নাছিল। তেওঁ আৰু উল্লেখ কৰিছে যে: অসমত চি আই ডিত এফ আই আৰ দাখিল কৰা হৈছিল, অসম চৰকাৰে বিশেষ তদন্তকাৰী দল (SIT) গঠন কৰিছিল, এই দলৰ এটা অংশ ছিংগাপুৰলৈ যাত্ৰা কৰিছিল, ২৫০০ৰো অধিক পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰি হত্যাৰ সন্দেহযুক্ত ধাৰাসমূহ আৰোপ কৰা হৈছে। ২০২৬ চনৰ ১৪ জানুৱাৰীত অনুষ্ঠিত ক'ৰ'নাৰ্চ আদালতৰ শুনানিত পৰিয়ালৰ জ্যেষ্ঠ সদস্য মনোজ কুমাৰ বৰঠাকুৰে (খুড়া) উপস্থিত থাকি বিস্তৃত বিবৃতি দাখিল কৰে। ইয়াত জুবিনৰ সেইদিনৰ আউটিঙৰ পৰিকল্পনা, শাৰীৰিক অৱস্থা, য়টত সুৰক্ষাৰ ব্যৱস্থা, সাগৰত প্ৰৱেশৰ পৰিস্থিতি, চিকিৎসা সাহায্যৰ সময় আৰু পৰ্যাপ্ততা, ভিডিঅ'ত দেখা পোৱা গাফিলতি আদি বিষয়সমূহৰ ওপৰত নিৰ্দিষ্ট প্ৰশ্ন উত্থাপন কৰা হৈছে। গৰিমাই ভাৰত চৰকাৰ আৰু অসম চৰকাৰলৈ শ্ৰদ্ধাৰে আহ্বান জনাইছে যে: ছিংগাপুৰৰ আদালতত সৰ্বোচ্চ পৰ্যায়ৰ পৰ্যবেক্ষণ কৰক, প্ৰতিটো প্ৰাসংগিক তথ্য আদালতৰ সন্মুখত উপস্থাপনৰ বাবে প্ৰয়োজনীয় কূটনৈতিক আৰু আইনী পদক্ষেপ গ্ৰহণ কৰক, ইতিমধ্যে দাখিল কৰা অভিযোগনামাৰ ভিত্তিত ভাৰতত ক্ষিপ্ৰ আৰু ফলপ্ৰসু গোচৰ চলাওক, কোনো গাফিলতি নহওক। "জুবিন কেৱল আমাৰ পৰিয়ালৰ সদস্য নাছিল। তেওঁ অসমৰ আছিল। তেওঁ ইয়াৰ মানুহ, ইয়াৰ সংগীত আৰু ইয়াৰ আৱেগিক স্মৃতিৰ অন্তৰ্গত আছিল।" গৰিমাই এই কথাৰে লিখি শেষ কৰিছে যে পৰিয়ালে সকলো বৈধ আইনী পথ অন্বেষণ কৰিব আৰু সমগ্ৰ সত্য উন্মোচনৰ লগতে দোষীক সৰ্বোচ্চ শাস্তি দিয়াৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিব। এই ঘটনাই অসমৰ লাখ লাখ অনুৰাগীৰ মনত গভীৰ যন্ত্ৰণাৰ সৃষ্টি কৰিছে। সকলোৱে এতিয়া ন্যায়ৰ অপেক্ষাত আছে।

## '২৬ৰ বিধানসভা নিৰ্বাচন

প্ৰধান বিৰোধী দল ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছে এইবাৰ বিশেষ কৌশলৰে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'বলৈ সাজু হৈছে। দলটোৱে প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়াক সম্পূৰ্ণ স্বচ্ছ কৰি তুলিবলৈ প্ৰিয়ংকা গান্ধীক স্ক্ৰীনিং কমিটিৰ সভাপতি হিচাপে নিযুক্তি দিছে। এয়া উল্লেখনীয় যে গান্ধী পৰিয়ালৰ কোনো সদস্যই প্ৰথমবাৰৰ বাবে কোনো ৰাজ্যৰ স্ক্ৰীনিং কমিটিৰ নেতৃত্ব গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে কংগ্ৰেছে নিৰ্বাচনী প্ৰক্ৰিয়াক অধিক বিশ্বাসযোগ্য আৰু নিৰপেক্ষ কৰি তুলিব বিচাৰিছে। নিৰ্বাচনী ৰণনীতিক অধিক শক্তিশালী কৰিবলৈ দলটোৱে ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলক মুখ্য পৰ্যবেক্ষক আৰু কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি.কে. শিৱকুমাৰক পৰ্যবেক্ষক হিচাপে নিযুক্ত কৰিছে। প্ৰভাৰী দীপা দাস মুন্সীৰ লগতে এই নেতাসকলে ৰাজ্যত দলৰ কাৰ্যকলাপ তদাৰক কৰিব। সূত্ৰ অনুসৰি, শুকুৰবাৰে দিল্লীত কংগ্ৰেছৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব পাৰে। এই বৈঠকত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কে.চি. বেণুগোপাল আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈকে ধৰি অন্যান্য জ্যেষ্ঠ নেতৃত্ব উপস্থিত থাকিব। বৈঠকত আগন্তুক নিৰ্বাচনৰ ৰণনীতি, সংগঠনৰ অৱস্থা আৰু শাসক দলৰ বিৰুদ্ধে প্ৰচাৰৰ কৌশল নিৰ্ধাৰণ কৰা হ'ব বুলি আশংকা কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক মুখ্যমন্ত্ৰী পদৰ সম্ভাব্য মুখ হিচাপে প্ৰক্ষেপ কৰাৰ সম্ভাৱনা প্ৰবল। প্ৰথমবাৰৰ বাবে গৌৰৱ গগৈয়ে দলৰ প্ৰত্যক্ষ নেতৃত্বত নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ সাজু। ইতিমধ্যে দলৰ ভিতৰত আৰু বাহিৰত তেওঁক মুখ্যমন্ত্ৰীৰ মুখ হিচাপে গ্ৰহণ কৰা হৈছে। বিৰোধী মিত্ৰজোঁট গঠনতো গৌৰৱ গগৈৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হ'ব। শেহতীয়াকৈ গৌৰৱ গগৈয়ে বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰক তীব্ৰ সমালোচনা কৰি 'স্বেচ্ছাচাৰী চৰকাৰ' বুলি আখ্যা দিছে। তেওঁ আগন্তুক নিৰ্বাচনক 'শাসক দল আৰু জনতাৰ মাজৰ যুঁজ' বুলি অভিহিত কৰিছে। এই ধাৰণাৰ জৰিয়তে তেওঁ জনসাধাৰণক কিমানদূৰ আকৰ্ষণ কৰিব পাৰে, সেয়া সময়তহে প্ৰকাশ পাব। কংগ্ৰেছে ৰাষ্ট্ৰীয় নেতৃত্বৰ নিৰীক্ষণত তৃণমূল পৰ্যায়লৈকে নিৰ্বাচনী কৌশল কাৰ্যকৰী কৰাৰ পৰিকল্পনা কৰিছে। ১২৬টা আসনৰ ভিতৰত কংগ্ৰেছে প্ৰায় ১০০টা আসনত প্ৰত্যক্ষভাৱে প্ৰতিদ্বন্দ্বিতা কৰাৰ ইংগিত দিছে, বাকী আসনসমূহ মিত্ৰ দলসমূহৰ বাবে এৰি দিয়াৰ সম্ভাৱনা আছে। এই সকলো পদক্ষেপৰ জৰিয়তে কংগ্ৰেছে অসমত পুনৰ শক্তিশালী প্ৰত্যাৱৰ্তনৰ লক্ষ্য ৰাখিছে, য'ত বিজেপিৰ বিৰুদ্ধে একত্ৰিত বিৰোধী শক্তিৰ ভূমিকা অতি নিৰ্ণায়ক হ'ব।

## অভ্যন্তৰীণ বিদ্ৰোহৰ

কৰিছে যে দলৰ ভিতৰতে কিছুমান নেতাই 'ঘৰশত্ৰু বিভীষণ'ৰ দৰে আচৰণ কৰি গৌৰৱ গগৈৰ বিৰুদ্ধে শক্তিশালী চক্ৰবেহু ৰচনা কৰি আছে। শ্বেৰমান আলীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা পোষ্টত লিখিছে, "ৰাৱণৰ সোণৰ লংকা ঘৰশত্ৰু বিভীষণৰ বাবেহে ধ্বংস হৈছিল। কংগ্ৰেছতো ঘৰশত্ৰু বিভীষণৰ দৰে গৌৰৱ গগৈৰ বিৰুদ্ধে একাংশ নেতাই শক্তিশালী চক্ৰবেহু ৰচনা কৰি আছে। আপুনি এই চক্ৰবেহু ফালি ওলাই আহিব পাৰিব নেকি, নে নাই- এয়া সময়ে ক'ব। দুষ্টক দমন কৰিবলৈ বজ্ৰকঠোৰ হোৱাৰ সময় আহি পৰিছে।" শ্বেৰমান আলীয়ে স্পষ্টভাৱে অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ নাম লৈ তীব্ৰ সমালোচনা কৰিছে। তেওঁ দেৱব্ৰত শইকীয়াক লক্ষ্য কৰি উল্লেখ কৰিছে যে চি বি আই আদালতত LOC কেলেংকাৰী সন্দৰ্ভত ১২০B আৰু ৪২০ ধাৰাৰ অধীনত গোচৰ ৰুজু হৈ আছে বুলি অভিযোগ উত্থাপন কৰিছে। তেওঁ প্ৰশ্ন উত্থাপন কৰিছে— "হিমন্ত বিশ্ব শৰ্মাৰ দৰে স্বৈৰাচাৰী শাসকৰ আমোলতো আপুনি কি যাদু-মন্ত্ৰৰ বলত বিৰোধী দলপতি হৈয়ো মুক্ত বিচৰণ কৰি আছে?" একেদৰে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈক 'মৌন বাবা' বুলি কটাক্ষ কৰি শ্বেৰমান আলীয়ে কয় যে, "যি জনগোষ্ঠীৰ ৮০ শতাংশ ভোট লাভ কৰি আপুনি সাংসদ হৈছে, সেই জনগোষ্ঠীৰ জাতীয় সংগঠনৰ সভাপতিক চিনি নোপোৱা বুলি মিডিয়াত কোৱা দেখিলোঁ। নিৰ্বাচনৰ সময়ত সংখ্যালঘু জনতাৰ আগত ঘঁৰিয়ালৰ চকুপানী টোকা দেখুৱাইছিল, কিন্তু নিৰ্বাচনৰ পিছত তেওঁলোকৰ দুৰ্যোগৰ সময়ত মৌনবাবা হৈ থাকে। জাগীৰোডৰ উচ্ছেদ বা বাংলাদেশীৰ নামত ভাৰতীয় নাগৰিকৰ নিৰ্যাতনৰ ক্ষেত্ৰতো একেই নীতি। Thus far and no further."এই ঘটনাই অসম কংগ্ৰেছৰ অভ্যন্তৰীণ অস্থিৰতাক আৰু স্পষ্ট কৰি তুলিছে, বিশেষকৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে দলটোৰ বাবে এয়া এক গুৰুতৰ প্ৰত্যাহ্বান হিচাপে দেখা দিছে।

## ৭৫খন দেশৰ ভিছা

অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰাখিছে। এই সিদ্ধান্ত ২০২৬ চনৰ ২১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হ'ব। ট্ৰাম্প প্ৰশাসনে এই ব্যৱস্থাক আমেৰিকাৰ জনসাধাৰণৰ সম্পদৰ অপব্যৱহাৰ ৰোধ কৰাৰ এক প্ৰচেষ্টা বুলি বৰ্ণনা কৰিছে। আমেৰিকাৰ ইমিগ্ৰেচন আইনৰ অধীনত থকা 'পাব্লিক চাৰ্জ' বিধান অনুসৰি, যিসকল আবেদনকাৰীৰ আমেৰিকাত ৰাজহুৱা সুবিধা (যেনে কল্যাণমূলক সাহায্য, চিকিৎসা, খাদ্য সাহায্য আদি)ৰ ওপৰত নিৰ্ভৰ কৰাৰ সম্ভাৱনা বেছি বুলি বিবেচিত হয়, তেওঁলোকক ভিছা প্ৰদান কৰা নহয়। ২০২৫ চনৰ নৱেম্বৰ মাহত ষ্টেট ডিপাৰ্টমেণ্টে বিশ্বজুৰি থকা দূতাবাসসমূহলৈ এখন কেবল (অভ্যন্তৰীণ নিৰ্দেশনা) প্ৰেৰণ কৰিছিল, য'ত কনছুলাৰ বিষয়াসকলক নতুন আৰু কঠোৰ স্ক্ৰীনিং নিয়ম প্ৰয়োগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। এই নিয়মসমূহত আবেদনকাৰীৰ স্বাস্থ্য, বয়স, ইংৰাজী ভাষাৰ দক্ষতা, আৰ্থিক অৱস্থা, দীৰ্ঘম্যাদী চিকিৎসাৰ প্ৰয়োজনীয়তা আদি কেইবাটাও কাৰক বিবেচনা কৰা হয়। এই পদক্ষেপৰ ফলত উক্ত ৭৫খন দেশৰ নাগৰিকসকলে ভিছা আবেদন দাখিল কৰিব পাৰিব আৰু ইণ্টাৰভিউতো উপস্থিত হ'ব পাৰিব, কিন্তু ভিছা জাৰি কৰা বন্ধ ৰখা হ'ব। এই স্থগিতাদেশ চলি থাকিব যেতিয়ালৈকে ষ্টেট ডিপাৰ্টমেণ্টে নিজৰ স্ক্ৰীনিং আৰু ভেটিং প্ৰক্ৰিয়াৰ পুনৰ মূল্যায়ন সম্পূৰ্ণ নকৰে। এই তালিকাত ৰাছিয়া, ইৰাণ, আফগানিস্তান, ছোমালিয়া, ইৰাক, ইজিপ্ত, ব্ৰাজিল, নাইজেৰিয়া, থাইলেণ্ড, য়েমেন, হাইটি, কিউবা, পাকিস্তান, বাংলাদেশ, নেপাল আদি অন্তৰ্ভুক্ত। (সম্পূৰ্ণ তালিকাত আফ্ৰিকা, লেটিন আমেৰিকা, মধ্যপ্ৰাচ্য, পূব ইউৰোপ আৰু এছিয়াৰ বহু দেশ সামৰি লোৱা হৈছে। ) ছোমালিয়াক এই তালিকাত অন্তৰ্ভুক্ত কৰাৰ এটা গুৰুত্বপূৰ্ণ কাৰণ হৈছে মিনিয়াপলিছ (মিনেছ'টা)ত উন্মোচিত হোৱা এটা বিশাল ৰাজহুৱা সুবিধা জালিয়াতিৰ গোচৰ। এই কেলেংকাৰীত কৰদাতাৰ ধনৰ ব্যাপক অপব্যৱহাৰৰ অভিযোগ উঠিছে আৰু ইয়াৰ সৈতে জড়িত বহু ব্যক্তি ছোমালি নাগৰিক বা ছোমালি-আমেৰিকান বুলি জানিব পৰা গৈছে। এই ঘটনাই ট্ৰাম্প প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু ছোমালিয়াৰ প্ৰতি অধিক তীক্ষ্ণ নিৰীক্ষণৰ কাৰণ হৈ পৰিছে। ষ্টেট ডিপাৰ্টমেণ্টৰ মুখপাত্ৰই কয় যে, বিভাগে নিজৰ দীৰ্ঘদিনীয়া কৰ্তৃত্ব ব্যৱহাৰ কৰি আমেৰিকালৈ এনে ব্যক্তিসকলক প্ৰৱেশ কৰিব নিদিব যিসকলে ৰাজহুৱা সুবিধাৰ সুবিধা লৈ আমেৰিকাৰ জনসাধাৰণৰ উদাৰতাৰ অপব্যৱহাৰ কৰিব। এই পদক্ষেপে আমেৰিকাৰ সম্পদক সুৰক্ষিত ৰাখিব আৰু অভিবাসন প্ৰক্ৰিয়াক অধিক কঠোৰ কৰিব বুলি দাবী কৰা হৈছে। উল্লেখ্য যে, এই স্থগিতাদেশ কেৱল ইমিগ্ৰেণ্ট ভিছাৰ (স্থায়ী বাসিন্দাৰ) ক্ষেত্ৰত প্ৰযোজ্য। টুৰিষ্ট, বিজনেছ বা অন্যান্য অস্থায়ী (নন-ইমিগ্ৰেণ্ট) ভিছাৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন হোৱা নাই। এই সিদ্ধান্তই বিশ্বজুৰি অভিবাসন আৰু আইনী প্ৰৱেশৰ পথত বৃহৎ প্ৰভাৱ পেলাব বুলি ধাৰণা কৰা হৈছে।

## কাইলৈ সৰুসজাইত বাগৰুম্বা

পৰম্পৰাগত সাজ-পোচাক আৰু অলংকাৰেৰে সজ্জিত হৈ শিল্পীসকলে এক অপৰূপ দৃষ্টিনন্দন বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰিব। বৃহস্পতিবাৰে সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত এখন সংবাদমেলত ৰাজ্যৰ সাংস্কৃতিক বিষয়ক মন্ত্ৰী বিমল বড়াই এই কথা স্পষ্ট কৰি কয় যে, বিগত কেইবছৰমান ধৰি চৰকাৰে অসমৰ বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক সম্পদসমূহক বিশ্বৰ দৃষ্টিগোচৰ কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ অংশ হিচাপে ইতিমধ্যে বিহু বিনন্দীয়া আৰু ঝুমইৰ বিনন্দিনী অনুষ্ঠান অতি সফলতাৰে সম্পন্ন হৈছে। এইবাৰ বাগৰুম্বাৰ এই বৃহৎ পৰিৱেশনে বড়ো জনগোষ্ঠীৰ সংস্কৃতিকে বিশ্ব মানচিত্ৰত সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ সফলতাৰ বাবে বিভিন্ন পৰ্যায়ত প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। দুলাৰাই বড়ো হাৰিমু আফাদ, বড়ো সাহিত্য সভা, দুলাৰাই বাথৌ গৌথুমকে ধৰি কেইবাটাও সংগঠনৰ সহযোগত ২৫জন বিশেষজ্ঞই পৰামৰ্শ দিয়াৰ ভিত্তিত গুৱাহাটীৰ শিল্পগ্ৰামত ৪, ৫ আৰু ৬ জানুৱাৰীত প্ৰায় ৪০০জন ওজাক প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। এই প্ৰশিক্ষকসকলে ৰাজ্যৰ ২৩খন জিলাৰ ৮১টা সমষ্টিত ৮ৰ পৰা ১০ জানুৱাৰীলৈকে প্ৰায় ১০ হাজাৰ শিল্পীক প্ৰশিক্ষণ দিয়ে। ১১ জানুৱাৰীত শিল্পীসকলক বিভিন্ন জিলাৰ পৰা গুৱাহাটীলৈ আনি ১২ জানুৱাৰীৰ পৰা সৰুসজাইত আখৰা আৰম্ভ হৈছে। মন্ত্ৰী বিমল বড়াই জানিবলৈ দিয়ে যে, শুকুৰবাৰে (১৬ জানুৱাৰী) চূড়ান্ত আখৰাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ৰাইজৰ অভূতপূৰ্ব আগ্ৰহৰ কথা বিবেচনা কৰি চূড়ান্ত আখৰাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে প্ৰায় ১৪ হাজাৰ প্ৰৱেশ পত্ৰ বিতৰণ কৰা হৈছে। ১৭ জানুৱাৰীত দৰ্শক সংখ্যা অধিক হ'ব বুলি ধাৰণা কৰি মূল ষ্টেডিয়ামৰ বাহিৰত এল ই ডি স্ক্ৰীনৰ ব্যৱস্থা কৰা হৈছে। এই ঐতিহাসিক অনুষ্ঠানে কেৱল বাগৰুম্বা নৃত্যৰেই নহয়, বড়ো সমাজৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ, সাজ-পোচাক আৰু সাংস্কৃতিক ঐতিহ্যকো বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিব আৰু অসমৰ পৰ্যটন শিল্পৰ বিকাশতো ইতিবাচক অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে।

### গৌৰৱ গগৈয়ে হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা

# ৰেজাউল কৰিম সৰকাৰৰ দলত্যাগ প্ৰসংগত প্ৰতিক্ৰিয়া; সংখ্যালঘু এলেকাত প্ৰৱেশ নিষিদ্ধৰ কথা; জুবিন গাৰ্গৰ মৃত্যুৰ চাৰ্জশ্বিটত চৰিত্ৰহননৰ অভিযোগ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰি কয় যে তেওঁৰ নেতৃত্বত অসমত ২০-২২ বছৰ ধৰি চিণ্ডিকেট ৰাজ, কেলেংকাৰী, অহংকাৰ আৰু ক'লা ৰাজনীতি চলি আহিছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত গৌৰৱ গগৈয়ে কয় যে, "প্ৰথমে মুখ্যমন্ত্ৰীয়ে হত্যাৰ কথা কৈছিল। কিন্তু আমি দেখিছোঁ যে চাৰ্জশ্বিটত হত্যাৰ প্ৰমাণ কম, আনহাতে চৰিত্ৰহণনৰ কথা বেছি আছে।" তেওঁ লগতে কয় যে, "আমি ভাবিছিলোঁ ছিংগাপুৰৰ পৰা প্ৰকৃত তথ্য-প্ৰমাণ উলিয়াই আনিব। কিন্তু এতিয়া কথাটো সম্পূৰ্ণ বিপৰীত দিশলৈ গৈছে।" প্ৰাক্তন আমছু (অল অসম মাইনৰিটিজ ষ্টুডেণ্টছ ইউনিয়ন) নেতা ৰেজাউল কৰিম সৰকাৰে কংগ্ৰেছত যোগদান কৰাৰ মাত্ৰ দুদিন পিছতে দলত্যাগ কৰাৰ প্ৰসংগত গৌৰৱ গগৈয়ে স্পষ্ট কৰি কয় যে, যোগদান অনুষ্ঠানত ৰেজাউল কৰিমে কৰা ৯০ শতাংশ কথা অসমৰ উন্নয়ন আৰু সংহতি সম্পৰ্কীয় আছিল। কিন্তু শিৱসাগৰ আৰু ধুবুৰীক তুলনা কৰি তেওঁ যি কথা কৈছিল সেয়া ভুল আৰু অনুচিত আছিল। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই বিষয়ে সাৱধান কৰিছিল আৰু গৌৰৱ গগৈয়েও তেওঁৰ কথাক সমৰ্থন জনাইছিল। তেওঁ কয়, "ভৱিষ্যতে বক্তৃতা দিয়াৰ আগতে ভাবি-চিন্তি ক'ব লাগে।" পিছত ৰেজাউল কৰিমে নিজৰ বিবেকৰ কথা মতে দল এৰিছে আৰু পদত্যাগ পত্ৰ দিছে। দেৱব্ৰত শইকীয়াক বিজেপিৰ এজেণ্ট বুলি কোৱাৰ অভিযোগক গৌৰৱ গগৈয়ে সম্পূৰ্ণ অনুচিত বুলি উল্লেখ কৰে। তেওঁ অভিযোগ কৰে যে, হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ সৈতে থকা কেইজনমান লোক আগতে কংগ্ৰেছত আছিল। তেওঁলোকে কংগ্ৰেছৰ পৰা আঁতৰি গৈ বিজেপিত যোগদান কৰিছে। আগতে কংগ্ৰেছত থাকোঁতে তেওঁলোকৰ কেলেংকাৰীৰ মূল খলনায়ক আছিল হিমন্ত বিশ্ব শৰ্মা বুলি তেওঁ দাবী কৰে। এতিয়া একে ধৰণৰ অহংকাৰ আৰু কেলেংকাৰীৰ বাবে বিজেপিৰ পৰাও মানুহে আঁতৰিবলৈ আৰম্ভ কৰিছে। গৌৰৱ গগৈয়ে কয় যে, হিমন্ত বিশ্ব শৰ্মাই দীৰ্ঘদিন ধৰি ধনৰ কেলেংকাৰী, অহংকাৰ, ক'লা ৰাজনীতি আৰু নিম্ন পৰ্যায়ৰ ৰাজনীতি চলাই আহিছে। আগতে কংগ্ৰেছক বেয়া পোৱা ৰাইজে এতিয়া বিজেপিক বেয়া পাবলৈ আৰম্ভ কৰিছে। "অসমৰ ৰাইজক এই চিণ্ডিকেটৰ পৰা মুক্ত কৰিবলৈ কংগ্ৰেছ, বিৰোধী দলসমূহ আৰু সাধাৰণ ৰাইজ একত্ৰিত হৈছে। এইসকলক চিৰকালৰ বাবে বিদায় দিব লাগিব" তেওঁ সংকল্পবদ্ধ হৈ কয়। সংখ্যালঘু অধ্যুষিত এলেকাত কংগ্ৰেছ নেতাসকলক প্ৰৱেশ নিদিয়াৰ হুংকাৰ প্ৰসংগত গৌৰৱ গগৈয়ে কয় যে, হিমন্ত বিশ্ব শৰ্মাইহে সেইবোৰ এলেকাত প্ৰৱেশ কৰিব নোৱাৰিব। তেওঁ উল্লেখ কৰে যে, হিমন্ত বিশ্ব শৰ্মাই বিধানসভা নিৰ্বাচনৰ আগতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ নহয় বুলি ঘোষণা কৰিছে। উজনি অসমৰ ছাত্ৰ নেতাসকলে নিৰ্বাচনৰ আগতে জনজাতিকৰণ নিবিচাৰে বুলি কৈছে। যিসকলে হাজাৰ হাজাৰ মানুহ লৈ আন্দোলন কৰিছিল, তেওঁলোকে এতিয়া গোপনে হাৰ মানি লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কৈ ছাত্ৰ নেতাসকলৰ ওপৰত ক'লা দাগ লগাইছে। "এই মানহানি আৰু চৰিত্ৰহণনৰ বাবেই হিমন্ত বিশ্ব শৰ্মাই সেই এলেকাবোৰত প্ৰৱেশ কৰিব নোৱাৰিব," গৌৰৱ গগৈয়ে স্পষ্ট কৰি দিয়ে। এই মন্তব্যসমূহৰ জৰিয়তে অসম প্ৰদেশ কংগ্ৰেছে আগন্তুক নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে প্ৰচাৰক আৰু অধিক তীব্ৰতৰ কৰাৰ ইংগিত দিছে।

## প্ৰাদেশিকীকৰণৰ পথত

ফিজিকেল ভেৰিফিকেশ্যন (দলিল যাচাই-বাছাই) আৰু শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াৰ তাৰিখ সলনি কৰা হৈছে। নতুন তাৰিখ অনুসৰি এই ফিজিকেল ভেৰিফিকেশ্যন এতিয়া ২১ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰীলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে, ১৭ জানুৱাৰীত সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগীয়া বাগুৰুম্বা নৃত্য অনুষ্ঠানৰ বাবে এই তাৰিখ সলনি কৰা হৈছে। ইয়াৰ ফলত প্ৰাৰ্থীসকলক কোনো অসুবিধা নহ'বলৈকে বিটিচি চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। সংবাদমেলত ৰবিৰাম নাৰ্জাৰীয়ে স্পষ্টভাৱে কয় যে, বিটিচি চৰকাৰে শিক্ষা বিভাগৰ কেইবাটাও খালী পদতো যথাসময়ত নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ আশ্বাস দিয়ে যে সকলো নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ স্বচ্ছতাৰে আৰু কেৱল মেধাৰ ভিত্তিতহে সম্পন্ন কৰা হ'ব। কোনো ধৰণৰ পক্ষপাতিত্ব বা অনিয়মৰ অৱকাশ নাথাকিব বুলি তেওঁ দৃঢ়ভাৱে উল্লেখ কৰে। ইফালে, বিটিচিৰ অধীনৰ ভেঞ্চাৰ স্কুলসমূহকো শীঘ্ৰেই প্ৰাদেশিকীকৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি সংবাদমেলত জানিবলৈ দিয়া হয়। এই পদক্ষেপৰ জৰিয়তে শিক্ষা ব্যৱস্থাক অধিক শক্তিশালী আৰু সংগঠিত কৰাৰ লক্ষ্য ৰখা হৈছে। শেষত কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰীয়ে সকলো প্ৰাৰ্থীক নিৰ্ধাৰিত তাৰিখত প্ৰয়োজনীয় নথি-পত্ৰসহ উপস্থিত থাকিবলৈ আহ্বান জনায় আৰু বিটিচি চৰকাৰৰ শিক্ষা বিভাগৰ উন্নয়নমূলক পদক্ষেপসমূহ অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে।

## নাহৰৰ পাতেতে

বিৰজা হাজৰিকা

ৰ'দৰ জিল-মিল
বতাহৰ শিৰ শিৰ
মন সেমেকি উঠে
নাহৰৰ পাতেতে ছবি আঁকি থাকোঁতে
তোমালৈ মনত পৰে।

কিচ্ কিচ্ সেমেকা চুলিৰ গন্ধই
গভীৰ নিদ্ৰাত বৰকৈ আমনি কৰে
মন কুমলীয়া বুজাব নোৱাৰো দেহা চাটি-ফুটি কৰে
তোমালৈ মনতে পৰে।

সাৰে আছো হৃদয়ত তোমাৰ প্ৰতিচ্ছবি আঁকি
সাগৰ সম এখন বহল বুকুত খোদিত আছে অলেখ সপোন
আহিবা সংস্কৃতিৰ বীজ সিঁচিবলৈ
আলোকৰ সন্ধান বিলাবলৈ
মচি দিবা কলীয়া আন্ধাৰ

শুকুলা মেঘৰ আঁৰে আঁৰে শব্দবোৰ গান হৈ
নাহৰৰ সুগন্ধিত মিলি যাব সুৰৰ লহৰ হৈ
প্ৰকৃতিৰ নাচোন চাবলৈ সেউজীয়া দুবৰিৰ দলিচাত বহি
ৰামধেনুৰ সাতো ৰং বিলাবলৈ
প্ৰাপ্তিত দিবা এটি সুন্দৰ জীৱন।

কিচ্ কিচ্ সেমেকা চুলিৰ গন্ধই / গভীৰ নিদ্ৰাত বৰকৈ আমনি কৰে / মন কুমলীয়া বুজাব নোৱাৰো দেহা চাটিফুটি কৰে / তোমালৈ মনতে পৰে





## গণশিল্পী ৰাজীৱ শদিয়া

ৰাহিদ আহমেদ

সাধাৰণ ঘৰখনতে জন্ম তেঁও
শদিয়াৰ পূবফালে
হাবিৰে আৱৰা টুপচিঙা গাঁও
তাত গানৰ এটি সূৰ্য আছিল,
বিপ্লৱী গীতেৰে
জনগণৰ বুকুত মৰম সানি দিছিল,
যোৱাবাৰ ভোগালীৰ উৰুকাত
সূৰ্যটি লুকাই গ'ল,
ফিলবাৰীৰ মঞ্চতে ঢলি পৰিল
বিপ্লৱী কণ্ঠ তাতেই স্তব্ধ হৈ গ'ল

ৰাজীৱ শদিয়া জাতিৰ সন্তান
অসমীয়া গণ জীৱনৰ বুকুত
সাহস দিয়া গাঁৱলীয়া ল'ৰাজনে
কম দিনৰ যাত্ৰাটোতে
দি গ'ল গণ বিপ্লৱৰ দীঘল ইতিহাস
গাঁৱৰ প্ৰজন্মই আজি গায়
ৰাজীৱ শদিয়াৰ সৃষ্টি,
আন্দোলনৰ সময়ত ব্ৰজকণ্ঠ হৈ
গাই গৈছিল স্বদেশপ্ৰেমৰ গীত...

লুইতৰ পানীত, কুণ্ডিলৰ পাৰত
লিখি গৈছিল জাতিৰ গান
দৰিদ্ৰ জনগণৰ হৃদয় জুৰোৱা গান,
মৃত্যুৰ দিনা নদীৰ দৰেই
মানুহৰ সোঁত বৈছিল টুপচিঙা গাঁৱত
উজনিৰ ভোগালী বুলিলে
এতিয়া মনত পৰে
ৰাজীৱ শদিয়াৰ স্মৃতি
ৰাজীৱ শদিয়াৰ পুণ্য তিথি

উৰুকাৰ নিশাটোত কাৰ গীত গাম
ৰাজীৱ শদিয়া নাই,
জুবিন দাও নাই,
দীপক শৰ্মাও নাই বাঁহী বজাবলৈ
বেদনাৰ মাজতে ভোগালী আহিছে
মৃত্যু বাৰ্ষিকীৰ মাজেৰেই
আমি বিচাৰিম শান্তিৰ বাট
আমি ৰচিম যাত্ৰাৰ নতুন গান।

## তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী

সঞ্জয় ৰবিদাস

তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী
ব'লা নাৰ্ছিং হোম খোলো
তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী
ব'লা মন্দিৰ সাজো
তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী
ব'লা পাহাৰ কিনো, বাগান কিনো,
বিদেশত মাটি কিনো, ঘৰ সাজো
তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী
ব'লা নিউজ চেনেল খোলো, পৰ্টেল কিনো
তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী
ব'লা নিজৰ এৰোপ্লেন কিনো ৰে'ল কিনো,
স্থাপন কৰো পেট্ৰ'ল ডিপো,
চাউল ফেক্টৰী, কাপোৰৰ ইণ্ডাষ্ট্ৰি
তুমি মন্ত্ৰী মই মন্ত্ৰীপত্নী
ব'লা নিজৰ স্কুল খোলো, কলেজ খোলো
আৰম্ভ কৰোঁ শিক্ষাৰ বিজনেচ
ব'লা খোলো চিনেমাহল
তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী
ব'লা হোটেল খোলো, ৰিজৰ্ট খোলো, ফাৰ্ম খোলো
মোবাইল নেটৱৰ্ক কোম্পানী এটাৰ কথাও ভাবিব পাৰোঁ
তুমি মন্ত্ৰী, মই মন্ত্ৰীপত্নী
দৈনিক চলক আমাৰেই নাইট চুপাৰ, মদৰ বেপাৰ
ব'লা অসমৰ সকলো ব্যৱসায় আমি চম্ভালোঁ
দুৰ্নীতি আৰু ৰাজসাহায্যৰ ধনেৰে
নহ'লে মন্ত্ৰিত্ব গ'লে কেনেকৈ চলিম?

## নতুন পথৰ সন্ধান

বিপুল শৰ্মা

কুঁৱলী ফালি
বেলিটো ওলাই আহিল
এবুকু সপোনলৈ
মহানিমজোপাৰ পৰা উৰি আহি
মোৰ চোতালত শালিকাযোৰে
গুণগুণাই তোমাৰ কথা কয়
"যোৰিয়া শালিকা দেখিলে দিনটো ভালে যায়"
তোমাৰ কথাই দিনটো ভৰি থাকিব
এক জনা-নজনা অনুভৱত
য'ত তুমি দিবা এক নতুন পথৰ সন্ধান
আমি যাম সেই পথেৰে ...
এক নতুন আশাৰে...
নতুন বাৰ্তাৰে...

## নৱবৰ্ষৰ সিদ্ধান্ত

কৰবী বৰ্মন কলিতা

সূৰ্য্যাস্তৰ এটি সন্ধিয়াত,
একাপ চাহ হাতত লৈ
ফোনৰ ডায়েল লিষ্টখনৰপৰা
ইংৰাজীৰ এ টু জেড
বৰ্ণবোৰত সন্নিবিষ্ট
নাম, একাংশৰ নম্বৰসমূহ
নিমিষতে নাইকিয়া কৰিলোঁ।

সীমিত মানুহ, সীমিত সম্পৰ্ক
নৱবৰ্ষৰ,
নতুন সিদ্ধান্ত- যে মোৰ।

## ভোগালীৰ পুৱা

ইন্দ্ৰ অধিকাৰী

ধানখেতিৰ ওপৰে-ওপৰে
কুঁৱলীৰ ওৰণি আঁতৰাই
ভোগালীৰ পুৱা নামি আহে,
হাঁহিৰে ভৰে গাঁওখন।

উৰুকাৰ নিশা
জুইৰ কাষত বহি
ভাতৰ গোন্ধত সিজে
সম্পৰ্কৰ উষ্ণতা।

মেজিৰ শিখাত
পুৰণা ক্লান্তি পুৰি যায়,
ছাইৰ মাজতেই লুকাই থাকে
নতুন আশা, নতুন পথ।

আইৰ হাতৰ পিঠাত
শীতৰ কঠোৰতা গলি যায়,
মিঠা সোৱাদত
শ্ৰমৰ মধুৰ ফল।

ঢোলৰ মাতত জাগে
শুকাই যোৱা মন,
ভোগৰ মাজতো শিকায়
ভাগ-বতৰা, সহভাগিতা।

গাঁৱৰ চোতালত
একেলগে বহা মানুহবোৰ
নাম-ধাম পাহৰি
মানুহ হৈ উঠে ক্ষণিকৰ বাবে।

চাউলৰ প্ৰতিটো দানাত
লুকাই থাকে
বছৰৰ ঘাম, অপেক্ষা
আৰু নীৰৱ প্ৰাৰ্থনা।

আকাশে মুকলি কৰে
নীলা বুকু,
ধোঁৱাৰ সৈতে উৰি যায়
দুখ-অভিমানৰ বোজা।

ভোগালী মাথোঁ ভোজ নহয়,
ই এক জীৱনৰ পাঠ...
শস্যৰ দৰে বিনম্ৰ হৈ
জীৱনক উদ্‌যাপন কৰাৰ।

## জোনাক নিশাৰ বিৰল প্ৰেম

পৰীণিতা দেৱী

এদিন সন্ধ্যা নিঃশব্দে
ওলাই গৈছিলোঁ মই নদীপাৰলৈ
সেই সময়ত প্ৰকৃতি যেন
সৌন্দৰ্য্য চৰ্চাত মচগুল
বননিৰ শহাপহুৰ জাক বোৰো
ঘৰমুৱা হৈছিল
গছৰ শাখাত আশ্ৰয় লোৱা
চৰাইবোৰো ঘূৰি আহিছিল
নিজ বাঁহলৈ পৰিয়ালৰ ওচৰলৈ
নদীৰ পাৰে পাৰে চৰি ফুৰা
ৰাজহংসবোৰে যেন
দিনটোৰ ক্লান্তি পাহৰি
নীৰৱে শুই পৰিছিল
প্ৰকৃতিৰ কোমল বুকুত
মই পশ্চিম আকাশৰ
অস্তগামী সূৰ্যৰ হেঙুলীয়া আভাৰে
অকা আকাশ খনৰ
মনোমোহা দৃশ্য উপভোগ কৰি আছিলোঁ।
হঠাৎ দেখা পাইছিলোঁ,
আকাশখনৰ মাজত
পথভ্ৰষ্ট হোৱা এটি চৰাই
সি যেন অন্ধকাৰৰ কোলাত
চিঞৰি চিঞৰি কান্দি আছিল
তাৰ কান্দোনৰ সুৰে
অন্ধকাৰ বিশাল আকাশখনো
মুহূৰ্ততে বিষাদময় কৰি তুলিছিল
সূৰুয ঢলা লগে লগে যেন
সুদূৰ পশ্চিম দিশৰ পৰা
লাহে লাহে নামি আহিছিল
কিছুমান ৰহস্যময়ী পোহৰ
সিহঁতৰ মৃদু, শুভ্ৰ-সোণালী জ্যোতিত
এনেকুৱা লাগিছিল যেন আকাশৰ
কোনো ক্ষুদ্ৰ দেৱদূত হে নামি আহিছিল
অন্ধকাৰত দিশ-হেৰুৱা সেই
চৰাইজনীক যেন সিহঁতি বৰ স্নেহেৰে
বাট দেখুৱাইছিল
সিহঁতৰ এই কোমল আলোকে
চৰাইজনীৰ পথটো পুনৰ স্পষ্ট কৰিলে,
সিহঁতৰ প্ৰেম দেখি জোনাক নামি আহিল
আৰু সেই জোনাক নিশা
ময়ো স্পষ্ট হ'লো যে
সেইয়া দেৱ দূত নাছিল
আছিল মাথোঁ এটি জোনাকী পৰুৱাৰ জাক
আৰু সিহঁতৰ মাজৰ নিভাজ মৰম
প্ৰকৃতিৰ সেই বিৰল দৃশ্য
উপভোগ কৰি কৰি মোৰ
মনত উদয় হৈছিল এটি প্ৰশ্নৰ
প্ৰকৃতিৰ এই প্ৰাণী সমূহৰ দৰে
মানৱ সমাজত আছে নে বাৰু
মানৱতা, প্ৰেম আৰু সহানুভূতি
আৰু এই প্ৰশ্নৰে উত্তৰ বিচাৰি
ময়ো হ'লো ঘৰমুৱা।

হঠাৎ দেখা পাইছিলোঁ, /আকাশখনৰ মাজত/ পথভ্ৰষ্ট হোৱা এটি চৰাই/ সি যেন অন্ধকাৰৰ কোলাত / চিঞৰি চিঞৰি কান্দি আছিল / তাৰ কান্দোনৰ সুৰে/ অন্ধকাৰ বিশাল আকাশখনো/ মুহূৰ্ততে বিষাদময় কৰি তুলিছিল/



## হেঁপাহৰ ভোগালী বিহুটি

কল্যাণী গগৈ(মুনু)

শীতৰ ঠেঁতুৰৈ লগা জাৰৰ মাজতে
চাওঁতে চাওঁতে আহি পালেহিয়ে দেখোন
হেঁপাহৰ ভোগালী বিহুটি,
ডেকাহঁতে সৌৱা, পথাৰৰ নৰা কাটি
ভেলাঘৰ সাজিছে..
সকলোৰে ঘৰে-ঘৰে
ভোগালীক আদৰাৰ যো-জা চলিছে।
গাঁৱৰ সিটো মূৰত শুনিছোঁ
ঢেঁকীৰ গোমগোমনি আৰু
তিৰোতাসকলৰ আড্ডা,
সকলোৰে পুৰিব হেনো
তিল-পিঠা, চুঙা-পিঠা,
লাৰু আৰু কত যে কি?
গৰু-ম'হৰ দৈ, চিৰা আৰু
সান্দহকে আদি কৰি,
চাৰিওফালে হ'ব
কেৱল ভোগৰ উভৈনদী।

উৰুকাৰ নিশা,
গাঁৱৰ সৰু বৰ সকলোৰে মিলি
মাছে-মঙহেৰে এসাঁজ ভোজ-ভাত খাব।
বায়ে উৰে নিশা উজাগৰে
পিঠা-পনা পুৰিব আৰু
পিছদিনা পুৱতি নিশাতেই আয়ে উঠি,
বাৰীৰ বিভিন্ন ফল-মূলৰ গছবোৰত
লাগনি গীত গাই গাই খেৰ বান্ধিব।
ভাইটিয়ে দোকমোকালিতে বিছনা এৰি
গা-পা ধুই উলাহত মেজি জ্বলাব,
পিতায়ে, অগ্নিদেৱতালৈ বুলি
সযোৰে আগবঢ়াই দিব
মাহ-কড়াই, আলু আৰু পিঠা-পনা।
আমিও সকলোৰে মিলি
দাউ-দাউকৈ জ্বলি উঠা
মেজিৰ লেলিহান জুইত জাহ দিম,
মনৰ কোণত বাহ লোৱা
সমাজৰ অহিতকৰ চিন্তা ভাৱনা।।

## তিনিটা কবিতা

*(১) জীৱন*
জীৱন বতৰৰ দৰে
সুখৰ উষ্ণতা আৰু দুখৰ শীতলতাৰ অবিৰত প্ৰৱাহ।
কল্পনা কৰিব নোৱাৰি,
এৰাবাৰীত হৃদয় থকাৰ কথা।
জীৱনৰ প্ৰতিদিনৰ পৃষ্ঠাত ৰৈ গ'ল...
সীমাহীন সহানুভূতিৰ স্মৃতি,
উজাৰি দিছোঁ
সকলো অভিমান ক্ষোভ
অপ্ৰাপ্তিৰ এখন কাইটীয়া খাটত!

*(২) যৌৱন*
তাইৰ দুচকুত তিৰবিৰাই
একুঁকি শৰতৰ জ্যোস্না,
চেঁচা শীতল শৰীৰত
অস্তিত্ব সন্ধানৰ ব্যাকুলতা।
সম্প্ৰতি, অতদিনে চনপৰা মাটিডৰাত,
যৌৱনৰ বকিয়াই দি আহি
বীজ এটি ফুটিছে...
আৰু তাই চিঞৰিছেঃ
'এদিন তোমাৰ উশাহৰ জখলা বগাই হৃদয়ৰ গহ্বৰত
অংকন কৰিম অজন্তা-ইলোৰাৰ দ্বিতীয় অধ্যায়!'
মাথোঁ তুমি সাজু থাকিবা।।

*(৩) বিদায়*
তোমাৰ বৰ্তমানো অবৰ্তমান যেন লাগে।
হয়তো এদিন ভাগৰি পৰিব সকলো কথা!
অশ্ৰুৰ পৰিসমাপ্তিত নিঃশেষ হ'ব
হৃদয়ৰ সকলো পৰিভাষা।
ক্লান্ত দুচকুৰে নিগৰিব মাথোঁ ব্যাথা।
তেতিয়া, পোহৰ আৰু আন্ধাৰ একেই হ'ব তাইৰ বাবে!
বিক্ষিপ্ত সময়ৰ সহস্ৰ টুকুৰাবোৰক বুকুত আলফুলে
কবৰ দিব তাই।
মগজুয়ে বিভ্ৰান্তিত চিৎকাৰ কৰিব।
হৃদয়ত ৰৈ যাব নিযুত নিৰাশাৰ প্ৰতিধ্বনি।
সময়ে নিজৰ বাট বুলিব।।

কাব্যশ্ৰী শৰ্মা

## স্বাভিমান

ত্ৰিদিব বৰা

মোৰো আছে
এখন স্বকীয় পৃথিৱী
য'ত আছে
কিছুমান আপোন মানুহ -
যি
মোৰ দুখত দুখী
সুখত সুখী,
তথা
বিপদৰ সময়ত মোৰ কাষত
অলংঘনীয় পাহাৰৰ দৰে
থাকে ঠিয় দি;
নাজানো
মোৰ পৃথিৱীখন
তোমাৰ পৃথিৱীখনতকৈ ডাঙৰ নে সৰু
ডাঙৰ হ'লেও কিমান ডাঙৰ
সৰু হ'লেও কিমানবা সৰু;
পিচে
মোৰ পৃথিৱীখন মোৰ বৰ প্ৰিয়
কাৰণ
মোৰ পৃথিৱীখনহে মোৰ কামৰ,
আনবোৰ যে সদৃশ অচিন গ্ৰহৰ;
মোৰ পৃথিৱীত নাই
কোনো ৰজা আৰু প্ৰজা
অথবা
নাই কোনো স্বাৰ্থান্ধ সুবিধাবাদী,
পিচে
সবাৰে আছে
নিজা আদৰ্শ তথা স্বাভিমান
যাক কোনো কাৰণতে নিদিয়ে বলি-দান
যি বনাইছে সকলোকে
এক অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী।

## শৰতৰ নিশা

অভিজিৎ হাজাৰী

শৰতৰ, শেৱালি সৰা
এটি জোনাক ৰাতিত
দেখা পাইছিলোঁ তোমাক।
খিৰিকীৰ ফাঁকেৰে
টুপটুপকৈ সৰি পৰা
জোনাক বোৰ চাই থাকোঁতে।
তুমি যেন,
জোনাক বোৰৰ
লগত মিহলি হৈ
বুকুৰ সেই বিশেষ ঠাইডোখৰত
থিতাপি ল'লা নিমিষতে।

তোমাক দেখা পালেই এতিয়া
মোৰ এই নিমাত মনটোৱে
দুষাৰ কথা পাতিবলৈ বিচাৰে
তোমাৰ সৈতে।
যদিও মই গোটাব নোৱাৰো
এমুঠি মান সাহস।

ভাল লাগে জানা তেতিয়া
যেতিয়া,
এটা মিচিকিয়া হাঁহি মাৰি
মোক সোধা কিছু দূৰৰ পৰা
"কি খবৰ?
সকলোবোৰ ঠিকেই আছেনে?"
হয়তো তোমাক
বুজাব নোৱাৰিম
শব্দৰে মালা গাঁঠি
বুকুৰ ভিতৰত হোৱা
সেই সময়ত,
সেই বিশেষ অনুভূতি বোৰ কথা।
এজাক ধুমুহাৰ নিচিনাকৈ
আউসী ৰাতি,
জোনাক বোৰৰ লগতে
তুমিও আঁতৰি গ'লা।

নেজানো তুমি ক'ত আছা?
কেনেকৈ আছা?
কিন্তু তুমি যতেই আছা
কুশলে থাকা।
কেতিয়াবা সময় পালে
মোকো মনত পেলাবাচোন
কিয়নো,
এতিয়া ৰৈ থাকোঁ
খিৰিকী খনৰ ওচৰত
কিজানিবা,
আকৌ উভতি আহা
জোনাকবোৰৰ লগত।

তোমাক দেখা পালেই এতিয়া/ মোৰ এই নিমাত মনটোৱে/ দুষাৰ কথা পাতিবলৈ বিচাৰে/ তোমাৰ সৈতে। / যদিও মই গোটাব নোৱাৰো/ এমুঠি মান সাহস।

## খোলা খিৰিকী

চয়নিকা শইকীয়া

খিৰিকীখন খুলি দুচকু মেলি চাই
সূৰুযে ৰঙীন আভা বিৰিঙাই।
পোহৰে আশাৰ বাট দেখুৱাই
নৈসৰ্গিক দৃশ্যই মোহিত কৰাই।।

মৃদু সমীৰণে দেহ স্পৰ্শ কৰি
ভৰ যৌৱনে উন্মনা কৰাই।
সময়ৰ ঘড়ীয়ে টিক টিক কৰি থাকি
হৃদয়ৰ ঢিপ ঢিপনি বঢ়াই।।

জীৱনৰ পৃষ্ঠাবোৰ আগবাঢ়ি যায়
আচবাবত সময়ে ধূলি ছটিয়াই।
চঞ্চল মলয়াই নিয়ে উৰুৱাই
মিচিকিয়া হাঁহিৰে দুৱাৰখনো খোলাই।।

নদীখনে ভৰ বাৰিষাৰে গৰ্ভৱতী হৈ
সমস্যাই যেন জীৱন জৰ্জড়িত কৰুৱাই।
বিবেকেৰে আবেগক ধৰি ৰাখি
খিৰিকীয়ে সৃষ্টিশীল বাট দেখুৱাই।।

## চোলা


মাধুৰ্য প্ৰিয়ম দাস

গাঁটোকে সাৰটি তোৰ ইমান অতপালি
মনবোৰো এবাৰ চুই চাবি
কিমান থুনুকা।
তোৰ বাবেই দেহটোত
অতবোৰ কুটাঘাট
তই বৰ নহয়।
মন গ'লেই তই সুহি খাব নোৱাৰ' কলিজাৰ ঘাঁ
মন গ'লেই লুকুৱাই ৰাখিব নোৱাৰ' গোপনীয়তা
লুকুৱাই থ'ব নোৱাৰ' কামনা
তোৰ ইচ্ছা-
অনিচ্ছাৰ মাজেৰেও কত আই ধৰ্ষিতা
তই বৰ নহয় কেতিয়াও।

## মানুহৰ মানুহেই শত্ৰু

অবিনাশ হাজৰিকা

ভাবিয়েই লাজ লাগে মোৰ
মানুহবোৰ ইমান নিষ্ঠুৰ কেনেকৈ।
কি কৰিলে তেখেতে,
কি কৰিলে গছ গছনি বোৰে।
আজি এনেকুৱা লাগিছে মোৰ
কেতিয়াবা এই মানুহ জনকে
দেখোন মাৰি পেলাব।
আজি ইমান দিনে কষ্ট কৰি
নিৰ্মাণ কৰা অৰণ্যখন
জুই লগাই কি পালে সিহঁতে।
কিয় এবাৰো নাভাবিলে
সেই গছবোৰৰ কথা।
আজি মানুহ হিচাপে মোৰ
নিজিৰে লাজ লাগিছে।
কি পালি তহতে,
এই অৰণ্যখন ধ্বংস কৰি।
এই প্ৰতিশোধ লব
তহঁতক প্ৰকৃতিয়ে।
আজি তহঁতে যিমান
আনন্দ কৰিছ নহয়
এদিন আমি কৰিম।
আজি তহঁতে এই
মানুহ তোকে অ
আধামৰা কৰিলি।
আজি অসম ৰসাতলে গল
অসম ৰসাতলে গল।
আজি অসমৰ জনতাই
তহতক দিছে অভিশাপ,
নাপাবি নিষ্ঠাৰ, নাপাবি নিষ্ঠাৰ।



## অভাগিনী

চিমি চিদ্দিকা

ব্যস্ত মহানগৰীৰ মই এজনী
পথভ্ৰষ্ট অভাগিনী
ডাঙৰ ডাঙৰ ট্ৰেফিকৰ শব্দৰ মাজত
মোৰ হৃদয়ৰ চিঞৰ ম্লান পৰে।
সুউচ্চ অট্টালিকাৰ অচিনাকি
মুখবোৰে
ৰবটৰ কথাকে সোঁৱৰাই
নাই হাঁহি, নাই কান্দোন, নাই
সহানুভূতি
মানুহৰ ভিৰ, যন্ত্ৰময় হৃদয়, কিবা প্ৰাপ্তিৰ
লালসাত
অহৰহ দৌৰি ফুৰিছে এজাক বাটৰুৱা
তাৰ মাজৰে মই এজনী পথভ্ৰষ্ট অভাগিনী
এজাক সপোনৰ পম খেদি খেদি
দৌৰিছোঁ মাথোঁ দৌৰিছোঁ
কেতিয়াবা ভাগৰিছোঁ, কেতিয়াবা হাৰিছোঁ
কোন দিন সংজ্ঞা হেৰুৱাইছোঁ
নাজানো এই গন্তব্যৰ শেষ ক'ত
নাজানো আগলৈ কিমান দূৰ বাট
নাই নাই নাজানো একো নাজানো মই
ব্যস্ত মহানগৰীৰ মই এজনী পথভ্ৰষ্ট
অভাগিনী।

# শিক্ষয়ত্ৰী চাজিদা ইয়াচমিনৰ অকাল মৃত্যু

## সমগ্ৰ ৰঙিয়াতে শোকৰ ছাঁ

**অসম বাৰ্তা, ৰঙিয়া, ১৪ জানুৱাৰী** ঃ ৰঙিয়া নগৰৰ এন টি ৰোড নিবাসী ডাঃ জাকিৰ হুছেইনৰ সহধৰ্মিনী তথা ৰঙিয়া টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱ নিযুক্ত শিক্ষয়ত্ৰী তথা ৰঙিয়া চিমবায়চিচ একাডেমীৰ বিজ্ঞান বিভাগৰ প্ৰাক্তন বিষয় শিক্ষয়িত্ৰী জাজিদা ইয়াচমিনে (৩৫) সোমবাৰে নিশা অকাল মৃত্যুক সাৱটি লয়। জানিব পৰা মতে গৰ্ভৱতী অৱস্থাত থকা শিক্ষয়িত্ৰী গৰাকীক সংকটজনক অৱস্থাত প্ৰথমেই ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্ত্তি কৰোৱাৰ পিছত এগৰাকী পুত্ৰ সন্তান জন্ম হয়। ইয়াৰ পিছতে শিক্ষয়ত্ৰী গৰাকীৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হয়। চিকিৎসাধীন অৱস্থাতে উচ্চ ৰক্তচাপ বৃদ্ধি হৈ মগজুত ৰক্তসঞ্চাৰন হৈ মৃত্যুক আকোঁৱালি লয়। নৱজাতক শিশু গৰাকী বৰ্তমান সুকলমে আছে যদিও মাতৃ গৰাকীৰ অকাল মৃত্যুত সমগ্ৰ ৰঙিয়াতে গভীৰ শোকৰ ছাঁ পৰে। শিক্ষয়ত্ৰী গৰাকীৰ অকাল বিয়োগৰ খবৰ পোৱা মাত্ৰকে অগণন গুণমুগ্ধ ৰঙিয়াৰ বাসগৃহত উপস্থিত হৈ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে। ছাত্ৰী অৱস্থাৰ পৰাই অতি মেধাৱী ছাজিদা ইয়াচমিনৰ মৃত্যুত ৰঙিয়া টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী বৃন্দ, সাংসদ ভুৱনেশ্বৰ কলিতা, ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, ৰঙিয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ৰঙিয়া নাগৰিক মঞ্চৰ সভাপতি অনন্ত ডেকা, নাগৰিক মঞ্চৰ সম্পাদকদ্বয় মুকুট চৌধুৰী, দ্বীপেন চক্ৰৱৰ্ত্তী, নাগৰিক মঞ্চৰ সহ সম্পাদক নৱ কুমাৰ কলিতা আৰু ছাইদুল ইছলাম, ৰণদিয়া শতদল সাহিত্য সভা, সদৌ অসম কবি মঞ্চৰ লগতে ৰঙিয়া মহকুমা সংখ্যালঘু উন্নয়ন বৰ্ডৰ অধ্যক্ষ মমতাজ আলীয়ে গভীৰ শোক প্ৰকাশ কৰি প্ৰয়াত শিক্ষয়িত্ৰী গৰাকীৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে। ইফালে মঙলবাৰে দিনৰ ভাগত প্ৰয়াত শিক্ষয়িত্ৰী গৰাকীক ৰঙিয়া টাউন কবৰস্থানত সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়।

# ভলুকাগুৰি দিব্যজ্যোতি ক্লাৱৰ বৃহৎ জয় অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৪ জানুৱাৰী** ঃ অসম ক্ৰিকেট সন্থাৰ জৰিয়তে পৰিচালিত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ক্ৰিকেট উপশমিতিৰ তত্ত্বাৱধানত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা ৮ম সংখ্যক অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপৰ মৰিগাঁও মণ্ডলৰ আজি অনুষ্ঠিত তৃতীয়খন খেলত ভলুকাগুৰি দিব্যজ্যোতি ক্লাৱে ২০৪ ৰাণৰ বৃহৎ ব্যৱধানত অনায়াসে মৰিগাঁও মৰ্ণিং ক্লাৱক পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। প্ৰথম বেটিং কৰি ভলুকাগুৰি দিব্যজ্যোতি ক্লাৱে জয়ন্ত দেৱৰ আকৰ্ষণীয় ১০৪, কণ ওৱাঙৰ ৪২, যশুৱন্ত ডেকাৰ ১৭ আৰু মুকুতামণি পাতৰৰ ১৬ ৰাণৰ বৰঙনিৰ সহায়ত ৩৯-৪ অভাৰত সকলো উইকেট হেৰুৱাই ২৪৫ ৰাণ সংগ্ৰহ কৰে। বলিঙত মৰিগাঁও মৰ্ণিং ক্লাৱৰ হৈ কৃষ্ণ বিশ্বাসে ৪টা উইকেট দখল কৰাৰ লগতে সুৰেশ তামূলীয়ে ৩টা আৰু ভৈৰৱ কোৱঁৰে ২টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত বৃহৎ লক্ষ্য অনুসৰণ কৰি মৰিগাঁও মৰ্ণিং ক্লাবে ভলুকাগুৰিৰ আকৰ্ষণীয় বলিং আৰু ফিল্ডিঙৰ সন্মুখত দিশহাৰা হৈ ১৩ অভাৰত ভৈৰৱ কোৱঁৰৰ ১৬ ৰাণৰ সহায়ত মাত্ৰ ৪০ ৰাণতে আটাইকেইটা উইকেট হেৰুৱাই পৰাজয় বৰণ কৰে। দিব্য জ্যোতিৰ হৈ বলিঙত সুৰজ কুমাৰে ৪ টা, কণ ওৱাং আৰু ত্ৰিনয়ন বৰুৱাই ৩ টাকৈ উইকেট দখল কৰে। তপন কুমাৰ নাথ আৰু আজিজ উল্লা খানে পৰিচালনা কৰা আজিৰ খেলখনৰ স্ক'ৰাৰৰ দায়িত্ব নৱাজুৰ ৰহমানে পালন কৰে। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হোৱা কণ ওৱাঙক প্ৰাক্তন ক্ৰিকেটাৰ পল্লব নাথে বঁটা প্ৰদান কৰে।

# ভোগালীক আদৰাৰ বাবে গেলেকীৰ HELLO KIDZ PRIMARY SCHOOLৰ বিশেষ পদক্ষেপ

# অসমীয়া বাপতি সাহোন ভোগালী বিহু

**অসম বাৰ্তা, গেলেকী, ১৪ জানুৱাৰী** ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়াকৈ ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা প্ৰস্তুতৰ আয়োজন কৰিছে। উৰুকালৈ মাজত মাথোঁ কেইঘণ্টামান বাকী থকা অৱস্থাত গ্ৰামাঞ্চলত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে। তাৰ সমান্তৰালভাৱে গেলেকীৰ HELLO KIDZ PRIMARY SCHOOLত ভোগালীক আদৰাৰ বাবে কণকণ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। অসমীয়া কৃষ্টি, সংস্কৃতি ধৰি ৰখাৰ বাবে শিশু অৱস্থাৰে পৰা প্ৰয়াস কৰিছে শিক্ষানুষ্ঠানখনে। আজি পুৱাৰ ভাগত ভোগালীৰ মেজি সাজি কণ কণ শিশুৰ দ্বাৰা জ্বলোৱা হয়। অসমৰ ভোগালী বিহুৰ এক মুখ্য ৰীতি, য'ত বাঁহ, কাঠ, খেৰ, কলপাত আদিৰে এক অস্থায়ী কাঠামো (মেজি) সাজি, মাঘ বিহুৰ দিনা পুৱা জ্বলাই সেয়া ভক্তি আৰু আনন্দৰে উদযাপন কৰা হয়। যাৰ মাধ্যমেৰে শীত আঁতৰাই নতুন বছৰৰ আগমনক আদৰা হয় আৰু সামাজিক ঐক্যৰ প্ৰতীক হিচাপে পালন কৰা হয়। এইৰীতি-নীতি ধৰি ৰখাৰ প্ৰয়াস কৰাৰ লগতে উঠি অহা কণকণ ছাত্ৰ-ছাত্ৰী সকলে যাতে এই ৰীতিনীতিৰ সৈতে পৰিচয় হয় তাৰ বাবে এই বিশেষ আয়োজন গেলেকীৰ HELLO KIDZ PRIMARY SCHOOLৰ। ভোগালীৰ এই বিশেষ অনুষ্ঠানত স্কুলখনৰ সঞ্চালিকা কিৰণ শৰ্মা, ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক অভিভাৱিকা, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৱাহিদ আলী উপস্থিত থাকে।

# তাফছিৰুল কোৰআন মাহ্‌ফিলৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, সোণতলী, ১৪ জানুৱাৰী** ঃ কামৰূপ জিলাৰ ছমৰীয়াৰ ছিৰাতুন্নবী পুথিভঁৰালৰ নৱম বাৰ্ষিক অধিৱেশনখন অহা ১৯ আৰু ২০ জানুৱাৰীত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাইছে। উল্লেখ্য, অধিৱেশনৰ লগত সংগতি ৰাখি ২০ জানুৱাৰীত তাফছিৰুল কোৰআন মাহ্‌ফিল অনুষ্ঠানৰ অনুষ্ঠিত কৰিব। আজি এই উপলক্ষে পৰিচালনা সমিতিয়ে লাইখুটা স্থাপন কৰে। এই লাইখুঁটা স্থাপনৰ অন্তত মাহ্‌ফিলৰ সাফল্য কামনা কৰি সমূহীয়া মোনাজাত কৰে মৌলনা মিৰাজুল হক ঈশ্বাআতিয়ে। স্মৰ্তব্য, আন্তঃ ৰাজ্যিক খ্যাত সম্পন্ন বক্তা হজৰত মুফতি আবুল বাছাৰৰ লগতে গোৱালপাৰা আৰু চুনাৰীৰ বিজ্ঞ আলিমে বক্তব্য প্ৰদান কৰিব। সেয়ে সকলো ৰাইজক উক্ত অধিৱেশনৰ মাহফিলত উপস্থিত থাকিবলৈ উদ্যোক্তা সকলে আন্তিৰকতাৰে কামনা কৰিছে।

## ঘটনা সংঘটিত কৰি পলায়ই চৰকাৰী বাহনৰ চালক

# জিলা উন্নয়ন আয়ুক্তৰ চৰকাৰী বাহনে খুন্দিয়ালে আই টুৱেণ্টি বাহন

**অসম বাৰ্তা, ধেমাজি, ১৪ জানুৱাৰী** ঃ ধেমাজি ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথত ভয়ংকৰ পথ দুৰ্ঘটনা। নিশা ধেমাজি জিলা উন্নয়ন আয়ুক্তৰ বাহনে মহতিয়ালে আই টেন বাহনক। ধেমাজি জিলা উন্নয়ন আয়ুক্তৰ ৰঙা ফলক উলমি থকা এ এছ ২২ বি ৩১৯৫ নম্বৰৰ বগা ৰংঙৰ ইন'ভাৰ বাহনখনে মহতিয়াই চুৰ্ণবিচুৰ্ণ কৰিলে আই টেন বাহনখনক। আই টেন বাহন থকা দুই আৰোহীক অতি সংকটত জনক অৱস্থাত স্থানীয় ৰাইজৰ সহযোগত ততাতৈয়াকৈ চিকিৎসাৰ বাবে নিশাই ধেমাজি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইফালে ঘটনা সংঘটিত কৰি জিলা উন্নয়ন আয়ুক্তৰ চৰকাৰী বাহনৰ চালক ঘটনাস্থলীৰ পৰা পলাইয়ন কৰে। জানিব পৰা মতে অতিমাত্ৰা সুৰা সেৱন কৰি চালক জনে ধেমাজি জিলা উন্নয়ন আয়ুক্তৰ চৰকাৰী বাহনখন ৰাজ পথত তীব্ৰবেগেত চলাই থকা অৱস্থাত বিষয়াগৰাকী বহনত নাছিল বুলি প্ৰতক্ষ্যদৰ্শীয়ে জানিবলৈ দিয়ে। বিষয়াৰ নাম ফলক লগাই বিষয়াৰ অবিহনে নিশা সুৰাসক্ত চালকেজনে বিষয়া গৰাকীৰ চৰকাৰী বাহন লৈ চৰকাৰী কামৰ অবিহনে কোনে ৰাজপথলৈ নিবলৈ অনুমতি প্ৰদান কৰিছিল তাকে লৈ এতিয়া সচেতন মহলত অনেক প্ৰশ্ন অৱতাৰণা হৈছে। সম্পত্তি চালকজন বাতৰি সংগ্ৰহ কৰা সময়লৈকে পলাত বুলি জানিব পাৰিছোঁ।

# মাকুম বেতজান পথৰ এখন দোকানত চুৰি কাৰ্য সংঘটিত

**অসম বাৰ্তা, মাকুম, ১৫ জানুৱাৰী** ঃ আজি বিয়লি প্ৰায় ৪ঃ৩০ মান বজাত মাকুম চহৰৰ বেতজান পথৰ গুপ্তা ষ্টোৰ নামৰ এখন গেলামালৰ দোকানৰ কেচ ব'ৰ পৰা মটৰ চাইকেলেৰে অহা এটা চোৰে প্ৰায় ৭০, ০০০ হাজাৰ টকা নগদ ধনলৈ উধাও হয়। দোকান খনৰ গৰাকী সন্তোষ গুপ্তাৰ ভাষ্য অনুসৰি দোকানখনত নিজ পিতৃক বহুৱাই ভিতৰলৈ জেকেট পিন্ধিবলৈ গৈছিল। তাৰ পাছতে চোৰটোৱে কিবা সামগ্ৰীৰ দাম দৰ কৰি থকা অৱস্থাতে সুযোগ বুজি কেচ ব'ৰ পৰা ধনখিনি লৈ উধাও হয়। চুৰি কাৰ্য সংঘটিত কৰা সম্পূৰ্ণ দৃশ্য চি চি কেমেৰাত বন্দী হৈছে। চুৰি কাৰ্যৰ সন্দৰ্ভত দোকান খনৰ গৰাকী জনে মাকুম আৰক্ষীৰ কাষ চাপি এখন এজেহাৰ সহ চি চি কেমেৰাৰ দৃশ্যটো দাখিল কৰিছে। দিন দুপৰতে এনেধৰণৰ চুৰি কাৰ্য সংঘটিত হোৱাকলৈ আন ব্যৱসায়ী সকলক স্তম্ভিত কৰি তুলিছে।

# বিহালীৰ নকোনীয়াত দুষ্প্ৰাপ্য কেটেলা পহু উদ্ধাৰ বন বিভাগৰ

**অসম বাৰ্তা, জিনজিয়া, ১৫ জানুৱাৰী** ঃ বিহালী সমষ্টিৰ বৰগাং বনাঞ্চলিক কাৰ্যালয় অধিনৰ নকোনীয়া গাঁৱৰ নিবাসী কুল বাহাদুৰ ভুজেল নামৰ ব্যক্তি জনৰ বাসগৃহত পুৱা এটি দুষ্প্ৰাপ্য কেটেলা পহু পাকঘৰৰ ভিতৰত প্ৰৱেশ কৰে। জানিব পৰা মতে কেইগৰাকী মান দুস্কৃতিকাৰীয়ে কেটেলা পহু তোক নিধন কৰিবলৈ খেদি আনিছিল সেই সময়তে পহুতো লোক জনৰ পাকঘৰত প্ৰৱেশ কৰে। তাৰ পিছত ব্যক্তিগৰাকী পৰিয়ালে পাকঘৰৰ দৰ্জা মাৰি ভিতৰত আৱদ্ধ কৰি বন বিভাগক খবৰ কৰে। ঘটনা স্থলীত বৰগাং বনাঞ্চলিক কাৰ্য্যালয়ৰ বনকৰ্মীৰ উপস্থিত হৈ কেটেলা পহুটোক উদ্ধাৰ কৰে আৰু চিকিৎসাৰ ব্যৱস্থা কৰে।

# ৬ জনকৈ চোৰৰ পৰা ১৪ গ্ৰাম সোণ আৰু ৭০০ গ্ৰাম ৰূপ জব্দ বৰপেটাৰোড আৰক্ষীৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ১৫ জানুৱাৰী** ঃ যোৱা নিশা বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত এক অভিযান চলাই সোণ ৰূপৰ চোৰক আটক কৰিবলৈ সক্ষম হয়। বৰপেটাৰোড আৰক্ষী থানাৰ পৰা অভিযান চলাই ৬ জনকৈ চোৰক আটক কৰিবলৈ সক্ষম হয়। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত অভিযান চলাই ১৪ গ্ৰাম সোণ আৰু ৭০০ গ্ৰাম ৰূপ জব্দ কৰে। ১৪ গ্ৰাম সোণ আৰু ৭০০ গ্ৰাম ৰূপ জব্দ কৰাৰ বজাৰ মূল্য প্ৰায় ৩ লাখৰো অধিক আৰু নগধ ধন জব্দ কৰে ৪৬২০ টকা। ধৃতচোৰকেইজন হৈছে ছাদ্দাম আলী(২৪), কালপানী, সঞ্জীব হৰিজন (২১) খাগ্ৰাবাৰী, তাপস পাল (২৯) কালপানী, আছামউদ্দিন আহমেদ (২৮) বাৰাপেটা, ৰাকিবুল আলী(২১) গামাৰিগুৰি, জাকিৰ হুছেইন (৪০) আজাদ নগৰৰ। আজি ধৃত চোৰ কেইজনক জেল হাজোতলৈ প্ৰেৰণ কৰে।

# হিত সাধিনী গ্ৰন্থাগাৰৰ প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৫ জানুৱাৰী** ঃ যোৰহাট গৰুমৰা গণকবাৰী গাঁৱৰ হিতসাধিনী গ্ৰন্থাগাৰৰ দশম প্ৰতিষ্ঠা দিৱস ১ মাঘত পালন কৰা হয়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুৰ্লভ চন্দ্ৰ বৰাই আঁতধৰা অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে দেৱানন্দ দলে আৰু চন্দ্ৰকান্ত বৰাই। পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই ফিতাকাটি মুকলি কৰাৰ পাছতে মুষ্কান আহমেদ, স্বাগতা বৰা, লাকীৰাণী বৰা, পিংকী বৰা, ভাগ্যশ্ৰী বৰা, গীতাশ্ৰী বৰা, অনুষ্কা বৰা, অংকিতা বৰাই নৃত্য প্ৰদৰ্শন কৰাৰ লগতে ৰিয়ান বৰা, হিমাংশু বৰা, লক্ষ্যজ্যোতি বৰাই গীত পৰিৱেশন কৰে। ৰমেন শইকীয়া, অতুল বৰা, প্ৰতাপ চন্দ্ৰ শৰ্মাই পুথিভঁৰালৰ প্ৰয়োজনীয়তা আৰু উপকাৰিতাৰ বিষয়ে বক্তব্য প্ৰদান কৰা সভাত ৰাতুল ৰাজে গীত পৰিৱেশন কৰে। হিমাৰাণী বৰা, তৃষা বৰাই গ্ৰন্থাগাৰটোৰ পৰিচালনা কৰি থকাৰ অভিজ্ঞতা ব্যাখ্যা কৰা অনুষ্ঠানত মৃণাল কলিতা, বিৰীশ বৰা, ৰিদীপ হাজৰিকা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। চেঙেলী বৰা, বকুলী বৰাৰ সোঁৱৰণত প্ৰতিষ্ঠা কৰা গ্ৰন্থাগাৰটোত বৰ্ষটোত অধিক গ্ৰন্থ অধ্যয়ন কৰা পঢ়ুৱৈগৰাকীক বছৰি প্ৰতাপ চন্দ্ৰ শৰ্মাই পিতৃ কেশৱ চন্দ্ৰ দেৱ শৰ্মাৰ সোঁৱৰণত মানপত্ৰসহ উপহাৰ প্ৰদান কৰি আহিছে। পুৱাবেলা অনুষ্ঠিত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা স্থানপ্ৰাপ্তসকলক সভাতে মানপত্ৰসহ উপহাৰ প্ৰদান কৰে। বহুগৰাকীয়ে গ্ৰন্থাগাৰটোলৈ উপহাৰৰূপে গ্ৰন্থ প্ৰদান কৰে। অনুষ্ঠানটোত বহুলোক উপস্থিত থাকে।

# ২৫, ২৬ আৰু ২৭ জানুৱাৰীত শ্ৰীমন্ত শংকৰ- মাধৱ কীৰ্ত্তন ঘৰত তিনিদিনীয়াকৈ একশৰণ ভাগৱতী সমাজৰ বাৰ্ষিক অধিৱেশন আৰু মহাপালনামৰ ৰূপালী জয়ন্তী বৰ্ষ

**অসম বাৰ্তা, ছয়গাঁও, ১৫ জানুৱাৰী** ঃ একশৰণ ভাগৱতী সমাজ, অসমৰ দক্ষিণ কামৰূপ জিলা শাখাৰ বাৰ্ষিক অধিৱেশন আৰু মহাপালনামখনিৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অহা ২৫, ২৬ আৰু ২৭ জানুৱাৰীত পলাশবাৰী সমষ্টিৰ ৩ নং আমত'লা গাঁৱৰ শ্ৰীমন্ত শংকৰ-মাধৱ কীৰ্ত্তন ঘৰত তিনিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ সিদ্ধান্ত লৈছে। সেই উপলক্ষে অহা ২৫ জানুৱাৰীৰ পুৱা ৩ বজাত প্ৰভাত ফেৰি পৰিচালনা কৰিব সতী ৰাধিকা মাতৃ সেৱা সমাজৰ ৩ নং আমত'লা গাঁৱৰ তৰুণ বিদ্যাৰ্থী সমাজে। পুৱা ৪.৩০ বজাত প্ৰাতঃ প্ৰসংগ পৰিচালনা কৰিব নামাচাৰ্য্য শ্ৰীধৰ দাস, প্ৰণৱ ৰাভা আৰু প্ৰভাত দাসে। পুৱা ৭.৩০ বজাত প্ৰাৰ্থনা সভা পৰিচালনা কৰিব উত্তম দাস, দয়াল ৰাভা আৰু নকুল দাসে। পুৱা ৮.০০ বজাত ভকত আদৰণি জনাব সতী ৰাধিকা মাতৃ সেৱা সমাজ দক্ষিণ কামৰূপ জিলা শাখাই। ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব জিলাৰ সভাপতি ৰমেন দাসে। পুৱা ৯ বজাত বৃক্ষৰোপণ কৰিব জিলা সম্পাদক অনন্ত কুমাৰ ৰাভা, আদৰণি সমিতিৰ সম্পাদক দীপক দাস, উপ সভাপতি নিৰঞ্জন ৰাভা, ৰূপনাথ দাস, ৩ নং আমত'লা গাঁও উন্নয়ন সমিতিৰ সভাপতি ভূপেন দাস, ভাগৱতী সমাজৰ কুকুৰমাৰা গাঁও শাখাৰ সভাপতি হৃদয় ৰঞ্জন পাঠকে। পুৱা ৯.৩০ বজাত ভাগৱত শোভা যাত্ৰা উদ্বোধক কৰিব বিধায়ক হেমাংগ ঠাকুৰীয়াই। তাৰ পিছতে অনুষ্ঠিত হব লগা মধ্যাহ্ন প্ৰসংগ পৰিচালনা কৰিব নামাচাৰ্য্য গোপাল বড়ো, নৰেন দাসে। দিনৰ ১ বজাত ভোজনালয় মুকলি কৰিব যুৱ ব্যৱসায়ী বিশ্বজিৎ বিষয়াই। ২.৩০ বজাত বিয়লিৰ প্ৰসংগ পৰিচালনা কৰিব নলিনী ৰাভা আৰু গৌতম ৰাভাই। আবেলি ৩ বজাত মাতৃ সম্মিলন আৰু যুব সমাৰোহখন সঞ্চালক কৰিব সতী ৰাধিকা মাতৃ সেৱা সমাজৰ সভানেত্ৰী জয়মতী দাস আৰু তৰুণ বিদ্যাৰ্থী সমাজৰ জিলা সভাপতি মনোজ কুমাৰ দাসে। আদৰণি ভাষণ প্ৰদান কৰিব বিদ্যাৰ্থী সমাজৰ সম্পাদক অজয় ৰঞ্জন পাঠকে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সোণালী বৰা হাজৰিকাই। বিশিষ্ট অতিথি হিচাপে অঞ্জলি তালুকদাৰ, তৰুণি দাস, তাপসী চৌধুৰী উপস্থিত থকাৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে সত্ৰাধিকাৰ ৰিজু পাঠক মহন্ত উপস্থিত থাকিব। সন্ধিয়া ৬ বজাত বন্তিপ্ৰজ্বলন কৰিব আদৰণি সমিতিৰ উপ সভাপতি জয়ন্ত দাসে। ৭ বজাত গুণমালা কীৰ্ত্তন পৰিচালনা কৰিব অচ্যুৎ দাস, ভোলাৰাম দাসে। সন্ধিয়া ভোজনালয় মুকলি কৰিব জগত শংকৰ কৈৱৰ্ত্তই। সন্ধিয়া ৭-৩০ বজাতত সন্ধ্যা প্ৰসংগ পৰিচালনা কৰিব নৰেশ্বৰ ৰাভা আৰু খৰ্গেশ্বৰ ৰাভাই। সন্ধিয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিমাংশু শেখৰ বৈশ্যই, তাৰ পিছতে নৃত্যাংগণ সাংস্কৃতিক বিদ্যালয়ৰ উদ্যোগত সত্ৰীয়া নৃত্য পৰিৱেশন কৰা হব। নিশা ১০ বজাত ধৰ্মমূলক নাট শকুনিৰ প্ৰতিশোধ মঞ্চস্থ কৰা হব। নাটখনৰ শুভ উদ্বোধন কৰিব আদৰণি সমিতিৰ সভাপতি ধ্ৰুৱনাৰায়ণ দাসে। ২৬ জানুৱাৰীৰ ৰাতিপুৱা প্ৰাতঃ প্ৰসংগ পৰিচালনা কৰিব প্ৰহ্লাদ দাস আৰু অনাদৰ দাসে। পুৱা ৭-৩০ বজাত প্ৰাৰ্থনা সভা পৰিচালনা কৰিব কৃষ্ণ কান্ত ৰাভা আৰু ৰঞ্জন দাসে। পুৱা ৯.৩০ বজাত ভাগৱত পাঠ কৰিব হলিৰাম দাস, শংকৰ দাসে। পুৱা ১০-৩০ বজাত মধ্যাহ্ন প্ৰসংগ পৰিচালনা কৰিব মদন দাস আৰু শ্ৰীধৰ দাসে। দিনৰ ১২.৩০ বজাত দিহানাম পৰিৱেশন কৰিব সতী ৰাধিকা মাতৃ সেৱা সমাজে। ভোজনালয় মুকলি কৰিব আৰক্ষী বিষয়া শ্ৰীযুত বিজুজিৎ দাসে। তাৰ পিছতে বিয়লিৰ প্ৰসংগ পৰিচালনা কৰিব গৌৰী কান্ত দাস আৰু কমলেশ্বৰ দাসে। আবেলি ৩ বজাত মুকলি ধৰ্মালোচনা সভাত সভাপতিত্ব কৰিব জিলা সভাপতি ৰমেন দাসে। আচাৰ্য প্ৰণাম কৰিব উপাচাৰ্য লক্ষ্মী কান্ত ৰায়ে। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত অধ্যাপক সুনন্দ বৰ্মনে। আদৰণি ভাষণ প্ৰদান কৰিব নিৰঞ্জন দাসে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধিয়ে। বিশিষ্ট অতিথি হিচাপে থাকিব অধ্যক্ষ জীৱন চন্দ্ৰ কাকতি, অধ্যাপক পৰাগ কুমাৰ ডেকা, জয়ৰাম হাজৰিকাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব প্ৰাক্তন জিলা সভাপতি গুনেন্দ্ৰ চলিহা আৰু ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতি প্ৰসাদ দাসে। আচাৰ্য্য আশীৰ্বাদ প্ৰদান কৰিব দেহেশ্বৰ বৰাই। সন্ধিয়া গুণমালা কীৰ্ত্তন পৰিচালনা কৰিব কাৰ্ত্তিক শইকীয়াই। নিশা মহাপালনাম আৰম্ভ হৈ ২৭ জানুৱাৰীৰ পুৱা মহাপালনামৰ সামৰণি পৰিব। তাৰ পিছতে শৰণ, ভজন শিবিৰ পৰিচালনা কৰিব উপাচাৰ্য্য লক্ষ্মী কান্ত ৰায়ে। আবেলি ৪ বজাত ধৰ্মধবজা অৱতৰণেৰে বাৰ্ষিক অধিৱেশন আৰু মহাপালনামৰ সামৰণি পৰিব।

# কালজুৰি আবাহন সংঘৰ উদ্যোগত ৫৬ তম্ বাৰ্ষিক অধিৱেশন আৰু ভোগালী বিহু উৎসৱ উদ্‌যাপনৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ১৫ জানুৱাৰী** ঃ অসমৰ নামনি অঞ্চলৰ বিশেষকৈ দৰং জিলাত বিশেষ ভাবে অনুষ্ঠিত কৰা হয় ভোগালী বিহু উৎসৱ উদযাপন। খৈৰাবাৰীৰ কালজুৰি আবাহ্ন সংঘৰ উদ্যোগত ৫৬ তম বাৰ্ষিক অধিৱেশন আৰু ভোগালী বিহু উৎসৱ উদযাপনৰ যোৱা কালি সফল সামৰণি পৰে। দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তগত কালজুৰি আবাহ্ন সংঘৰ উদ্যোগত অনুষ্ঠিত দিনযোৱা কাৰ্যসূচীত ৰাতিপুৱা ভাগৱত পাঠেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত কালজুৰি আৱাহ্ন সংঘৰ পতাকা উত্তোলন কৰে সংঘৰ সভাপতি হৰেন্দ্ৰ নাথ কলিতাই। বিহুৰ পতাকা উত্তোলন কৰে খাগাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিৰ্মল চন্দ্ৰ কলিতাই। স্মৃতি তৰ্পন কৰে খৈৰাবাৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা সুবৰ্ণ দেৱীয়ে। ইয়াৰ পিছত গছপুলি ৰোপণ কৰে বৃক্ষবন্ধু নামে যাৰ পৰিচয়, ঝাৰগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰী শিক্ষক বলেন ডেকাই। অন্যহাতে দিন যোৱা খেল-ধেমালি প্ৰতিযোগিতাৰ উপৰিও বিশেষ ভাবে অনুষ্ঠিত কৰা হয় কুইজ প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, আৰু নৃত্য গীত প্ৰতিযোগিতা। আবেলি অনুষ্ঠিত কৰা হয় মুকলি সভা। মুকলি সভাত খেল ধেমালি প্ৰতিযোগিতাৰ বটাঁ বিতৰণ আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। হৰেন্দ্ৰ নাথ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত কৰা সভাত অপূৰ্ব কুমাৰ শৰ্মাই আত ধৰা অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে খৈৰাবাৰী মহাবিদ্যালয় সহকাৰী জেষ্ঠ্য অধ্যাপক ড° উত্তম কলিতাই। নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে কটন মহাবিদ্যালয়ৰ গৱেষক ছাত্ৰ অপূৰ্বনাথে। লগতে সভাত উপস্থিত থাকে যুৱ সমাজ কৰ্মী কিশোৰী নন্দন, বিজেপি যুৱ নেতা কুলদীপ বৰুৱা। অন্যহাতে আমন্ত্ৰীত অতিথি হিচাপে উপস্থিত থাকে ছিপাঝাৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক, মন্ত্ৰী বিনন্দ কুমাৰ শইকীয়া। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰসংগত অপূৰ্ব কুমাৰ নাথে ৫৬ সংখ্যক ভোগালী বিহু উৎসৱ উদযাপন কৰাৰ বাবে উদযাপন সমিতিৰ বিষয়ববীয়া সকলক ধন্যবাদ জ্ঞাপন কৰে। লগতে তেওঁ ভোগালী বিহুৰ পৰম্পৰাৰ কথাও উল্লেখ কৰে। ইয়াৰ উপৰিও তেওঁ সাম্প্ৰতিক সময়ত অসমীয়া সকলে ভোগালী বিহু পাতিব লাগে বাবেহে পাতিছে বুলি একপ্ৰকাৰ দুখ প্ৰকাশ কৰে। কিয়নো বৰ্তমান সমাজখন কৰ্ম মুখী সমাজ মুঠেওঁ নহয় বুলি তেওঁ দাবি কৰি কয় ভোগালী বিহু উৎসৱ হবলৈ হলে সকলো মানুহৰ ঘৰে ঘৰে থলুৱা খাদ্য সামগ্ৰী উৎপাদনৰ ব্যৱস্থা থাকিব লাগিব। কিন্তু সাম্প্ৰতিক সময়ত আমাৰ সমাজৰ পৰা নাৰিকল, টিলৰ লগতে ধনীয়া, আদা, চুৰা আদিবোৰ অসমীয়া মানুহে খেতি কৰিবলৈ এৰি বহিৰাগত বেপাৰীৰ পৰা ক্ৰয় কৰি ভোগালী বিহু পালন কৰে। আজি কেইবাটাও বছৰ কেৰেলাৰ নাকিকলেৰে অসমৰ বজাৰ দখল কৰিছে আৰু অসমীয়াই সেই নাৰিকলেৰে বিভিন্ন উৎসৱ পাৰ্বন, ভোগালী বিহু পাতি অসমীয়াই বাঢ় বাঢ়ল'ব বিচাৰে। এইবিলাকৰ কোনো অৰ্থ নাই বুলি বক্তব্য প্ৰদান কৰি এক প্ৰকাৰ দুখ প্ৰকাশ কৰে। লগতে তেওঁ অসমীয়া সমাজক কৰ্ম মুখী হবলৈ আহ্বান জনাই অসমীয়া সমাজখন আগবঢ়াই নিবলৈ কালজুৰি আবাহ্ন সংঘৰ বিষয়ববীয়া সকলৰ পৰাই আৰম্ভ কৰিবলৈ আহ্বান জনাই। ইয়াৰ পিছতে কালজুৰি আবাহ্ন সংঘৰ অন্তগত বিশেষ ভাবে চাকৰিৰ পৰা অৱসৰ লোৱা বয়জেষ্ঠ ব্যক্তিক সম্বৰ্ধনাৰ লগতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰিক্ষাত আৰু উচ্চ মাধ্যমিক চূৰান্ত পৰিক্ষাত বিশেষ ভাবে কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী সকলক এখনকৈ সম্বৰ্ধনা পত্ৰ আৰু জাতীয় বস্তেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অন্যহাতে বিশেষ সাংস্কৃতিক সন্ধিয়াৰ বিশিষ্ট শিল্পী হীৰক চানৰ গীতৰ শৰাইৰে কালজুৰি আবাহ্ন সংঘৰ ভোগালী বিহু উৎসৱ উদযাপন আৰু বাৰ্ষিক অধিৱেশন সফল সামৰণি পৰে।

# পুৰণিগুদাম ন-আলিমূৰত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ জানুৱাৰী** ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তথা পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম ন-আলিমূৰত আজি পুৱা এজন লোকক এখন অচিনাক্ত বাহনে খুন্দা মাৰি পলায়ন কৰে। পুৰণিগুদাম ন-আলিমূৰৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে খোজকাঢ়ি আহি থকা লোকজনক ৰাষ্ট্ৰীয় ঘাইপথেৰে যাতায়ত কৰা এখন অচিনাক্ত তীব্ৰবেগী বাহনে খুন্দা মৰাত ঘটনাস্থলীতে নিহত হয় প্ৰমোদ দাস নামৰ লোকজন। প্ৰমোদ দাস কৰ্মসূত্ৰে অৰুণাচল প্ৰদেশত আছিল, তেওঁৰ ঘৰ নগাঁৱৰ ধিঙত বুলি জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত পুৰণিগুদাম আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে ঘটনাৰ প্ৰাৰম্ভিক তদন্ত কৰিছে বুলি জানিব পৰা গৈছে।

# ছয়গাঁও আৰক্ষীয়ে মৰিগাঁৱৰ পৰা চুৰি হোৱা ৮টা এনড্ৰইড মোবাইল সহ গ্ৰেপ্তাৰ কৰিলে এজনক

**অসম বাৰ্তা, ছয়গাঁও, ১৫ জানুৱাৰী** ঃ দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ ফ্লিপকাৰ্টৰ পৰা চুৰি হোৱা মোবাইলৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি আৰক্ষীৰ অভিযান অব্যাহত আছিল । সেই অভিযান অংশ হিচাপে আজি ছয়গাঁও আৰক্ষীয়ে ছয়গাঁও থানাত ৰুজু হৈ থকা ২৮৭/২০২৫ নম্বৰৰ এটি গোচৰৰ ভিত্তিত মোবাইল সহ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। ছয়গাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱাৰাৰ নিৰ্দেশ মৰ্মে উপ পৰিদৰ্শক সূৰয ছেত্ৰীয়ে মৰিগাঁৱৰ ৰয়না পথাৰত অভিযান চলাই তিলক বিশ্বাস নামৰ এগৰাকী ৪২ বছৰীয়া লোকক গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে বিশ্বাসক ছয়গাঁও থানালৈ আনি সোধা পোছা কৰাত তেওঁৰ বিৰুদ্ধে ৩০৩(২) নম্বৰত এটা গোচৰ ৰুজু কৰিছে। ইতিমধ্যে বিশ্বাসৰ পৰা মুঠ ৮টা মোবাইল পাইছে যদিও আৰক্ষীয়ে পুনৰ জেৰা অব্যাহত ৰাখিছে।

## জিলা ভিত্তিত প্ৰতিযোগিতাত পদক অৰ্জন

# দক্ষিণ কামৰূপ ক্ৰীড়া সমাজৰ সফলতা

**অসম বাৰ্তা, মিৰ্জা, ১৫ জানুৱাৰী** ঃ যোৱা ১১ আৰু ১২ জানুৱাৰী তাৰিখে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, কামৰূপ জিলাৰ উদ্যোগত ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে আয়োজন কৰা জিলা ভিত্তিত আন্তঃ ক্লাৱ, বিদ্যালয়, মহাবিদ্যালয় এথেলেটিকছ প্ৰতিযোগিতাত জিলাখনৰ কেইবাখনো বিদ্যালয় মহাবিদ্যালয় তথা ক্লাৱৰ লগতে দক্ষিণ কামৰূপ ক্ৰীড়া সমাজে অংশগ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাত দক্ষিণ কামৰূপৰ ক্ৰীড়া সমাজৰ খেলুৱৈয়ে ৫টা সোণ, ৩টা চিলভাৰ আৰু ৭টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে কামৰূপ জিলাৰ ভিতৰত দ্বিতীয় সৰ্বশ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতা খনিত দক্ষিণ কামৰূপ ক্ৰীড়া সমাজৰ খেলুৱৈ ক্ৰমে হিল্লৰ দাস, ৰূপম দাস, পাৰ্থ প্ৰতিম দাস আৰু যুৱা জ্যোতি মহন্তই ৪১০০মিটাৰ দৌৰত প্ৰথম স্থান, আফ্ৰীদ হুছেইনে জেভলিন থ্ৰত ১ম স্থান, ডিচকাচ থ্ৰত ৩য় স্থান, কংকনা দাসে - লং জাম্পত ১ম স্থান, ৬০০ মিটাৰ দৌৰত ৩য় স্থান, পাৰ্থ প্ৰতিম দাসে- ৬০০ মিটাৰ দৌৰত ১ম স্থান, নয়না দাসে- চটফুটত ১ম স্থান, ডিচকাচ থ্ৰত ৩য় স্থান, দীপা মণি কলিতাই - জেভলিন থ্ৰ ২য় স্থান, যুৱা জ্যোতি মহন্তয়ে - লং জাম্প ২য় স্থান, ১০০ মিটাৰ দৌৰত ৩য় স্থান, ভিতালী দাসে - ডিচকাচ থ্ৰত ২য় স্থান, চটফুটত ৩য় স্থান, জেভলিন থ্ৰ ৩য় স্থান, সমীৰ দাসে জেভলিন থ্ৰ ৩য় স্থান লাভ কৰি দক্ষিণ কামৰূপ ক্ৰীড়া সমাজক গৌৰৱান্বিত কৰা পৰিলক্ষিত হয়।

# ৰূপহীহাটত ড্ৰাগছসহ গ্ৰেপ্তাৰ এক, জব্দ বাইক, ম'বাইল ফোন

**অসম বাৰ্তা, ৰূপহীহাট, ১৫ জানুৱাৰী** ঃ ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষীয়ে আজি আবেলি এক গোপন সূত্ৰৰ পম খেদি তামোলীটোপত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিযানত ১৫ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰৰ সৈতে গ্ৰেপ্তাৰ কৰে এজন সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীজন হ'ল গৰেমাটিমাটিখোৱাৰ আশ্বাদুল হক। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৫.২৭ গ্ৰাম। ড্ৰাগছ সৰবৰাহকাৰী জনে এএছ-০১-বিএকছ-৯২৩৬ নম্বৰৰ বাইকেৰে জিউমাৰীৰ পৰা ৰূপহীত ড্ৰাগছ বিক্ৰী কৰিবলৈ আহি থাকোঁতে ৰূপহীহাট আৰক্ষীৰ জালত পৰে। ৰূপহীহাট আৰক্ষীয়ে সৰবৰাহকাৰী জনৰ পৰা এটা বাইক আৰু এটা ম'বাইল ফোন জব্দ কৰি জেৰা অব্যাহত ৰাখিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন